GPH S3 02 (M)

নীতিশাস্ত্র

তৃতীয় ষাণ্মাসিক

দর্শন

খণ্ড - ২

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক(অবসাৰপ্রাপ্ত) শিৱনাথ শর্মা, দর্শন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক সৌৰভপ্রাণ গোস্বামী, দর্শন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
শ্রীপ্রদীপ খাটনিয়াৰ, সহযোগী অধ্যাপক, দর্শন বিভাগ, কটন কলেজ

সমন্বয়ৰক্ষীঃ ড° ভাস্কৰ ভট্টাচার্য্য, সহকাৰী অধ্যাপক কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
ড° তেজসা কলিতা, সহকাৰী অধ্যাপিকা কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*প্রস্তুতি গোটৰ সদস্য*	*ভাষান্তৰকাৰী*
৯	শ্রীমতী মিনাক্ষী শর্মা পাঠক	কীর্তি নাথ কলিতা
১০	শ্রীমতী চাৰু দাস	মাইনু দেবী বৰুৱা
১১	ড°পৰান বৰঠাকুৰ	ড°পৰান বৰঠাকুৰ
১২	ড° ভাস্কৰ ভট্টাচার্য্য	ড° ভাস্কৰ ভট্টাচার্য্য
১৩,১৪	আকৈযাম থৈবাচানা	ড° মানসী বৰা
১৫	ড° মানসী বৰা	ড° মানসী বৰা

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ ড° যুথিকা দাস, শ্রীমতী মিনাক্ষী শর্মা পাঠক

ভাষা সম্পাদনা ঃ ড° ৰেখাৰাণী দেৰী, গুৱাহাটী বিশ্ববিদ্যালয়
মাইনু দেৰী বৰুৱা

গাঁথনিক সম্পাদনা ঃ ড° ভাস্কৰ ভট্টাচার্য্য, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
ড° তেজসা কলিতা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

মে', ২০১৮

Copyright © Krishna Kanta Handiqui State Open University
This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/
For the avoidance of doubt, by applying this license KKHSOU does not waive any privileges or immunities from claims that it may be entitled to assert, nor does KKHSOU submit to the jurisdiction, courts, legal processes or laws of any jurisdiction.

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাওঁ, ৰাণী গেট, গুৱাহাটী- ৭৮১০১৭
উপমুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিচপুৰ, গুৱাহাটী - ৭৮১০০৬ ;
Web : www.kkhsou.in

পাঠ্যবিষয়ৰ পৰিচয় ঃ

এই পাঠ্যবিষয়টিয়ে আমাক নীতিবিদ্যাৰ লগত পৰিচয় কৰি দিয়ে। ই বিজ্ঞান সন্মত পদ্ধতিৰে মানুহৰ ৰীতিনীতি আৰু অভাস সমূহ আলোচনা কৰে। নীতিবিজ্ঞানক শুদ্ধ আৰু ভুল নিৰ্দ্ধপনৰ বিজ্ঞান বুলিও কব পাৰি কাৰণৰ মানুহৰ শুদ্ধ অশুদ্ধ ব্যৱহাৰৰ জৰিয়তে, মানুহৰ এজনৰ ইচ্ছা প্রকাশিত হয়। সেয়েহে নীতিবিদ্যাক মানুহৰ সর্বোচ্চ শ্রেয়ৰ বিজ্ঞান বুলি কব পাৰি যিয়ে, সত্য, শ্রেয় আৰু সুন্দক সাঙুৰি লয়।

খণ্ড পৰিচয়

এই খণ্ডটিত সাত্তা অধ্যায় আছে। নৱম অধ্যায়টো হ'ল 'স্বাধীনতা আৰু নিয়তিবাদ' এই অধ্যায়টো অধ্যয়ন কৰি আপুনি স্বাধীনতা আৰু নিয়তিবাদৰ অর্থ জানিব পাৰিব আৰু স্বিাধীনতা আৰু নয়তিবাদ সমর্থন কৰা যুক্তিসমূহ ব্যাখ্যা কৰিব পাৰিব

দশম অধ্যায়টো হ'ল 'কর্তব্যমূলক আৰু উদ্দেশ্যমূলক নীতিবিজ্ঞান' । এই অধ্যায়টো অধ্যয়ন কৰি আপুনি জানিব পাৰিব নীতিবিজ্ঞানমূলক অধ্যয়নত থকা চাৰিটা প্রধান পৰিসৰৰ বিষয়ে আৰু আদর্শনিষ্ঠ নীতিবিজ্ঞানক ব্যাখ্যা কৰিবলৈ।

একাদশ অধ্যায়টো হ'ল 'পুৰুষার্থ'।এই অধ্যায়টি অধ্যয়ন কৰি আপুনি মানৱ জীৱনৰ উদ্দেশ্যসমূহৰ প্রকৃতি ভাৰতীয় পৰম্পৰা অনুযায়ী ব্যাখ্যা কৰিব পাৰিব, আর্থিক মূল্যৰ লগত জড়িত আনুষ্ঠানিক গাঁথনিৰ স্বৰূপ ব্যাখ্যা কৰিব পাৰিব, চাৰিটা প্রমূল্যৰ লগত সম্পর্কিত চাৰি প্রকাৰৰ শাস্ত্রৰ বিভাজন দাঙি ধৰিব পাৰিব।

দ্বাদশ অধ্যায়টো হ'ল শাস্তিতত্ত্ব।এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—অপৰাধ আৰু শাস্তিৰ বিষয়ে আলোচনা কৰিব পাৰিব, প্রতিৰোধাত্মক বা নিষেধক মতবাদৰ বিৱৰণ দিব পাৰিব, সংশোধনাত্মক মতবাদৰ আলোচনা কৰিব পাৰিব, প্রতিকাৰাত্মক বা প্রতিশোধাত্মক মতবাদৰ আলোচনা আগবঢ়াব পাৰিব, শাস্তিতত্ত্ব সর্ম্পকীয় মতবাদ সমূহৰ মাজত পার্থক্য নির্ণয় কৰিব পাৰিব, আৰু ভিন্ ভিন্ শাস্তিতত্ত্ব সর্ম্পকীয় মতবাদৰ আলোচনা কৰিব পাৰিব।

ত্রয়োদশ অধ্যায়টো হ'ল 'অধি-নীতিশাস্ত্র ঃ ইয়াৰ স্বৰূপ আৰু আদর্শনিষ্ঠ নীতি বিজ্ঞানৰ পৰা ইয়াৰ পার্থক্য'। এই অধ্যায়টো অধ্যয়ন কৰি আপুনি অধিনীতি শাস্ত্রৰ স্বৰূপৰ লগত ইয়াৰ লগত সম্বন্ধিত প্রশ্ন যেনে অধিনীতি শাস্ত্র মানে কি আৰ ই আদর্শনিষ্ঠ নীতিজ্ঞানৰ পৰা কেনেকৈ পৃথক সম্পর্কে জানিব পাৰি।অধিনীতি শাস্ত্র আটাইতকৈ বিমূর্ত নীতিশাস্ত্র হিচাপে যি সকলোনৈতিক মূল্য নিয়ন্ত্রণ কৰা মূল নীতিবোৰৰ লগত সম্বন্ধিত হৈ থকা নীতি বিজ্ঞানৰ সমপের্কে জানিব পাৰিব।অধিনীতি শাস্ত্রৰ কাম যে কোনো নীতি, কার্য্য বা নীতিবিজ্ঞানৰ মূল্য নির্ধাৰণ কৰা নহয় তাক জানিব পাৰিব। ই আদর্শনিষ্ঠ নীতিবিজ্ঞানৰ পৰাপৃথক যি এটা মডেল বা নীতি বা এক মানদণ্ড যাৰ দ্বাৰা বস্তু সমূহক বিচাৰ কৰা হয়।

চর্তুদশ অধ্যায়টো হ'ল 'মুৰ ঃ ভালৰ ধাৰণাৰ অব্যাখ্যাকৰণ'। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি মুৰৰ 'নৈতিক প্রতিবাদ'ৰ উদ্দেশ্যবোৰ উপস্থাপনৰ বিষয়ে জানিব পাৰিব। প্রকৃতিগত দোষ সম্পর্কে আলোচনা কৰিব পাৰিব।'ভাল'ৰ ধাৰণাটো কিয় ব্যাখ্যা কৰিব নোৱাৰি তাক আলোচনা কৰিব পাৰিব।

পঞ্চদশ অধ্যায়টো হ'ল নৈতিক ভাষাৰ আবেগবাদী (আবেগবাদী) বিশ্লেষণ। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি নৈতিক ভাষাৰ আবেগবাদী বিশ্লেষণ সম্পর্কে ধাৰণা কৰিব পাৰিব, আৰু জানিব পাৰিব আবেগবাদ মনে কি, আবেগবাদ সম্পর্কে আয়াৰৰ মতামত কি, সত্যাপন নীতি সম্পর্কে আয়াৰৰ মতামত কি, ষ্টিভেনচনৰ আবেগবাদ কি?

এইবোৰে মূল পাঠত উল্লেখ থকা দৰকাৰী ধাৰণাসমূহ সৰল অৰ্থত বুজি পোৱাত সহায় কৰিব। **'জানি থোৱা ভাল'** বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। আকৌ, প্ৰতিটো শাখাৰ অধ্যয়নৰ অন্তত **'অগ্ৰগতি নিৰীক্ষণ'** যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্বপৰীক্ষণৰ সুবিধা প্ৰদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া **'অগ্ৰগতিৰ খতিয়ান'**ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে **'অধিক জানিবলৈ'** শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত কৈটিমান 'আৰ্হি প্ৰশ্ন' তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্ৰসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

স্নাতক কলা
নীতিশাস্ত্র
খণ্ড - ২
বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ৯ ঃ স্বাধীনতা আৰু নিয়তিবাদ ১১৫-১২৬

নিয়তিবাদ, নিয়তিবাদৰ সপক্ষে যুক্তি, ইচ্ছাৰ স্বাধীনতা কি?, স্বাধীন ইচ্ছাৰ সপক্ষে যুক্তি অদৃষ্টবাদ, ভাগ্যবাদ আৰু বৈজ্ঞানিক নিয়তিবাদ, স্বাধীনতা আৰু নিয়তিবাদ

অধ্যায় ১০ ঃ কর্তব্যমূলক আৰু উদ্দেশ্যমূলক নীতিবজ্ঞান ১২৭-১৩৮

আদর্শনিষ্ঠ নীতিবিজ্ঞান আৰু আন তিনিপ্রকাৰৰ নীতিবিজ্ঞানৰ লগত ইয়াৰ পার্থক্য, আদর্শনিষ্ঠ নীতিবিজ্ঞানৰ প্রকাৰসমূহ, কর্তব্যমূলক আৰু উদ্দেশ্যমূলক নীতিবিজ্ঞানৰ মাজৰ পার্থক্য সমালোচনাত্মক মূল্যায়ন

অধ্যায় ১১ ঃ পুৰুষার্থ ১৩৯-১৫২

অর্থ, কাম, ধর্ম, মোক্ষ. চাৰিপ্রকাৰৰ শাস্ত্র

অধ্যায় ১২ ঃ শাস্তিতত্ত্ব ১৫৩-১৬৬

অপৰাধ আৰু শাস্তিৰ ধাৰণা,শাস্তি সম্পর্কীয় মতবাদ, প্রতিযেধমূলক মতবাদ, সংশোধনমূলক মতবাদ, প্রতিশোধমূলক মতবাদ, প্রাণদণ্ড শাস্তিতত্ত্ব

অধ্যায় ১৩ঃ অধি-নীতিশাস্ত্র ঃ ইয়াৰ স্বৰূপ আৰু আদর্শনিষ্ঠ নীতি বিজ্ঞানৰ পৰা ইয়াৰ পার্থক্য ১৬৭-১৭৭

অধি-নীতিশাস্ত্র কি? অধি-নীতিশাস্ত্র কি? অধিনীতি শাস্ত্র আৰু আদর্শনিষ্ঠ নীতি বিজ্ঞানৰ মাজত পার্থক্য

অধ্যায় ১৪ ঃ মুৰ ঃ ভালৰ ধাৰণাৰ অব্যাখ্যাকৰণ ১৭৮-১৮৬

ভালৰ ধাৰণাৰ অব্যাখ্যাকৰণ, সাধাৰণ আৰু জটিল সম্পত্তি, মুক্ত প্রশ্নৰ যুক্তি, প্রকৃতিগত দোষ, অর্ন্তনিহিত মূল্য হিচাপে ভালৰ ধাৰণা

অধ্যায় ১৫ঃ নৈতিক ভাষাৰ আবেগবাদী (আবেগবাদী) বিশ্লেষণ ১৮৭-২০০

আয়াৰৰ আবেগবাদ, আয়াৰ আৰু সত্যাপন নীতি, আয়াৰৰ আবেগবাদৰ মূল্যায়ণ ষ্টিভেনচনৰ আবেগবাদ, আবেগবাদ আৰু নৈতিক অসন্মতি

অধ্যায় ৯ ঃ স্বাধীনতা আৰু নিয়তিবাদ

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ নিয়তিবাদ

৯.৪ নিয়তিবাদৰ সপক্ষে যুক্তি

৯.৫ ইচ্ছাৰ স্বাধীনতা কি?

৯.৬ স্বাধীন ইচ্ছাৰ সপক্ষে যুক্তি

৯.৭ অদৃষ্টবাদ, ভাগ্যবাদ আৰু বৈজ্ঞানিক নিয়তিবাদ

৯.৮ স্বাধীনতা আৰু নিয়তিবাদ

৯.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.১০ অধিক জানিবলৈ

৯.১১ অগ্রগতিৰ খতিয়ান

৯.১২ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- নিয়তিবাদৰ অর্থ জানিব পাৰিব
- নিয়তিবাদ সমর্থন কৰা যুক্তিসমূহ ব্যাখ্যা কৰিব পাৰিব
- স্বাতন্ত্র্যবাদ বা স্বাধীনতাৰ সংজ্ঞা দিব পাৰিব
- অনিয়তিবাদ আৰু আত্ম-স্বাতন্ত্র্যবাদ সম্বন্ধে আলোচনা কৰিব পাৰিব
- স্বাতন্ত্র্যতা আৰু নিয়তিবাদৰ মাজৰ সম্বন্ধ ব্যাখ্যা কৰিব পাৰিব।

৯.২ পৰিচয়

অতি প্রাচীন নৈতিক সমস্যাসমূহৰ ভিতৰত এটা গুৰুত্বপূর্ণ সমস্যা হ'ল ইচ্ছাৰ স্বাধীনতা। ইচ্ছাৰ স্বাধীনতাৰ সমস্যা বুলিলে বুজা যায় মানুহবোৰ স্বতন্ত্রভাৱে কার্য সম্পাদন কৰিবলৈ স্বাধীন হয় নে নহয় অথবা তেওঁলোকৰ ইচ্ছা নিয়ন্ত্রিত হয় নে নহয়। নীতিবিদ আৰু বিধি প্রণেতাসকলে ইচ্ছাৰ স্বাধীনতা সমর্থন কৰে, আনহাতে, আচৰণবাদী বৈজ্ঞানিকসকলে যুক্তি দর্শাই কৈছে যে স্বাধীন ইচ্ছা বৈজ্ঞানিক কাৰণৰ বাবেই অসম্ভৱ। এই সমস্যাটোৰ গুৰুত্ব বৃদ্ধি পাইছে এইবাবেই যে এটা দলে স্বাধীন ইচ্ছাৰ অনুশীলন বৈজ্ঞানিক বিধিৰ লগত অসংগত বুলি কৈছে। আনহাতে, আন এটা দলে কয় যে যদি স্বাধীন ইচ্ছা অগ্রাহ্য কৰা হয় তেন্তে নৈতিকতা অর্থহীন হৈ পৰিব। তলৰ বিভিন্ন শিতানত ইচ্ছাৰ স্বাধীনতাৰ সমস্যাটোৰ বিভিন্ন দিশৰ ওপৰত

আলোকপাত কৰা হৈছে আৰু তাত মূলত বাৰুকৈয়ে উত্থাপিত মতবাদ যেনে- নিয়তিবাদ, অদৃষ্টবাদ, ভাগ্যবাদ আৰু বৈজ্ঞানিক নিয়তিবাদৰ ওপৰত গুৰুত্ব প্রদান কৰা হৈছে।

৯.৩ নিয়তিবাদ

নিয়তিবাদৰ মতে মানুহকে ধৰি প্রকৃতিৰ অন্তর্গত সকলো বস্তুৰেই কার্য আৰু কাৰণৰ মাজত থকা অনিবার্য সম্বন্ধৰ দ্বাৰা পৰিচালিত হয়। জগতৰ সকলো কার্যকে ইয়াৰ পূর্বৱর্তী ঘটনাৰ দ্বাৰা ব্যাখ্যা কৰা হয়। জগতৰ সকলো ঘটনাই কার্য-কাৰণ সম্বন্ধৰে সম্বন্ধযুক্ত বুলি ব্যাখ্যা কৰিবলৈ গৈ নিয়তিবাদীসকলে জগতৰ শৃংখলা, প্রাকৃতিক নিয়মসমূহৰ সার্বিক আদেশ আৰু বিজ্ঞানৰ অগ্রগতি স্বীকাৰ কৰিছে। জগতৰ সকলো স্বাভাৱিক ঘটনাৰ দৰে মানুহৰো সকলো আচৰণ প্রাকৃতিক নিয়মৰ দ্বাৰাই নির্ধাৰিত হয় আৰু ই হ'ল পূর্বৱর্তী ঘটনাৰেই ফল। আন কথাত ক'বলৈ গ'লে, নিয়তিবাদে যিকোনো প্রকাৰৰ ইচ্ছাৰ স্বাধীনতা অগ্রাহ্য কৰে। জগতৰ ঘটনাসমূহৰ মাজত কেৱল এক 'আপোচবিহীন' (Unbending) আৱশ্যকতা আছে। এই নিয়তিবাদক 'আৱশ্যকতাবাদ' (Necessitarianism) বুলিও জনা যায়। নিয়তিবাদীসকলে তেওঁলোকৰ মতবাদৰ সমর্থনত কেতবোৰ যুক্তি আগবঢ়াইছে। সেইবোৰ তলত আলোচনা কৰা হ'ল--

৯.৪ নিয়তিবাদৰ সপক্ষে যুক্তি

ক) **মনোবৈজ্ঞানিক যুক্তি ঃ** (Psychological Argument) মানুহৰ ঐচ্ছিক ক্রিয়াৰ মনোবিজ্ঞানে নিয়তিবাদকে সূচায়। এজন ব্যক্তিৰ ইচ্ছাশক্তি নির্ধাৰণ কৰা পূর্বৱর্তী ক্ষমতা বা মানসিক বলেই হ'ল তেওঁৰ অভিপ্রায়, আকাংক্ষা অথবা প্রবৃত্তি। অভিপ্রায়ৰ ক্ষমতাই ইচ্ছাশক্তি নির্ণয় কৰে আৰু তাক পুনৰাই দৈহিক আৰু সামাজিক পৰিবেশৰ দ্বাৰা নির্ধাৰণ কৰা হয়। এজন ব্যক্তিৰ চৰিত্র আংশিকভাৱে তেওঁৰ বংশগত গুণ আৰু আংশিকভাৱে তেওঁৰ স্নায়ুতন্ত্রৰ গঠনৰ জৰিয়তে নির্ধাৰিত হয়। এই ঘটনাসমূহে প্রমাণ কৰে যে আমাৰ ইচ্ছাশক্তি নিশ্চিতভাৱে নির্ধাৰিত হয়। নিয়তিবাদীসকলে যুক্তি দি কৈছে যে যদি আমাৰ পূর্বজ্ঞান থাকিব পাৰে তেতিয়াহ'লে মানুহৰ আচৰণো আগতে নির্ধাৰিত হ'ব পাৰে আৰু এই কথাটোৱে নিয়তিবাদ সূচায়। এইদৰে মনোবৈজ্ঞানিক যুক্তিৰ সমর্থকসকলে ইচ্ছাৰ স্বাধীনতা অগ্রাহ্য কৰিছে।

খ) **অধিবিদ্যামূলক যুক্তি** (Metaphysical Argument) ঃ কঠোৰ নিয়তিবাদ (Rigorous Determinism) হ'ল অধিবিদ্যামূলক মতবাদ সার্বিক যান্ত্রিকতাবাদ (Universal Mechanism) আৰু বিমূর্ত অদ্বৈতবাদ (Abstract Monism) ৰেই অনিবার্য পৰিণাম। কার্য-কাৰণ বিধি অনুসৰি দৈহিক বা মানসিক প্রত্যেকটো ঘটনাই ইয়াৰ এক পূর্বৱর্তী ঘটনাৰ দ্বাৰা সৃষ্টি হয়। এই কার্য-কাৰণ বিধিয়ে ইচ্ছাৰ স্বাধীনতাৰ ধাৰণা স্বীকাৰ নকৰে। আন কথাত ক'বলৈ হ'লে কাৰণবিহীন কোনো ঘটনা থাকিব নোৱাৰে, প্রত্যেকটো বস্তু

বা ঘটনাই প্ৰাকৃতিক নিয়মৰ দ্বাৰা নিৰ্ধাৰিত হয় আৰু সৃষ্টি কৰা হয়। বিমূৰ্ত অদ্বৈতবাদ মতে একমাত্ৰ ঈশ্বৰেই সৎ। জগত আৰু মন যিদৰে অসৎ আৰু ঈশ্বৰৰেই ভ্ৰান্ত অৱভাস (Illusory Appearances), ঠিক সেইদৰে ইচ্ছাৰ স্বাধীনতাও ভ্ৰমাত্মক। আমাৰ ইচ্ছাশক্তি সৎ আৰু স্বাধীনৰূপে প্ৰতিভাত হয়, কাৰণ সিহঁতৰ প্ৰতি সচেতন হোৱাৰ সময়ত আমি সেইবোৰ নিৰ্ধাৰণ কৰা কাৰণসমূহক গুৰুত্ব প্ৰদান নকৰোঁ।

গ) **পাৰমার্থিক যুক্তি** (Theological Argument) ঃ স্বাভাৱিকতেই আমি ঈশ্বৰক সৰ্বশক্তিমান আৰু সৰ্বস্ব বুলি গণ্য কৰোঁ। গতিকে মানুহৰ কোনো ইচ্ছাৰ স্বাধীনতা থাকিব নোৱাৰে। প্ৰকৃতি আৰু মানুহৰ ভৱিষ্যতে হ'বলগা আৰু কৰিবলগা কাৰ্যসমূহ ঈশ্বৰৰ দৃষ্টিগোচৰ হৈ থাকে। প্ৰকৃতি আৰু মানুহ সম্বন্ধে ঈশ্বৰৰ এনে ধৰণৰ পূৰ্বজ্ঞানে নিয়তিবাদকে সূচায়। জগত আৰু মানুহৰ কাৰ্যসমূহৰ ধাৰাবাহিকতা আৰু শৃংখলা ঈশ্বৰে নিৰ্ধাৰণ কৰে। এইদৰে এই যুক্তিয়ে প্ৰমাণ কৰে যে মানুহৰ কোনো স্বাধীন ইচ্ছা নাই।

ঘ) **নৈতিক যুক্তি** (Moral Argument) ঃ ইচ্ছাৰ স্বাধীনতাক নৈতিক জীৱনৰ অনিবাৰ্য স্বীকাৰ্য আৰু ভিত্তি বুলি গণ্য কৰা হয়। ইচ্ছাৰ স্বাধীনতা সম্বন্ধে ইয়াৰ প্ৰৱক্তাসকলে আগবঢ়োৱা মতসমূহৰ পৰা এইটো বোধগম্য হয় যে আমাৰ ইচ্ছাসমূহ স্বাধীন আৰু স্বতন্ত্ৰ; আমাৰ আচৰণ প্ৰকৃতিয়ে পৰিচালিত নকৰে। যদি আমাৰ আচৰণ কাৰোবাৰ দ্বাৰা নিয়ন্ত্ৰিত আৰু নিৰ্ণিত হয় তেন্তে আমি আমাৰ কাৰ্যৰ বাবে দায়বদ্ধ হ'ব নোৱাৰোঁ। এইদৰে অনিয়তিবাদ বা ইচ্ছাৰ স্বাধীনতাৰ মতবাদে আমাৰ নৈতিক জীৱন অসম্ভৱ কৰি তুলিব। এই অৰ্থত নিয়তিবাদৰ অতি প্ৰয়োজন আছে।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন নং ১ ঃ তলত দিয়া উক্তিবোৰৰ শুদ্ধ বা অশুদ্ধ বিচাৰ কৰক।

ক) নিয়তিবাদক আৱশ্যকতাবাদ বুলিও জনা যায়। (শুদ্ধ/অশুদ্ধ)

খ) নিয়তিবাদে ইচ্ছাৰ স্বাধীনতা অগ্ৰাহ্য কৰে। (শুদ্ধ/অশুদ্ধ)

গ) মনোবৈজ্ঞানিক নিয়তিবাদে কয় যে এজন ব্যক্তিৰ ইচ্ছাশক্তি নিৰ্ধাৰণ কৰা পূৰ্ববৰ্তী ঘটনা বা কাৰণেই হ'ল তেওঁৰ অভিপ্ৰায়, আকাংক্ষা অথবা প্ৰবৃত্তি। (শুদ্ধ/অশুদ্ধ)

ঘ) বিমূৰ্ত অদ্বৈতবাদে কয় যে একমাত্ৰ ঈশ্বৰেই সৎ আৰু জগতখন হ'ল ঈশ্বৰৰ ভ্ৰমাত্মক অৱভাস। (শুদ্ধ/অশুদ্ধ)

ঙ) পাৰমার্থিক যুক্তিৰ মতে জগতৰ ঘটনাসমূহ ঈশ্বৰে নিৰ্ধাৰণ কৰে। (শুদ্ধ/অশুদ্ধ)

চ) আত্ম স্বাতন্ত্ৰ্যবাদৰ মতে মানুহৰ ইচ্ছাক্ৰিয়া আত্মাই নিৰ্ধাৰণ কৰে, ই আন কোনো ঘটনা বা কাৰণৰ দ্বাৰা নিৰ্ধাৰিত নহয়। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ২ ঃ নিয়তিবাদ বুলিলে কি বুজে? (৫০টা মান শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

প্ৰশ্ন নং ৩ ঃ নিয়তিবাদীসকলে নিয়তিবাদৰ সপক্ষে আগবঢ়োৱা যুক্তিবোৰ কি কি?

.....

.....



চিন্তা চৰ্চা কৰক-২.১

- নিয়তিবাদ কি? চমুকৈ লিখক।

উত্তৰ .....

.....

- নিয়তিবাদৰ সমৰ্থনত যিকোনো দুটা কাৰণ উল্লেখ কৰক।

উত্তৰ ঃ .....

৯.৫ ইচ্ছাৰ স্বাধীনতা কি?

ইচ্ছাৰ স্বাধীনতাৰ মতবাদ স্বাভাৱিকতেই বিশ্ব-জগতৰ এক নৈতিক স্বীকাৰ্য। আমাৰ স্বাধীনতাবোধ অথবা অনুভব মানৱ অস্তিত্ব আৰু জীৱনৰ এক অবিচ্ছেদ্য অংগ। ইয়াৰ পৰা আন এটা কথা স্পষ্ট হয় যে মানুহৰ কাৰ্যসমূহ সীমাবদ্ধ হ'ব নোৱাৰে; কোনো পূবৱৰ্তী ঘটনা বা কাৰণৰ দ্বাৰা পূৰ্ব নিৰ্ধাৰিত হ'ব নোৱাৰে। কাৰ্যসমূহ মানুহৰ পছন্দ অনুযায়ী নিৰ্ধাৰিত কৰা হয়।

স্বাতন্ত্ৰ্যবাদ, স্বয়ংক্ৰিয় মতবাদ, আত্ম স্বাতন্ত্ৰ্যবাদ আদিৰ মতে আত্মাই স্বয়ংক্ৰিয়ভাৱে মানুহৰ ইচ্ছা নিৰূপণ কৰে, ই কাৰো দ্বাৰা প্ৰভাবিত নহয়। আন কথাত ক'বলৈ গ'লে, যদি আমি মানুহৰ কাৰ্য-কলাপ নিৰ্ধাৰিত হয় বুলি কওঁ, তেন্তে ই অন্য কোনো ঘটনাৰ দ্বাৰা প্ৰভাৱিত নহয়, ই হ'ল আত্মা আৰু ইয়াকেই তাৰ কাৰণ হিচাপে গণ্য কৰা হয়।

স্বাধীনতা সম্বন্ধে আমি প্ৰতিবাদ কৰোঁ আৰু সন্দেহ প্ৰকাশ কৰোঁ যেতিয়া আমি লৌকিক দিশৰ পৰা আঁতৰি আহিবলৈ চেষ্টা কৰোঁ আৰু স্বাধীনতাৰ সমস্যাটোক উচ্চতৰ বৌদ্ধিক দিশৰ পৰা বিশ্লেষণ কৰিবলৈ চেষ্টা অব্যাহত ৰাখোঁ। এইদৰে আমি ইয়াক বৈজ্ঞানিক বিধি আৰু মনোবৈজ্ঞানিক বাধ্যবাধকতাৰ সৈতে একাকাৰ কৰোঁ। আমি বাৰুকৈয়ে পৰিচিত যে আমাৰ দৈনন্দিন জীৱনত আমি নিজ ইচ্ছাৰে কাম কৰোঁ আৰু ভিন্ন কাৰ্যৰ মাজৰ পৰা নিজৰ পচন্দ অনুযায়ী কাৰ্য নিৰ্বাচন কৰোঁ। ইচ্ছাশক্তি (Volition) বুলিলে আমি ইয়াকে বুজোঁ যে স্বাধীনভাৱে পচন্দ কৰাৰ ক্ষেত্ৰত মানুহৰ ক্ৰিয়াসমূহৰ এক বিশেষ ভূমিকা আছে।

৯.৬ স্বাধীন ইচ্ছাৰ সপক্ষে যুক্তি

ক) যেতিয়া আমি আমাৰ অন্তৰস্থ জীৱনৰ ঘটনাবোৰ পৰীক্ষা কৰোঁ আমি দেখিবলৈ পাওঁ যে অভিপ্ৰায় আৰু আকাংক্ষাৰ ক্ষমতা মনৰ ওপৰত নিৰ্ভৰ কৰে, ই কোনো পূৰ্ব ৰতী পৰিস্থিতিৰ ওপৰত নিৰ্ভৰশীল নহয়। আমাৰ মনটোক নিঃসন্দেহে কিছুমান ব্যহ্যিক কথাই প্ৰভাৱিত কৰে, যেনে-- মুদ্ৰণ বা ছাপ, উদ্বেগসূচক অনুভৱ আৰু আবেগ আদি। কিন্তু আমাৰ মনটো হ'ল সেই ক্ষমতা বা শক্তিৰ কেন্দ্ৰবিন্দু যিয়ে সেই বাহ্যিক প্ৰভাৱসমূহৰ ওপৰত ক্ৰিয়া কৰে। আমাৰ মনটো হ'ল সক্ৰিয়, বৌদ্ধিক নীতি, ই নিজ শক্তিৰে বাহ্যিক দিশসমূহক পৰিচালিত কৰে আৰু ইয়াৰ কাৰ্য-প্ৰণালীৰ দিশ নিৰ্ণয় কৰে। যেতিয়া আমাৰ কাৰ্যৰ বিকল্পসমূহৰ মাজৰ পৰা যিকোনো এটা মুক্তভাৱে পচন্দ কৰোঁ তেতিয়াই আমাৰ ইচ্ছাৰ স্বাধীনতা প্ৰতিভাত হয়। ই কৰ্তাৰ বাস্তৱ নীতি অনুযায়ী পৰিচালিত হয় আৰু নিৰ্বাচিত কাৰ্যৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে।

খ) ইচ্ছাৰ স্বাধীনতাই নুবুজায় যে ইচ্ছাশক্তি বা স্ব-নিৰ্বাচন (Volition) হ'ল এক কাৰণবিহীন ঘটনা। মানুহৰ ইচ্ছাশক্তিৰ কাৰণ হ'ল আত্মা। কিন্তু এই কাৰণটো কোনো বাহ্যিক ঘটনাৰ দ্বাৰা নিৰ্ণয় কৰা নহয়। আত্মাই বুদ্ধিৰে ইচ্ছাশক্তি নিৰ্ণয় কৰে আৰু ই হ'ল আত্মাৰ এক অন্তৰস্থ স্বভাৱ।

গ) নিয়তিবাদীসকলে পূৰ্ব-জ্ঞানৰ ধাৰণাটোৰ ভুল ব্যাখ্যা প্ৰদান কৰিছে। একে পৰিস্থিতিত বিভিন্ন ব্যক্তিৰ স্বাভাৱিকতেই একে অভাৱ আৰু স্পৃহা থাকিব পাৰে। তেওঁলোকৰ পচন্দ আৰু কাৰ্য একে হ'ব, কিন্তু ই স্বাধীন ইচ্ছাৰ বিৰোধী নহয়। একে পৰিস্থিতিৰ লগতে এক অভাৱ আৰু স্পৃহা থকা সত্বেও মানুহে স্বাধীনভাৱে কাৰ্য কৰিব পাৰে। যদি আমি অভিপ্ৰায় আৰু পৰিস্থিতিবোৰ জানো তেতিয়াহ'লে স্বাধীন ব্যক্তিৰ কাৰ্যসমূহ ভৱিষ্যতে কি হ'ব তাক বুজিব পাৰোঁ আৰু ভৱিষ্যত বাণী কৰিব পাৰোঁ। একে কাৰণ আৰু পৰিস্থিতিত বিভিন্ন ব্যক্তিয়ে একেদৰে ক্ৰিয়া কৰা কথাটো স্বাধীন ইচ্ছাৰ ফলস্বৰূপে উদ্ভৱ হোৱা ক্ৰিয়াৰ লগত মুঠেই অসঙ্গত (Inconsistant) নহয়। ঈশ্বৰতত্ত্ববিদ সকলে যুক্তি দৰ্শাই কয় যে দৈবিক পূৰ্ব-জ্ঞানে (Divine fore-knowledge) মানুহৰ স্বাধীনতাৰ বিৰোধিতা নকৰে।

ঘ) সৰ্বধৰেশ্বৰবাদেও (Panentheism) ইচ্ছাৰ স্বাধীনতাৰ মতবাদ সমৰ্থন কৰে। সৰ্বেশ্বৰবাদ হ'ল- জগত আৰু ইয়াৰ লগত মানুহৰ সম্বন্ধ সম্পৰ্কীয় আটাইতকৈ যুক্তিপূৰ্ণ আধিবৈজ্ঞানিক (metaphysical) মতবাদ। আধিবৈজ্ঞানিক মতবাদ যেনে- সৰ্বেশ্বৰবাদ (Pantheism), মূৰ্ত অদ্বৈতবাদ (Concrete Monism) অথবা বস্তুনিষ্ঠ ভাববাদ (Objective Idealism) আদিৰ মতে মানৱ আত্মা হ'ল পৰম আত্মা বা মনৰেই সীমিত প্ৰকাশ আৰু ইয়াৰ পৰাই বিশাল প্ৰকৃতি জগত বিৱৰ্তিত হৈছে। আত্মা প্ৰকৃতিৰ নিষ্ক্ৰিয় বস্তু নহয়, ই প্ৰকৃতিৰ উৰ্ধত। আত্মা পৰমব্ৰহ্ম বা পৰমাত্মাৰ অন্তৰ্গত; ই পৰমাত্মাৰ আত্ম-পৰিচালনামূলক আৰু আত্ম-নিয়ন্ত্ৰণমূলক ক্ষমতাৰ ওপৰত হস্তক্ষেপ কৰে। ইয়েই জগতৰ বস্তু আৰু ঘটনাসমূহ সৃষ্টি কৰাৰ লগতে নিৰ্ণয়ো কৰে।

ঙ) নিয়তিবাদ বা আৱশ্যকতাবাদ আমাৰ নৈতিক চেতনাৰ লগত সংগতিপূর্ণ নহয়। প্রত্যেকটো ঐচ্ছিক ক্রিয়াই এই কথাবোৰ বুজায় যেনে- (i) আমি এক বিশেষ ধৰণে ক্রিয়া কৰিবলৈ স্বাধীন, অন্য ধৰণে নহয়। (ii) প্রত্যেকটো ঐচ্ছিক ক্রিয়াৰ সম্পাদনে বুজায় যে আমি ইয়াৰ বাবে দায়বদ্ধ। (iii) যদি কার্যটো ভাল, ইয়াৰ বাবে আমি শুভফল লাভ কৰো আৰু যদি বেয়া হয় তেন্তে আমি দোষী হওঁ আৰু কোনো কোনো ক্ষেত্রত শাস্তি পোৱা যায়। (iv) যদি কার্যটো বেয়া হয় তেন্তে আমি অনুতাপত দগ্ধ হৈ জীয়াতু ভুগিব পাৰোঁ। এই কথাবোৰে বুজায় যে নিজ ইচ্ছামতে ক্রিয়া কৰিবলৈ মানুহ স্বাধীন। ইচ্ছাৰ স্বাধীনতা বুলিলে আমি ইয়াকেই বুজো।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ আত্ম-স্বাতন্ত্র্যবাদ কি? (২০টা মান শব্দৰ ভিতৰত লিখক)

.....

.....

প্রশ্ন নং ৫ ঃ তলত দিয়া উক্তিবোৰৰ শুদ্ধ বা অশুদ্ধ বিচাৰ কৰক-

ক) ইচ্ছাৰ স্বাধীনতাই বুজায় যে আত্মাই অন্য কাৰণ অবিহনে ইচ্ছাশক্তি নির্ধাৰণ কৰে। (শুদ্ধ/অশুদ্ধ)

খ) সর্বধৰেশ্বৰবাদে স্বাতন্ত্র্যবাদৰ পোষকতা কৰে। (শুদ্ধ/অশুদ্ধ)

গ) স্বাতন্ত্র্যবাদ নৈতিক চেতনাৰ লগত জড়িত। (শুদ্ধ/অশুদ্ধ)

ঘ) আত্ম-স্বাতন্ত্র্যবাদৰ মতে, আমাৰ কার্যৰ বাবে আমি দায়বদ্ধ। (শুদ্ধ/অশুদ্ধ)



চিন্তা চর্চা কৰক-৯.২

- ইচ্ছাৰ স্বাধীনতাৰ সপক্ষে যিকোনো তিনিটা কাৰণ উল্লেখ কৰক।

উত্তৰ ঃ .....

.....

৯.৭ অদৃষ্টবাদ, ভাগ্যবাদ আৰু বৈজ্ঞানিক নিয়তিবাদ

ক) **অদৃষ্টবাদ ঃ** অদৃষ্টবাদক নিয়তিবাদৰ আটাইতকৈ পূর্ণ ৰূপ বুলি গণ্য কৰা হয়। এই মতবাদ অনুসৰি ঈশ্বৰে আদেশ দিছে যে জগতৰ প্রত্যেকটো ঘটনাই সংঘটিত হোৱা উচিত। দৈবিক আদেশ অনুসৰি মানুহৰ ভাগ্য নির্ধাৰিত হৈছে। ঈশ্বৰ হ'ল সর্বশক্তিমান আৰু সর্বত্র। সেয়েহে প্রকৃতি জগতৰ ঘটনাসমূহ আৰু মানুহৰ ইচ্ছাকে ধৰি তেওঁৰ আচৰণ ঈশ্বৰৰ বিশেষ ইচ্ছা আৰু ক্ষমতাৰ দ্বাৰাই নির্ণয় কৰা হয়। দৃষ্টিভংগী আৰু মূলতত্ত্বৰ ফালৰ

পৰা এই ধাৰণাটো অতি প্ৰাকৃতিক আৰু পাৰমাৰ্থিক। মই মতবাদে চূড়ান্তৰূপ গ্ৰহণ কৰি কয় যে প্ৰতিটো ঘটনা আৰু প্ৰতিজন মানুহৰ ভাগ্য নিৰ্ধাৰিত হৈ থাকে। এই মতবাদে এক শিথিল ৰূপও গ্ৰহণ কৰে আৰু ব্যক্তিৰ কিছুমান পচন্দৰ স্বাধীনতা থকা বুলি পোষকতা কৰে। সম্প্ৰতি বহু ঈশ্বৰতত্ত্ববিদে 'অদৃষ্ট' শব্দটোৰে বেলেগ এটা অৰ্থহে নিৰূপণ কৰে। তেওঁলোকে কয় যে, আমি যদি ঈশ্বৰৰ ধাৰণাৰ সৈতে পূৰ্বৰে পৰা পৰিচিত, ঈশ্বৰে আমাক তেওঁৰ ওচৰলৈ মাতিছে অথবা তেওঁৰ ওচৰত বিচাৰিছে নাইবা এক বিশেষ ধৰণে ক্ৰিয়া কৰিবলৈ মানুহৰ যি সিদ্ধান্ত সেয়া হ'ল ঈশ্বৰৰ ইচ্ছা বা অভিলাষৰ প্ৰতি মানুহৰ এক সঁহাৰি। এই মতবাদটো ইহুদীসকলৰ খ্ৰীষ্টিয়ান ধৰ্ম আৰু মুছলমানসকলৰ ধৰ্মীয় চিন্তাধাৰাত দেখিবলৈ পোৱা যায়।

খ) **ভাগ্যবাদ ঃ** এই মতবাদে বিশ্বাস কৰে যে সকলো ঘটনাই অপৰিৱৰ্তনীয়ভাবে নিৰ্ধাৰিত হৈ থাকে, মানুহৰ কোনো ক্ষমতা বা সামৰ্থ্যই সেইবোৰ সলনি কৰিব নোৱাৰে। কাল সৃষ্টিৰে পৰা প্ৰকৃতি জগত আৰু মানুহৰ জীৱনৰ সকলো ঘটনা আৰু ক্ৰিয়া-প্ৰক্ৰিয়া পূৰ্ব-নিৰ্ধাৰিত হৈ আছে। জগতৰ ক্ৰিয়া-প্ৰক্ৰিয়াসমূহৰ সংঘটিত কৰাৰ ক্ষেত্ৰত মানুহৰ ইচ্ছাৰ কোনো ভূমিকা নাই। ভাগ্যবাদে উল্লেখ কৰে যে এটা বিশেষ ঘটনা এক বিশেষ সময়ত অপৰিৱৰ্তনীয়ভাবে সংঘটিত হ'ব। ই কাৰ্য-কাৰণৰ এক নিৰ্দিষ্ট তত্ত্বৰ পোষকতা কৰে। কিন্তু প্ৰকৃতাৰ্থত ই কাৰ্য-কাৰণক এক অপ্ৰকাশ্য ৰহস্যময় ঘটনা বুলি গণ্য কৰা যেন লাগে।

গ) **বৈজ্ঞানিক নিয়তিবাদ ঃ** বৈজ্ঞানিক নিয়তিবাদ নামৰ বিশেষ তত্ত্বটোৱে উল্লেখ কৰে যে বিশ্বজগত প্ৰাকৃতিক নিয়মৰ দ্বাৰা পৰিচালিত হয়। প্ৰকৃতি জগত সম্বন্ধে মানুহে চলোৱা অধ্যয়নৰ পৰা এইটো বুজা যায় যে প্ৰকৃতি জগতত শৃংখলাবদ্ধভাবে কাৰ্য-কাৰণবিষয়ক ঘটনাৰ অনুক্ৰম চলি আছে। মহাকাশৰ গ্ৰহ-নক্ষত্ৰসমূহৰ কক্ষপথৰ পৰা বোৱতী জান-জুৰিলৈকে সকলো প্ৰাকৃতিক নিয়মেই পৰিচালনা কৰে। পদাৰ্থবিদ্যা, ৰাসায়ন বিদ্যা, জীৱবিদ্যা, মনোবিজ্ঞান, জ্যোতিষশাস্ত্ৰ আদি সকলো বিজ্ঞানেই কাৰণ আৰু কাৰ্যৰ দ্বাৰা পৰিচালিত আৰু নিয়ন্ত্ৰিত হয়। এই মতবাদে এই কথাটোকে আঙুলিয়াই দিয়ে যে প্ৰকৃতি জগতত পৰস্পৰ নিৰ্ভৰশীল এক শৃংখলা বিৰাজমান আৰু এই মাৰ্গ প্ৰদৰ্শন নীতিৰ বাবেই বিজ্ঞানে লাভ কৰা অভূতপূৰ্ব সাফল্য সম্ভৱ হৈ উঠিছে।

৯.৮ স্বাধীনতা আৰু নিয়তিবাদ

স্বাধীনতা বনাম নিয়তিবাদ অথবা আৱশ্যকতাৰ সমস্যাটো যেতিয়া আমি আলোচনা কৰো, বহুতো লোকে চৰম অভিযোগ আগবঢ়ায় আৰু যুক্তিহীন মন্তব্য কৰে। কিছুমান লোকে কয় যে নিয়তিবাদৰ সপক্ষে থকা প্ৰমাণসমূহে ব্যক্তিগত উপক্ৰম আৰু পচন্দৰ অৰ্থত স্বাধীনতাৰ পোষকতা কৰে। আনহাতে, আন কিছুমানে অভিযোগ কৰে যে পচন্দৰ স্বাধীনতাৰ সপক্ষে থকা প্ৰমাণসমূহে নিয়তিবাদক অসাৰ কৰি তোলে। কিন্তু উভয় মতবাদেই চৰম মতবাদ আৰু সেয়ে গ্ৰহণযোগ্য নহয়। এইক্ষেত্ৰত এক তৃতীয় বিকল্প গ্ৰহণ কৰিব পৰা যায় যি উল্লেখ কৰে যে স্বাভাৱিক কাৰ্য-কাৰণৰ অৰ্থত নিয়তিবাদ আৰু বিভিন্ন বিকল্পৰ মাজত পচন্দ কৰাৰ অৰ্থত স্বাধীনতা কেৱল সঙ্গতই নহয় অনিবাৰ্যভাবে পৰিপূৰকও।

বৈজ্ঞানিকসকলৰ মতে, নিয়তিবাদ হ'ল এক বৈজ্ঞানিক স্বীকার্য। প্রতিটো বস্তুৱেই নির্ধাৰিত আৰু সৃষ্ট। আনকি মানুহৰ ক্রিয়াসমূহেও কিছুমান নির্দিষ্ট অৱস্থাই নির্ধাৰণ কৰে। যদিও নিয়তিবাদ এক বৈজ্ঞানিক স্বীকার্য, আধুনিক ধাৰাটোৱে দেখুৱাই যে বিজ্ঞান সম্পূর্ণৰূপে কেবল যান্ত্রিক অথবা প্রাকৃতিক নিয়তিবাদক গ্রহণ কৰিবলৈ নহয়। বিজ্ঞানে নিসন্দেহে নিয়তিবাদ আৰু কার্য-কাৰণবাদ স্বীকাৰ কৰে, কিন্তু ই এই কথাৰ ওপৰত জোৰ দিয়ে যে আধুনিক বিজ্ঞানে নিশ্চিতভাবে মানৱীয় ক্রিয়া-প্রক্রিয়াসমূহৰ লগতে বিশ্বজগতৰ পৰা স্বাধীনতাক বিসর্জন দিয়াৰ প্রয়োজন নাই।

সেয়েহে, আমি স্বাধীনতা আৰু নিয়তিবাদৰ মাজত এক সম্বন্ধ স্থাপন কৰিব বিচাৰিছোঁ আৰু জগতৰ ঘটনাসমূহৰ মাজত মানুহৰ অংশগ্রহণৰ ক্ষেত্রত কার্য-কাৰণমূলক পৰিণামৰ ওপৰত জোৰ দিছোঁ। ওপৰত উল্লিখিত উভয় মতবাদৰে বেয়াখিনি বর্জন কৰিছোঁ। কাৰণমূলক কর্তা হিচাপে আত্মাৰ লগত 'সার্বিক কাৰণতা'ৰ (Universal Causulity) স্থান আমি আলোচনা কৰিব পাৰোঁ। ইয়াক আত্ম-স্বাতন্ত্র্যবাদ অথবা মৃদু-নিয়তিবাদ (soft determinism) বুলি বর্ণনা কৰিব পাৰোঁ।

মানুহ হ'ল আত্ম-সচেতন জীৱ। মানুহৰ গাত ব্যক্তিগত উপক্রম আৰু দায়বদ্ধতাৰ ক্ষমতা আছে। মানুহেই হ'ল সৃষ্টিৰ মূল কেন্দ্র। এক নির্দিষ্ট পৰিসীমাৰ ভিতৰত মানুহে নিজকে পুনৰ গঢ় দিয়াৰ ক্ষমতা আছে আৰু তেওঁৰ লগৱীয়াসকলৰ আচৰণকো প্রভাৱিত কৰে। কিছু পৰিমাণে মানুহে বাহ্যিক জগতখনৰ প্রক্রিয়াসমূহকো পুনৰ নির্দেশ কৰিব পাৰে।

যেতিয়া এজন মানুহৰ কার্যটো তেওঁৰ নিজৰ নিয়ন্ত্রণত থাকে তেতিয়া তেওঁৰ কার্যটো মুক্ত। কিন্তু যেতিয়া তেওঁৰ কার্যবোৰ বাহ্যিকভাবে নিয়ন্ত্রিত হয় অথবা পূর্ব-নির্ধাৰিত হয়, তেতিয়া তেওঁ বাধ্যবাধকতাৰ বশৱর্তী হৈ কার্য কৰে। যেতিয়া স্বাধীন ইচ্ছাৰ দ্বাৰা আমাৰ আচৰণ নিয়ন্ত্রিত হয়, ই তেওঁৰ নিজা পচন্দ, হাবিয়াস, অভিপ্রায় আৰু ইচ্ছাৰ দ্বাৰা নির্ণিত হয়। গতিকে নীতিবিদসকলে ভয় কৰাৰ কোনো প্রয়োজন নাই যে আমাৰ ইচ্ছা নির্ধাৰণ ইয়াৰ স্বাধীনতাৰ সৈতে অসঙ্গত। আমাৰ কার্যসমূহ আত্ম-নির্ধাৰিত নে বাহ্যিকভাবে নিৰূপিত হয় সেয়া আমি লক্ষ্য কৰা উচিত। মানুহ নৈতিকভাবে তেওঁৰ ইচ্ছাশক্তিৰ বাবে দায়বদ্ধ আৰু ই মানুহৰ স্বাধীনতাকে সূচায়। এই স্বাধীনতাৰ অভ্যাসে আত্ম স্বাধীনতাক সূচিত কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ নিয়তিবাদৰ কোনটো যুক্তিয়ে প্রমাণ কৰে যে ঈশ্বৰে প্রকৃতিজগত আৰু মানুহৰ ভৱিষ্যতৰ সকলো ক্রিয়া-প্রণালী পর্যবেক্ষণ কৰে?

প্রশ্ন নং ৭ ঃ খালী ঠাই পূৰণ কৰক ঃ

ক) নিয়তিবাদীসকলে কয় যে জগতৰ সকলো কার্যই ---------- ঘটনাৰ দ্বাৰা নির্ধাৰিত হয়।

খ) নিয়তিবাদ তত্ত্বটো ---------- বুলিও জনা যায়।

গ) কঠোৰ নিয়তিবাদ হ'ল অধিবিদ্যামূলক তত্ত্ব ---------- আৰু ---------- ৰ এক পৰিণাম।

ঘ) যেতিয়া আমাৰ কার্যৰ বিকল্পসমূহৰ মাজত -------- জড়িত হৈ থাকে তেতিয়াই আমাৰ ইচ্ছাৰ স্বাধীনতা প্রতিভাত হয়।

ঙ) ঈশ্বৰতত্ত্ববিদসকলে যুক্তি দিয়ে যে ---------- মানুহৰ স্বাধীনতাৰ লগত অসঙ্গত নহয়।

চ) এজন মানুহৰ কার্য স্বাধীন যেতিয়া তেওঁৰ আচৰণ নিজৰ ---------- ত থাকে।

ছ) মানুহে তেওঁৰ কার্যৰ বাবে নৈতিকভাবে দায়বদ্ধ হোৱাটোৱে ---------- সূচায়।

প্রশ্ন নং ৮ ঃ নিয়তিবাদ আৰু স্বাধীনতাৰ মাজৰ সমস্যাটো মীমাংসা কৰাৰ ক্ষেত্রত গুৰুত্ব বহন কৰা তৃতীয় বিকল্পটোৰ নাম উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৯ ঃ অদৃষ্টবাদ কি? (৩০টা মান শব্দৰ ভিতৰত লিখক)

.....

.....

প্রশ্ন নং ১০ ঃ ভাগ্যবাদ কি? (৩০টা মান শব্দৰ ভিতৰত লিখক)

.....

.....

প্রশ্ন নং ১১ ঃ বৈজ্ঞানিক নিয়তিবাদ বুলিলে কি বুজে? (৩০টা মান শব্দৰ ভিতৰত লিখক)

.....

.....



৯.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অতি প্রাচীন নৈতিক সমস্যা সমূহৰ ভিতৰত এটা গুৰুত্বপূর্ণ সমস্যা হ'ল ইচ্ছাৰ স্বাধীনতা আৰু নিয়তিবাদ।
- নিয়তিবাদ এক বৈজ্ঞানিক তত্ত্ব। নিয়তিবাদৰ মতে মানুহকে ধৰি প্রকৃতিৰ অন্তর্গত সকলো বস্তুৱেই কার্য আৰু কাৰণৰ মাজত থকা অনিবার্য সম্বন্ধৰ দ্বাৰা পৰিচালিত হয়। জগতৰ সকলো কার্যকে ইয়াৰ পূর্বৱর্তী ঘটনাৰ দ্বাৰা ব্যাখ্যা কৰা হয়।
- মানুহৰ ঐচ্ছিক ক্রিয়াৰ মনোবিজ্ঞানে নিয়তিবাদকে সূচায়। এজন ব্যক্তিৰ ইচ্ছাশক্তি নির্ধাৰণ কৰা পূর্বৱর্তী ক্ষমতা বা মানসিক বলেই হ'ল তেওঁৰ অভিপ্রায়, আকাংক্ষা অথবা প্রবৃত্তি।
- নিয়তিবাদক সমর্থন কৰা বিভিন্ন যুক্তিসমূহ হ'ল - মনোবৈজ্ঞানিক যুক্তি, অধিবিদ্যামূলক যুক্তি, পাৰমার্থিক যুক্তি বা ঈশ্বৰানুমোদন যুক্তি, নৈতিক যুক্তি।

- ইচ্ছাৰ স্বাধীনতাৰ মতবাদ অনুসৰি মানুহৰ কার্যসমূহ কোনো পূর্বৱর্তী ঘটনা বা কাৰণৰ দ্বাৰা পূর্ব নির্ধাৰিত হ'ব নোৱাৰে।
- ইচ্ছাৰ স্বাধীনতা বা নিয়তিবাদৰ মতে আত্মাই স্বয়ংক্রিয়ভাৱে মানুহৰ ইচ্ছা নিৰূপণ কৰে।
- ইচ্ছাৰ স্বাধীনতাই নুবুজায় যে ইচ্ছাশক্তি বা স্ব-নির্বাচন হ'ল এক কাৰণবিহীন ঘটনা।
- সর্বধৰেশ্বৰবাদ, মূর্ত অদ্বৈতবাদ অথবা বস্তুনিষ্ঠ ভাববাদ আদিৰ মতে মানৰ আত্মা হ'ল পৰম আত্মা বা মনৰেই সীমিত প্রকাশ আৰু ইয়াৰ পৰাই বিশাল প্রকৃতি জগত বিৱর্তিত হৈছে।
- ঐচ্ছিক ক্রিয়াৰ সম্পাদনে ইচ্ছাৰ স্বাধীনতাকেই বুজায়।



৯.১০ অধিক জানিবলৈ

1. Bali, D.R. : Introduction to Philosophy Sterling Publishers Pvt. Ltd., 1989
2. Titus, H. Harold. : Living Issues in Philosophy New Delhi, Eurasia Publishing House, 1968
3. Chatterjee, Phanibhusan : Outlines of General Philosophy, Calcutta : Beadon, street, 1951
4. P. George Thomas White : Introduction to Philosophy, Delhi :Surjeet Publication, 2006
5. Sinha, Jadunath : A Manual of Ethies, Calcutta : New Central Book Agency, 1984

৯.১১ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ ক) শুদ্ধ খ) শুদ্ধ গ) শুদ্ধ
ঘ) শুদ্ধ ঙ) শুদ্ধ চ) শুদ্ধ

২নং প্রশ্নৰ উত্তৰ ঃ এক বৈজ্ঞানিক তত্ত্ব হিচাপে নিয়তিবাদে কয় যে জগতৰ প্রত্যেকটো ঘটনাই কার্য-কাৰণ সম্বন্ধৰে সম্বন্ধিত। ই ইয়াকে বুজাইছে যে জগতৰ সকলো কার্য কোনো পূর্ববর্তী ঘটনা বা কাৰণৰ দ্বাৰা নির্ধাৰিত হয়। গতিকে জগতৰ

ঘটনাসমূহ ব্যাখ্যা কৰাৰ ক্ষেত্ৰত স্বাধীন ইচ্ছাৰ ধাৰণাটো নিয়তিবাদে অগ্ৰাহ্য কৰিছে।

৩নং প্ৰশ্নৰ উত্তৰ ঃ মনোবৈজ্ঞানিক যুক্তি, অধিবিদ্যামূলক যুক্তি, পাৰমার্থিক যুক্তি আৰু নৈতিক যুক্তি।

৪নং প্ৰশ্নৰ উত্তৰ ঃ যি মতবাদৰ মতে অন্য কোনো ঘটনা বা কাৰণৰ দ্বাৰা প্ৰভাৱিত নোহোৱাকৈ মানুহৰ ইচ্ছাশক্তি কেৱল আত্মাৰ দ্বাৰাহে নির্ধাৰিত হয়, তাক আত্ম-স্বাতন্ত্ৰ্যবাদ বোলে।

৫নং প্ৰশ্নৰ উত্তৰ ঃ ক) শুদ্ধ খ) শুদ্ধ গ) শুদ্ধ ঘ) শুদ্ধ

৬নং প্ৰশ্নৰ উত্তৰ ঃ পাৰমার্থিক যুক্তি।

৭নং প্ৰশ্নৰ উত্তৰ ঃ ক) পূৰ্বৱর্তী খ) আৱশ্যকতাবাদ গ) সার্বিক যান্ত্রিকতাবাদ আৰু বিমূর্ত অদ্বৈতবাদ ঘ) স্বাধীন পচন্দ ঙ) দৈবিক পূৰ্বজ্ঞান চ) নিয়ন্ত্রণ ছ) আত্ম-স্বাতন্ত্ৰ্যবাদ

৮নং প্ৰশ্নৰ উত্তৰ ঃ মৃদু-নিয়তিবাদ।

৯নং প্ৰশ্নৰ উত্তৰ ঃ অদৃষ্টবাদে উল্লেখ কৰে যে, মানুহৰ ইচ্ছাকে আদি কৰি জগতৰ প্ৰতিটো ঘটনাই ঈশ্বৰৰ ইচ্ছা বা অভিলাষৰ দ্বাৰা নির্ধাৰিত হয়। এই মতবাদটো ইহুদীসকলৰ খ্ৰীষ্টান ধর্ম আৰু মুছলমানসকলৰ ধর্মীয় চিন্তাধাৰাত দেখিবলৈ পোৱা যায়।

১০নং প্ৰশ্নৰ উত্তৰ ঃ ভাগ্যবাদ মতে, মানুহৰ কার্যসমূহ আৰু প্ৰকৃতিজগতৰ প্ৰত্যেকটো ঘটনাই পূৰ্ব-নির্ধাৰিত গঢ় দিয়াৰ ক্ষেত্ৰত মানুহৰ ইচ্ছাৰ কোনো ভূমিকা নাই।

১১নং প্ৰশ্নৰ উত্তৰ ঃ বৈজ্ঞানিক নিয়তিবাদৰ মতে বিশ্বজগত প্ৰাকৃতিক নিয়মৰ দ্বাৰা পৰিচালিত হয়। এই মতবাদে কয় যে প্ৰকৃতি জগতত পৰস্পৰ নির্ভৰশীল এক শৃংখলা বিৰাজমান আৰু ইয়াৰ বাবেই বিজ্ঞানৰ অভূতপূৰ্ব সাফল্য সম্ভৱ হৈ উঠিছে।



৯.১২ আৰ্হি প্ৰশ্ন

(ক) বস্তুধর্মী প্ৰশ্ন

প্ৰশ্ন নং১ঃ নিয়তিবাদ কি?

প্ৰশ্ন নং২ঃ ইচ্ছাৰ স্বাধীনতা কি?

প্ৰশ্ন নং৩ঃ নিয়তিবাদৰ সপক্ষে আগবঢ়োৱা যুক্তি চাৰিটা কি কি?

প্ৰশ্ন নং৪ঃ কার্য-কাৰণ বিধি বুলিলে কি বুজে?

(খ) চমু প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন নং১ ঃ নিয়তিবাদ বুলিলে কি বুজে ? চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন নং২ ঃ স্বাধীনতা কি? চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন নং৩ ঃ স্বাধীন ইচ্ছাৰ সপক্ষে আগবঢ়োৱা যুক্তিসমূহ চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন নং৪ ঃ আত্ম-স্বাতন্ত্র্যবাদৰ ধাৰণাটো চমুকৈ আলোচনা কৰক।

(গ) চমুটোকা লিখকঃ (১৫০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন নং১ ঃ ইচ্ছাৰ স্বাধীনতা

প্ৰশ্ন নং২ ঃ নিয়তিবাদ

প্ৰশ্ন নং৩ ঃ বৈজ্ঞানিক নিয়তিবাদ

(ঘ) পাৰ্থক্য নিৰ্ণয় কৰক (১৫০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন নং১ ঃ অদৃষ্টবাদ আৰু বৈজ্ঞানিক নিয়তিবাদ

প্ৰশ্ন নং২ ঃ ইচ্ছাৰ স্বাধীনতা আৰু নিয়তিবাদ

(ঘ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন নং১ ঃ নিয়তিবাদ সমৰ্থন কৰা বিভিন্ন যুক্তিসমূহ উল্লেখ কৰি ব্যাখ্যা কৰক।

প্ৰশ্ন নং২ ঃ পচন্দৰ স্বাধীনতাৰ লগত জড়িত সমস্যাটো ব্যাখ্যা কৰক। এই সমস্যাটো কিয় তাৎপৰ্যপূৰ্ণ?

প্ৰশ্ন নং৩ঃ ইচ্ছাৰ স্বাধীনতা সমৰ্থনকাৰী যুক্তিসমূহ উল্লেখ কৰি ব্যাখ্যা কৰক।

প্ৰশ্ন নং৪ঃ স্বাধীনতা আৰু নিয়তিবাদৰ মাজৰ দ্বন্দ্ব কিদৰে সমাধান কৰিব? ব্যাখ্যা কৰক।

* * * * *

অধ্যায় ১০ ঃ কর্তব্যমূলক আৰু উদ্দেশ্যমূলক নীতিবজ্ঞান

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ আদর্শনিষ্ঠ নীতিবিজ্ঞান আৰু আন তিনিপ্রকাৰৰ নীতিবিজ্ঞানৰ লগত ইয়াৰ পার্থক্য

১০.৪ আদর্শনিষ্ঠ নীতিবিজ্ঞানৰ প্রকাৰসমূহ

১০.৫ কর্তব্যমূলক আৰু উদ্দেশ্যমূলক নীতিবিজ্ঞানৰ মাজৰ পার্থক্য

১০.৬ সমালোচনাত্মক মূল্যায়ন

১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.৮ অধিক জানিবলৈ

১০.৯ অগ্রগতিৰ খতিয়ান

১০.১০আর্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টিৰ মাজেৰে আপোনালোক সক্ষম হ'ব—

- নীতিবিজ্ঞানমূলক অধ্যয়নত থকা চাৰিটা প্রধান পৰিসৰৰ বিষয়ে জানিবলৈ
- আদর্শনিষ্ঠ নীতিবিজ্ঞানক ব্যাখ্যা কৰিবলৈ
- কর্তব্যমূলক আৰু উদ্দেশ্যমূলক নীতিবিজ্ঞানৰ মাজত পার্থক্য নির্ণয় কৰিবলৈ
- কর্তব্যমূলক আৰু উদ্দেশ্যমূলক নীতিবিজ্ঞানৰ বিভিন্ন প্রকাৰসমূহক বর্ণনা কৰিবলৈ
- কর্তব্যমূলক আৰু উদ্দেশ্যমূলক নীতিবিজ্ঞানৰ মাজত মূল পার্থক্যক জানিবলৈ
- কর্তব্যমূলক আৰু উদ্দেশ্যমূলক উভয় নীতিবিজ্ঞানক সমালোচনাসহ মূল্যায়ন কৰিবলৈ

১০.২ পৰিচয়

নীতিবিজ্ঞান হৈছে দর্শনৰ এক শাখা, ই এক নৈতিক দর্শন। ই হৈছে নৈতিকতা, নৈতিক সমস্যা, আৰু নৈতিক বিচাৰৰ বিষয়ে দার্শনিক চিন্তা। চিন্তাৰ সাধাৰণতে তিনিটা প্রকাৰ আছে, যি নৈতিকতাৰ সৈতে বিভিন্ন ধৰণেৰে সংযোজিত হৈ থাকে। সেইবোৰ হ'ল বর্ণনামূলক, আদর্শমূলক আৰু অধি-নীতিবিজ্ঞান বা তাত্বিক নীতিবিজ্ঞান। আন এক প্রকাৰৰ নীতিবিজ্ঞানও আছে, যাক কোৱা হয় প্রয়োগিত নীতিবিজ্ঞান। প্রয়োগিক নীতিবিজ্ঞানে মানৱ ক্রিয়াৰ বিশেষ

জগতৰ সৈতে সম্পৰ্ক ৰক্ষা কৰিবলৈ আৰু সেই জগতৰ ভিতৰত উদয় হ'বপৰা বিষয়সমূহৰ আলোচনাৰ বাবে নিৰ্ণয়ক বিচাৰি উলিয়াবলৈ প্ৰয়াস কৰে।

নীতিবিজ্ঞান এক আদৰ্শনিষ্ঠ বিষয়, বৰ্ণনামূলক বিষয় নহয়। কিন্তু, বৰ্ণনামূলক নীতিবিজ্ঞান মানুহৰ বিশ্বাসবোৰক জানিবলৈ প্ৰয়োজন হয় আৰু ই আদৰ্শমূলক নীতিসমূহ প্ৰয়োগ কৰিবলৈ আমাক সহায়ও কৰিব পাৰে। নৈতিক মতবাদসমূহৰ মূল লক্ষ্য হৈছে ব্যক্তিগতভাৱে নাইবা সমাজিকভাৱে আমি কেনেকৈ কৰ্ম কৰা উচিত তাৰ বিষয়ে যুক্তিসংগত বিষয় আগবঢ়োৱা। সেইবাবে, নীতিবিজ্ঞানৰ মূলত তিনিটা প্ৰকাৰ থাকে বুলি ধৰা হয়। সেয়া হৈছে ঃ আদৰ্শনিষ্ঠ নীতিবিজ্ঞান, আদি-নীতিবিজ্ঞান আৰু প্ৰয়োগিক নীতিবিজ্ঞান। বহুতো চিন্তাবিদৰ দ্বাৰা এই তিনিটা প্ৰকাৰ মানি লোৱা হৈছে।

যিহেতু কৰ্তব্যমূলক আৰু উদ্দেশ্যমূলক নীতিবিজ্ঞান আদৰ্শনিষ্ঠ নীতিবিজ্ঞানৰ বিষয়, সেয়ে আমি এই কথা জনা উচিত যে আদৰ্শনিষ্ঠ নীতিবিজ্ঞান কি আৰু আন তিনি প্ৰকাৰ অৰ্থাৎ বৰ্ণনামূলক, আধি-নীতিবিজ্ঞান আৰু প্ৰয়োগিক নীতিবিজ্ঞানৰ পৰা ই কিদৰে পৃথক।



জানো আহক ঃ

এক বিশেষ পৰিস্থিতিত কৰ্ম সম্পৰ্কে সিদ্ধান্ত আৰু বিচাৰ নিৰ্ণয়ত আমাক পথপ্ৰদৰ্শন কৰাটোৱেই হ'ল বাধ্যবাধকতাৰ কৰ্তব্যমূলক মতবাদৰ চৰম বিষয়।

১০.৩ আদৰ্শনিষ্ঠ নৈতিকবিজ্ঞান আৰু নীতিবিজ্ঞানৰ আন তিনিটা প্ৰকাৰৰ পৰা ইয়াৰ পাৰ্থক্যসমূহ

আদৰ্শনিষ্ঠ নীতিবিজ্ঞান ঃ আদৰ্শনিষ্ঠ নীতিবিজ্ঞানে এক সাধাৰণ মতবাদৰ যোগান ধৰে, যিয়ে আমি কেনেকৈ জীয়াই থকা উচিত তাৰ বিষয়ে আমাক জ্ঞান দিয়ে। কোনবোৰ বস্তুৰ কি নৈতিক গুণাগুণ আছে, তাক কেনেকৈ আমি বিচাৰি উলিয়াব পাৰোঁ ই তাৰ বিষয়ে আমাক কয়, যাতে ই নীতিবিজ্ঞানৰ বাবে এক গাঁথনিৰ যোগান ধৰিব পাৰে। আদৰ্শনিষ্ঠ নীতিবিজ্ঞানত বিচাৰসমূহে "আমি বন্দীশালৰ পৰা পলোৱাটো উচিত নহয়", "জ্ঞান শ্ৰেয় নে" ইত্যাদিৰ দৰে নৈতিক বিচাৰৰ সাব্যস্ততাৰ আকাৰ গ্ৰহণ কৰে। আকৌ, আদৰ্শনিষ্ঠ নীতিবিজ্ঞানত বিচাৰসমূহে ভাল নাইবা শুদ্ধ কি সম্পৰ্কে এজনে আনজনৰ লগত কৰা তৰ্ক বা যুক্তিৰ আকাৰো ল'ব পাৰে। এই যুক্তি-তৰ্ক ভাল নাইবা শুদ্ধ কি সম্পৰ্কে এক বিশেষ ঘটনা নাইবা এক সাধাৰণ নীতিৰ ক্ষেত্ৰত সৃষ্টি হ'ব পাৰে।

বৰ্ণনামূলক নীতিবিজ্ঞান আৰু আদৰ্শনিষ্ঠ নীতিবিজ্ঞান ঃ বৰ্ণনামূলক নীতিবিজ্ঞানক তুলনামূলক নীতিবিজ্ঞান বুলিও জনা যায়। ই নৈতিকতাৰ সন্দৰ্ভত মানুহৰ বিশ্বাসৰ বিষয়ে অধ্যয়ন কৰে, কিন্তু ই নৈতিক সিদ্ধান্ত লোৱাৰ প্ৰাণালীসমূহৰ নিৰীক্ষণৰ লগত জড়িত নহয়, যাৰ সহায়ত ই সাধাৰণ নীতিবিজ্ঞানৰ দৰে প্ৰপঞ্চক বৰ্ণনা কৰিবলৈ চেষ্টা কৰে। বৰ্ণনামূলক নীতিবিজ্ঞান

পৰম্পৰাগত প্ৰথা বা আইন সম্পৰ্কীয় নাইবা আদৰ্শনিষ্ঠ নীতিবিজ্ঞানৰ পৰাও পৃথক। আদৰ্শনিষ্ঠ নীতিবিজ্ঞান নৈতিক মতবাদসমূহৰ এক অধ্যয়ন, যিয়ে আমাক মানুহে কিদৰে কৰ্ম কৰা উচিত, তাৰ বিষয়ে কয়। কিন্তু, কোনবোৰ কৰ্ম শুদ্ধ আৰু ভুল, প্ৰমূল্য আদিৰ দৰে বিষয়ৰ ওপৰত মানুহৰ যি বিশ্বাস, তাক অনাবৰণ কৰাই বৰ্ণনামূলক নীতিবিজ্ঞানৰ লক্ষ্য। ই মানুহৰ নৈতিক আদৰ্শৰ অনুসন্ধান কৰাৰ উপৰিও সমাজ নাইবা আইন আৰু ৰাজনীতিৰ দ্বাৰা কোনবোৰ কৰ্মৰ বাবে পুৰস্কাৰ দিয়া হয় নাইবা শাস্তি প্ৰদান কৰা হয়, সেই সম্পৰ্কেও অনুসন্ধান কৰে।

আদৰ্শনিষ্ঠ নীতিবিজ্ঞান আৰু আধি-নীতিবিজ্ঞান ঃ আধি-নীতিবিজ্ঞান নাইবা তত্বমূলক নীতিবিজ্ঞানে নীতিবিজ্ঞান আৰু নৈতিক যুক্তি বা বুদ্ধিৰ বিষয়ে আমাক অৱগত কৰে। আদৰ্শনিষ্ঠ নীতিবিজ্ঞানৰ বিপৰীতে তত্বমূলক নীতিবিজ্ঞানে শুদ্ধ কি? শ্ৰেয় কি? নাইবা বাধ্যবাধকতা আদিৰ সম্পৰ্কে বিশেষ নাইবা সাধাৰণ প্ৰশ্নৰ উত্তৰ দিবলৈ চেষ্টা নকৰে। ই তৰ্কীয়, জ্ঞানবিজ্ঞান সম্বন্ধীয় নাইবা শব্দাৰ্থ সম্বন্ধীয় প্ৰশ্নবোৰ উত্থাপন কৰে আৰু তাৰ সমিধান দিবলৈ প্ৰয়াস কৰে। "নৈতিকভাৱে শুদ্ধ" বা "শ্ৰেয়"ৰ অৰ্থ আৰু ইয়াৰ ব্যৱহাৰ কি? নৈতিক আৰু প্ৰমূল্য বিচাৰ কিদৰে প্ৰতিষ্ঠা কৰিব পাৰি বা বিচাৰ কৰিব পাৰি? সিহঁতক বিচাৰ প্ৰদান কৰিব পাৰিনে? নৈতিকতাৰ স্বৰূপ কি? ইত্যাদি হৈছে আধি-নীতিবিজ্ঞান নাইবা তাত্বিক নীতিবিজ্ঞানমূলক সমস্যাৰ কেতবোৰ উদাহৰণ।

আদৰ্শনিষ্ঠ নীতিবিজ্ঞান আৰু প্ৰয়োগিক নীতিবিজ্ঞান ঃ আদৰ্শনিষ্ঠ নীতিবিজ্ঞানে বস্তুবোৰৰ নৈতিক গুণাৱলীক কেনেকৈ বিচাৰি উলিয়াব পৰা যায়, সেই সম্পৰ্কে আমাক জ্ঞান দিবলৈ প্ৰয়াস কৰে। ই এনধৰণৰ প্ৰশ্নবোৰৰ লগত জড়িত; যেনেঃ আমাৰ বাবে শ্ৰেয়, শুদ্ধ নাইবা বাধ্যবাধকতা কি? কিন্তু প্ৰয়োগিক নীতিবিজ্ঞানে মানুহৰ কৰ্মৰ জগতখনৰ ভিতৰত উদয় হোৱা বিষয়বোৰৰ আলোচনাৰ বাবে নিৰ্ণয়ক বিচাৰি উলিয়াবলৈ মানৱ কৰ্মৰ বিশেষ জগতখনৰ সৈতে সম্পৰ্ক ৰক্ষা কৰিবলৈ প্ৰয়াস কৰে। নিৰ্দিষ্ট পৰিস্থিতিত আমি কিদৰে জীয়াই থকা উচিত, কৰ্ম কৰা উচিত নাইবা আমাৰ সমাজখনক গঢ় দিয়া উচিত আদিৰ সাধাৰণ আদৰ্শমূলক মতবাদবোৰক প্ৰয়োগ কৰাৰ সৈতে প্ৰয়োগিক নীতিবিজ্ঞান জড়িত।

১০.৪ আদৰ্শনিষ্ঠ নীতিবিজ্ঞানৰ প্ৰকাৰসমূহ

আদৰ্শনিষ্ঠ নীতিবিজ্ঞান তিনিপ্ৰকাৰৰ আছে, যিয়ে মতবাদবোৰৰ তিনিটা ভিন্ন প্ৰকাৰক অন্তৰ্ভুক্ত কৰে। যেনেঃ সদ্‌গুণ (virtue), কৰ্তব্যমূলক নীতিবিজ্ঞান (deontological) আৰু উদ্দেশ্যমূলক (teleological) মতবাদ।

সদ্‌গুণ নীতিবিজ্ঞান ঃ সদ্‌গুণ নীতিবিজ্ঞানে সাহস, মহানুভৱতা, সহানুভূতি আদিৰ দৰে নৈতিক গুণবোৰৰ ওপৰত মনোযোগ দিয়ে। এইবোৰ নৈতিক গুণ আমাৰ কৰ্মৰ ওপৰত প্ৰকাশিত হোৱাটো উচিত। সেইকাৰণে, আমি এনেদৰে কৰ্ম কৰাটো উচিত, যিয়ে সদ্‌গুণ প্ৰদৰ্শন কৰে, যদিও ই বেয়া নাইবা অনাকাংক্ষিত পৰিণতি কঢ়িয়াই আনে।

কর্তব্যমূলক নীতিবিজ্ঞান ঃ ইংৰাজী 'deontology' শব্দটো দুটা গ্রীক শব্দ 'deon', যাৰ অর্থ 'duty' আৰু 'logos', যাৰ অর্থ 'science' নাইবা 'study', সেয়ে, 'deontology'ৰ অর্থ "কর্তব্যৰ বিজ্ঞান" বা "কর্তব্যৰ অধ্যয়ন"। কর্তব্যমূলক নীতিবিজ্ঞান এজন নৈতিক অভিকর্তাৰ দ্বাৰা সম্পাদিত কর্মৰাজিৰ সৈতে জড়িত। কর্তব্যমূলক নীতিবিজ্ঞানৰ মতে যিবোৰ কর্ম অন্তর্নিহিতভাৱে ভাল বা বেয়া অর্থাৎ নিজৰ মাজতেই ভাল বা বেয়া, তেনে কর্ম পৰিণাম বা ফলৰ অবিহনেই আমি কৰাটো উচিত নাইবা অনুচিত।

উদ্দেশ্যমূলক নীতিবিজ্ঞান ঃ ইংৰাজী 'teleology' শব্দটো গ্রীক শব্দ 'tells'ৰ পৰা আহিছে, যাৰ অর্থ 'ends'। নীতিবিজ্ঞানত উদ্দেশ্যমূলক নাইবা পৰিণামবাদী মতবাদ অনুসৰি আমি সদায় এনে ধৰণেৰে কর্ম কৰা উচিত, যিয়ে আটাইতকৈ ভাল পৰিণাম বা ফল দিয়ে। ই আমি কৰা কর্মবোৰৰ স্বৰূপ বা প্রকৃতিৰ লগত জড়িত নহয়। ইয়াত ফল বা পৰিণামে উপায়ক বিচাৰ কৰে বা তাৰ ন্যায্যতা প্রদান কৰে।

যিহেতু শুদ্ধ আৰু ভুলৰ মান সাধাৰণতে চলিত নৈতিক আইন বা নিয়ম হ'ব নোৱাৰে, সেয়ে, নৈতিক দার্শনিকসকলে আমাক বিকল্প মানৰ এক ভিন্ন প্রকাৰ আগবঢ়াইছে। কিন্তু, সাধাৰণতে তেওঁলোকৰ দৃষ্টিভংগী দুই প্রকাৰৰ— ১) কর্তব্যমূলক আৰু ২) উদ্দেশ্যমূল মতবাদ।

যদিও কর্তব্যমূলক আৰু উদ্দেশ্যমূলক দুয়োটা মতবাদেই আদর্শনিষ্ঠ নীতিবিজ্ঞানৰ অন্তর্গত; কর্তব্যমূলক মতবাদে, উদ্দেশ্যমূলক মতবাদে স্বীকাৰ কৰা বিষয়বোৰক অস্বীকাৰ কৰিছে। সেইকাৰণে, সিহঁতৰ মাজত থকা পার্থক্যবোৰক আমি জনাটো উচিত। উভয়ৰ মাজৰ পার্থক্যক জনাৰ পূর্বে আমি কর্তব্যমূলক আৰু উদ্দেশ্যমূলক মতবাদৰ বিভিন্ন প্রকাৰবোৰৰ বিষয়ে চমুকৈ আলোচনা কৰিবই লাগিব।

দুই প্রকাৰৰ কর্তব্যমূলক মতবাদ ঃ কর্তব্যমূলক মতবাদ প্রধানকৈ দুই প্রকাৰৰ। যেনেঃ ১) ক্রিয়াজনিত কর্তব্যমূলক মতবাদ আৰু (Act deontoloty), ২) বিধি বা আইনজনিত কর্তব্যমূলক মতবাদ (Rule deontology)। ক্রিয়াজনিত কর্তব্যমূলক মতবাদ ঃ এই মতবাদে দৃঢ়তাৰে পোষণ কৰে যে, বাধ্যবাধকতাৰ মৌলিক বিচাৰসমূহ সম্পূর্ণৰূপে বিশেষ (Particular) শ্রেণীৰ হয়। উদাহৰণস্বৰূপে ঃ "এই পৰিস্থিতিত আমি এনেধৰণৰ কিবা-কিবি কৰাটো উচিত" আৰু "আমি সদায় আমাৰ প্রতিশ্রুতি ৰক্ষা কৰাটো উচিত"ৰ দৰে সাধাৰণ বচনবোৰ প্রস্তুত কৰাটো উচিত"ৰ দৰে সাধাৰণ বচনবোৰ প্রস্তুত নাথাকে, এইবোৰ অপ্রয়োজনীয়; অন্যথা এইবোৰো বিশেষ বিচাৰবোৰৰ পৰাই নিঃসৃত হয়।

এই ক্রিয়াজনিত কর্তব্যমূলক মতবাদ পুনৰ দুটা ভাগত বিভক্ত হৈছে— চৰম কর্তব্যমূলক মতবাদ আৰু নৰম কর্তব্যমূলক মতবাদ। চৰম কর্তব্যমূলক মতবাদ অনুসৰি, নিজৰ নাইবা জগতৰ বাবে অমঙ্গলৰ ওপৰত শ্রেয়ৰ সর্বশ্রেষ্ঠ সন্তুলন কিহে সক্রিয় কৰিব, তাৰ পর্য্যবেক্ষণ নকৰাকৈ আৰু কোনো আইনৰ আবেদন অবিহনেই শুদ্ধ আৰু বাধ্যতামূলক কর্ম কোনো

বিশেষ পৰিস্থিতিত আমি কৰিব পাৰো নাইবা চাব পাৰো নাইবা পৃথকে সিদ্ধান্ত গ্ৰহণ কৰিব পাৰো। নৰম কর্তব্যমূলক মতবাদে পোষণ কৰে যে সাধাৰণ নীতি বা আইনসমূহ বিশেষ ঘটনাৰ ওপৰত ভিত্তিশীল আৰু পিছৰ বিশেষ মুহূর্তত কি কৰা উচিত, তাক নির্দ্ধাৰণ কৰিবলৈ উপযোগী হ'ব পাৰে। কিন্তু 'কি কৰা উচিত'ৰ দৰে ভালদৰে গৃহীত বিশেষ অৱধাৰণ বা বিচাৰৰ ওপৰত এক সাধাৰণ নীতি বা আইনে প্ৰভূত্ব বিস্তাৰ কৰিবই। ক্ৰিয়াজনিত কর্তব্যমূলক নীতিতত্বক 'পৰিস্থিতি নীতিবিজ্ঞান' (situation-ethics) বুলিও কোৱা হয় আৰু ই ক্ৰিয়াজনিত কর্তব্যমূলক মতবাদৰ চৰম আৰু নৰম দুয়োটা আকৰকেই অন্তর্ভুক্ত কৰে। বিধি বা আইনজনিত কর্তব্যমূলক মতবাদ ঃ বিধি বা আইনজনিত কর্তব্যমূলক নৈতিক মতবাদ অনুসৰি শুদ্ধ আৰু ভুলৰ মান এক বা একাধিক নিয়ম বা বিধি যেনে ঃ "আমি সদায় সত্য কোৱাটো উচিত"ৰ দৰে নিয়মেৰে গঠিত। তেওঁলোকে পোষণ কৰে যে শ্ৰেয়ক পৃষ্ঠপোষকতা কৰিলেও বা নকৰিলেও, এইবোৰ নীতি বা বিধি স্বতন্ত্ৰভাৱে বৈধ। ইয়াত, তেওঁলোক উদ্দেশ্যমূলক নৈতিক মতবাদীসকলোতকৈ বেলেগ। ক্ৰিয়াজনিত কর্তব্যমূলক মতবাদীসকলৰ বিপৰীতে, তেওঁলোকে পোষণ কৰে যে এইবোৰ বিধি মৌলিক, এইবোৰক বিশেষ বিশেষ ঘটনাৰ পৰা আগমনৰ দ্বাৰা নিঃসৃত কৰিব পৰা নাযায়। বিধিজনিত কর্তব্যমূলক মতবাদীসকলে দৃঢ়তাৰে মানি লয় যে কেৱল এইবোৰ বিধিৰ ওপৰত নির্ভৰ কৰিয়েই বিশেষ অৱস্থাত কি কৰিব লাগেৰ সম্পর্কত অৱধাৰণ বা বিচাৰ নির্দ্ধাৰণ কৰিব পাৰি।

উদ্দেশ্যমূলক মতবাদীসকল এই প্ৰশ্নৰ ক্ষেত্ৰত বেলেগ যে বিধিবোৰ ব্যক্তিৰ বাবে শ্ৰেয় নে সকলো মানুহৰ বাবে শ্ৰেয়। উদ্দেশ্যমূলক নৈতিক মতবাদ প্ৰধানকৈ তিনি প্ৰকাৰৰ যেনে ঃ ১) নৈতিক অহংবাদ (Ethical Egoism), ২) নৈতিক উপযোগীতাবাদ বা সার্বিকতাবাদ (Ethical Universalism or Utilitareanism) আৰু ৩) মনস্তাত্বিক স্বসুখবাদ (Psychological Egoism)।

নৈতিক অহংবাদ ঃ এজন নৈতিক অহংবাদীয়ে পোষণ কৰে যে এজন ব্যক্তিৰ একমাত্ৰ মৌলিক বাধ্যবাধতা হৈছে অমঙ্গলৰ ওপৰত শ্ৰেয়ৰ সর্বশ্ৰেষ্ঠ সম্ভাৱনীয় সন্তুলন নিজৰ বাবে পৃষ্ঠপোষকতা কৰা। এটা কর্মৰ নীতি বা বিধি শুদ্ধ হয়, কেৱল মাত্ৰ যদি ই দীঘলীয়া সময়ৰ বাবে তেওঁৰ বাবে অমঙ্গলৰ ওপৰত শ্ৰেয়ৰ এক সর্বশ্ৰেষ্ঠ সন্তুলনৰ পৃষ্ঠপোষকতা কৰে। যদি ই তেনে নহয়, তেওঁ ই ভুল ৰূপে পৰিগণিত হ'ব। এই মতামত বহুতো দার্শনিকৰ মাজত এপিকিউৰাচ্ হ'বচ্ আৰু নিট্‌জে আগবঢ়াইছে।

উপযোগীতাবাদ ঃ উপযোগীতাবাদ অনুসৰি, কর্মৰ এটা নীতি শুদ্ধ হয়, যদিহে ইয়াৰ চৰম লক্ষ্য সর্বশ্ৰেষ্ঠ সার্বিক শ্ৰেয় হয়। যদি এটা ক্ৰিয়া বা নীতি জগতত অমঙ্গলৰ ওপৰত শ্ৰেয়ৰ সম্ভাৱনীয় সর্বশ্ৰেষ্ঠ সন্তুলনৰ লগত অনুৰূপ হয়, বা তাৰ সহায়ক হয়, তেন্তে সেই কর্ম বা কর্মৰ নীতি শুদ্ধ হ'ব। তথাকথিত উপযোগীতাবাদী যেনে ঃ বেন্থাম আৰু মিল সাধাৰণতে তেওঁলোকৰ দৃষ্টিভঙ্গীত সুখবাদী। কাৰণ তেওঁলোকে সাব্যস্ত কৰিছে যে নৈতিক লক্ষ্যই হৈছে দুখৰ ওপৰত

সুখৰ সর্বশ্রেষ্ঠ সন্তুলোন। কিন্তু, জি.ই.মুৰ আৰু ৰাচ্‌ডেল্‌ৰ দৰে কিছুমান উপযোগীতাবাদী সুখবাদী নহয়, সেয়ে, তেওঁলোকক 'আদর্শ' উপযোগীতাবাদী বুলিও কোৱা হয়। সি বাধ্যবাধকতাৰ উদ্দেশ্যমূলক মতবাদৰ এক নিশ্চিত প্রকাৰ, আৰু ই প্রমূল্যৰ যিকোনো বিশেষক মতবাদক পৰিণতি নঘটায়, যদিও এজন উপযোগীতাবাদীয়ে প্রমূল্যৰ কেতবোৰ বিশেষ মতবাদক স্বীকাৰ কৰিবই লাগিব।

মনস্তাত্বিক অহংবাদ ঃ নৈতিক অহংবাদে মনস্তাত্বিক অহংবাদক পূর্বতেই মানি লয়। মনস্তাত্বিক অহংবাদৰ মতে, আমাৰ প্রত্যেকেই নিজৰ সর্বশ্রেষ্ঠ শ্রেয়ক সুখ, আনন্দ, জ্ঞান, ক্ষমতা, আত্ম-উপলব্ধি আৰু এক সংমিশ্রিত জীৱন বিচাৰো। ইয়ে হৈছে সেই নীতিবিজ্ঞান, যাক বাট্‌লাৰে আস্রম-প্রেম বুলিছে আৰু ফ্রুডিয়ানচে অহং বুলিছে। ইয়াত 'আত্ম-প্রেম' নাইবা 'অহং' হৈছে মানৱ প্রকৃতিৰ মৌলিক নীতি বা নিয়ম।

১০.৫ কর্তব্যমূলক আৰু উদ্দেশ্যমূলক নৈতিকবিজ্ঞানৰ মাজৰ পার্থক্য

১) কর্তব্যমূলক মতবাদসমাহ প্রধানকৈ এক আচৰণৰ শুদ্ধতাৰ আন্তৰিক গুণৰ লগত জড়িত। উদ্দেশ্যমূলক মতবাদে আচৰণৰ পৰিণতি বা ফলৰ ওপৰত ভিত্তি কৰি ভাল বা বেয়াৰ ওপৰত জো�ৰ দিয়ে। কর্তব্যমূলক মতবাদ নীতিবিজ্ঞানৰ প্রতি এক অভিগমন, যি প্রধানকৈ কর্মৰ পৰিণতি শুদ্ধ নাইবা ভুলত গুৰুত্ব আৰোপ কৰাতকৈ কেতবোৰ কর্মৰ অন্তৰালত অভিপ্রায়সমূহ শুদ্ধ নাইবা ভুলৰ সৈতেহে জড়িত। উদ্দেশ্যবাদৰ মূলত এক কর্মৰ ফল বা পৰিণতিৰ লগত সম্পর্ক থাকে। ই অতীত অভিজ্ঞতাৰ পৰীক্ষা-নিৰীক্ষাক জড়িত কৰে, যাতে ই বর্তমান কর্মৰ পৰিণতি বা ফলত বিচাৰি উলিয়াব পাৰে। উদাহৰণস্বৰূপে ঃ এটা নির্দিষ্ট কর্মৰ পৰা কিমান সামগ্রিক সুখ নিঃসৃত কৰিব পাৰি আৰু কিমান দুখ প্রতিহত কৰিব পাৰিৰ ওপৰত নির্ভৰ কৰি উপযোগীতাবাদে ভাল বা বেয়া হিচাপে এটা কর্মৰ পৰিমাপ কৰে।

২) এটা উদ্দেশ্যমূলক মতবাদে কয় যে নৈতিকভাৱে শুদ্ধ, ভুল, বাধ্যতামূলক ইত্যাদিৰ মৌলিক আৰু চৰম বৈশিষ্ট্য নাইবা মান হৈছে অ-নৈতিক প্রমূল্য। ইয়াত 'অ-নৈতিক' মানে হৈছে এটা কর্ম নাইবা কর্মৰ নীতি বা আনি শুদ্ধ হয়, যদিহে ই সম্ভৱতঃ যিকোনো পর্যাপ্ত বিকল্পতকৈ অমঙ্গলৰ ওপৰত শ্রেয়ৰ এক সর্বশ্রেষ্ঠ সন্তুলন উৎপন্ন কৰে বা উৎপন্ন কৰিবলৈ চেষ্টা কৰে। কিন্তু কর্তব্যমূলক মতবাদীসকলে নুই কৰে যে শুদ্ধ, বাধ্যতামূলক আৰু নৈতিকভাৱে শ্রেয় সামগ্রিকভাৱে (প্রত্যক্ষভাৱেই হওঁক বা পৰোক্ষভাৱেই হওঁক) অনৈতিক শ্রেয়ৰ এক কার্য। তেওঁলোকে সাব্যস্ত কৰে যে, কর্মৰ ভাল বা বেয়া ফলৰ বাহিৰেও এটা কর্মক বা নীতিক শুদ্ধ নাইবা বাধ্যতামূলক কৰাত অন্যান্য বহুতো বিবেচনা আছে। সিহঁতে নিজে নিজেই প্রমূল্যতকৈ কর্মৰ নির্দিষ্ট বৈশিষ্ট্যবোৰ অস্তিত্বশীল কৰি তোলে। উদাহৰণস্বৰূপে ঃ প্রতিশ্রুতি বজাই ৰখা সত্যটো ঈশ্বৰ নাই ৰাষ্ট্রৰ দ্বাৰা দিয়া আদেশ।

৩) উদ্দেশ্যবাদীসকলে বিশ্বাস কৰে যে একমাত্র এটাই মৌলিক বা চৰম শুদ্ধতা নির্ণয়ৰ বৈশিষ্ট্য আছে, যি হৈছে তুলনামূলক প্রমূল্য (অ-নৈতিক) নাইবা অমঙ্গলৰ ওপৰত শ্রেয়ৰ সর্বশ্রেষ্ঠ সন্তুলন। কর্তব্যমূলক মতবাদীসকলে এই কথা অস্বীকাৰ কৰিছে আৰু এই কথাত জোৰ দিছে যে ইয়াৰ বাহিৰেও শুদ্ধতা নির্ণয়ৰ আন বহুতো মৌলিক বা চৰম বৈশিষ্ট্য আছে। কর্তব্যমূলক নৈতিক মতবাদীসকলৰ বাবে অমঙ্গলৰ ওপৰত শ্রেয়ৰ সর্বাধিক বৃদ্ধিকৰণৰ নীতিটো একমাত্র মৌলিক নাইবা চৰম হ'ব নোৱাৰে।

৪) কাণ্টৰ মতবাদৰ দৰে কর্তব্যমূলক মতবাদসমূহে নিৰুপাধিক বা চর্তহীন আদেশ (Categorical Emperatives)ক ব্যৱহাৰ কৰে। যেনে ঃ "মই 'x' কর্মটো কৰিম কিয়নো 'x' কৰিবলগীয়া শুদ্ধ কর্ম।" উপযোগীতাবাদৰ দৰে উদ্দেশ্যমূলক নীতিবৈজ্ঞানীক মতবাদসমূহে প্রাকল্পিক (Hypothetical Imperatives) আদেশ ব্যৱহাৰ উদাহৰণস্বৰূপে ঃ "মই 'x' কর্ম কৰিম, 'y'ক পাবলৈ", কিয়নো ই নির্দ্ধাৰণ কৰিব যে কোনটো নীতি আমি অনুসৰণ কৰাটো উচিত নাইবা কোনটো আমি সম্পন্ন কৰাটো উচিত।

৫) কর্তব্যমূলক মতবাদবোৰ প্রকৃতিগতভাৱে প্রায়ে সত্য বা সঠিক হয়। ইয়াৰ অর্থ এয়ে যে কর্তব্য নাইবা বাধ্যবাধকতাসমূহ এবাৰ প্রতিষ্ঠিত হোৱাৰ পাছত সেইবোৰ সকলো একে পৰিস্থিতিত নৈতিকভাৱে বান্ধ খাই থাকে বুলি স্বীকাৰ কৰা হয়। ইহঁতে স্থিৰ নীতি নাইবা আইনক জড়িত কৰে, যি ব্যতিক্রম নোহোৱাকৈ এক বাধ্যবাধকতা ৰূপে চলি থাকে। কিন্তু উদ্দেশ্যমূলক মতবাদসমূহ স্বৰূপতঃ আপেক্ষিক। ইয়াৰ অর্থ এয়ে যে এটা কর্মৰ শুদ্ধতা আৰু মিথ্যাত্ব তাৰ পৰিস্থিতিৰ প্রতি আপেক্ষিক অর্থাৎ, এটা কর্ম শুদ্ধ যেতিয়া ই আপেক্ষিক পৰিস্থিতিত আটাইতকৈ ভাল ফল বা পৰিণাম উৎপন্ন কৰে।

৬) কর্তব্যমূলক অভিগমনবোৰ প্রায়ে অভিজ্ঞতা-পূর্ব হয়। ইয়াত নৈতিকতা আৰু ভুল আদিক নিশ্চিত কৰিবলৈ কেৱল বুদ্ধিক প্রয়োগ কৰে। আনহাতে, উদ্দেশ্যমূলক দৃষ্টিভংগীৰ ফালৰ পৰা, এজন মানুহৰ হত্যাৰ শুদ্ধতা নাইবা অশুদ্ধতা কেৱল ইয়াৰ জৰিয়তে পোৱা আকাংক্ষিত লক্ষ্যৰ দ্বাৰা সিদ্ধান্ত কৰিব পাৰি।

জানো আহঁক



ইউৰোপ মহাদেশীয় লেখকসকলৰ প্রবুদ্ধিতে আধুনিক কর্তব্যমূলক মতবাদৰ শিপা নিহিত হৈ আছে। ডেৰ্কাটৰ ধাৰণাবোৰে নীতিবিজ্ঞানকে ধৰি সকলো বৈজ্ঞানিক আৰু দার্শনিক বিষয়সমূহত লেখকসকলক অনুপ্রাণিত কৰিছিল। সি যি কি নহওঁক আটাইতকৈ বেছি প্রভাৱকাৰী কর্তব্যমূলক মতবাদ সম্বন্ধীয় লেখক আছিল ইমানুৱেল কাণ্ট।

১০.৬ সমালোচনাত্মক মূল্যাকংন

কর্তব্যমূলক মতবাদসমূহক মূলতঃ দুটা ভাগত ভাগ কৰা হৈছে— ক্রিয়াজনিত কর্তব্যমূলক মতবাদ (Act-deontology) আৰু নীতিজনীত কর্তব্যমূলক মতবাদ (Rule-deontology)। ক্রিয়াজনিত মতবাদৰ আকৌ দুটা ৰূপ আছে চৰম আৰু নৰম দৃষ্টিভংগী। দুয়োটা ৰূপেই সন্তোষজনক নহয়। চৰম দৃষ্টিভংগীয়ে কয় যে বিশেষ বিচাৰবোৰ মৌলিক আৰু যিকোনো সাধাৰণ নীতি সিহঁতৰ পৰা নিঃসৃত কৰিব পাৰি, ইয়াৰ বাহিৰে অন্য উপায় নাই। ই আমাক কোনো নিশ্চিত পথ-প্রদর্শনৰ নীতি আগবঢ়াব নোৱাৰে কিয়নো ই অন্তর্জ্ঞানবাদীসকলৰ দৰে কেতবোৰ 'অন্তর্জ্ঞান'ৰ দ্বাৰা নাইবা অস্তিত্ববাদীসকলৰ দৰে এক 'সিদ্ধান্ত'ৰ দ্বাৰা 'শুদ্ধ' কি তাক নির্দ্ধাৰণ কৰিবৰ বাবে এক প্রকাৰৰ পদ্ধতি আগবঢ়ায়।

এনেধৰণৰ স্বজ্ঞাজনিত শাখাবোৰৰ অস্তিত্বৰ বিপক্ষে নৃ-তাত্বিক আৰু মনস্তাত্বিক প্রমাণ থকা দেখা যায়, কাৰণ দৈনন্দিন অভিজ্ঞতাত দেখা যায় যে বিশেষ এক পৰিস্থিতিত ই সমর্থিত নহ'বও পাৰে। ইয়াৰ বাহিৰেও, অন্তর্জ্ঞানবাদ আধি-নীতিবিজ্ঞানমূলক সমস্যাৰ লগত জড়িত, কিয়নো তেওঁলোকে পোষণ কৰে যে 'ভাল' বা 'শ্রেয়' আৰু 'উচিত' আদি শব্দৰ দ্বাৰা নির্দেশ কৰা বৈশিষ্ট্যসমূহ সংজ্ঞাবিহীন, সৰল আৰু অবিশ্লেষণাত্মক।

ক্রিয়াজনিত কর্তব্যমূলক মতবাদৰ নৰম মতামতে 'স্বজ্ঞা'তকৈ 'সিদ্ধান্ত'ৰ দ্বাৰাহে 'শুদ্ধ কি?' তাক নির্দ্ধাৰণ কৰে। কিন্তু এই মতামতো সন্তোষজনক নহয়। ই আমাক 'পৰিস্থিতি'ক পথ-প্রদর্শক হিচাপে গ্রহণ কৰিবলৈ কয় আৰু সেই 'পৰিস্থিতি'ক আমি সতর্কতাৰে লক্ষ্য কৰিবই লাগিব। কিন্তু ইয়াৰ ওপৰত আৰু ক'বলৈ একো নাথাকে। আকৌ, ই জোৰ দিয়ে যে, এজন ব্যক্তিক পথ প্রদর্শন কৰিবলৈ একো নাথাকে, আৰু তেওঁ 'কি কৰিব' তাক সৰলভাৱেই পছন্দ নাইবা সিদ্ধান্ত ল'ব লাগে আৰু তেওঁ ইয়াক নির্বাচন কৰাৰ দ্বাৰাই তেওঁৰ কর্মক শুদ্ধ প্রমাণিত কৰিব লাগে।

নীতিজনিত কর্তব্যমূলক মতবাদো সমালোচনা মুক্ত নহয়। নীতিজনিত কর্তব্যমূলক মতবাদীসকলে পোষণ কৰে যে "আমি সদায় সত্য ক'ব লাগে"ৰ দৰে এক বা একাধিক নীতিৰে শুদ্ধ আৰু ভুলৰ মান গঠিত হয়। ইয়াত, মূল আপত্তি হ'ল এই যে কোনো ধৰণৰ নীতি গঠন কৰিব নোৱাৰি, যিয়ে, নীতিসমূহৰ মাজত বিৰোধক স্বীকাৰ নকৰে। ব্যক্তিবিশেষে ক'ব পাৰে যে ইহঁতৰ অন্তর্নিহিত হৈ থকা সকলো অনিবার্য ব্যতিক্রম থাকিব পাৰে, যাতে সিহঁতৰ কোনো ব্যতিক্রম নাথাকে। কিন্তু, এই কথা স্বীকাৰ কৰিবই লাগিব যে কোনো কর্তব্যমূলক মতবাদে আমি প্রকৃততে কি কৰিব লাগেৰ বিষয়ে এক বিৰোধহীন আৰু ব্যতিক্রম মুক্ত বাস্তৱ নীতিৰ পদ্ধতি আগবঢ়াব পৰা নাই।

এজন নীতিজনিত কর্তব্যমূলক মতবাদী, ডব্লিউ. ডি. ৰ'জ (W.D.Ross)য়ে প্রকৃত কর্তব্য আৰু দেখাত কর্তব্য যেন লগাৰ মাজত পার্থক্য নিৰূপণ কৰিছে।

উদ্দেশ্যমূলক মতবাদৰ ক্ষেত্রত আমি ক'ব নোৱাৰো যে যিকোনো মতবাদ বিৰোধৰ পৰা মুক্ত। উদাহৰণ স্বৰূপে ঃ উদ্দেশ্যমূলক মতবাদ হিচাপে নৈতিক অহংবাদক আত্ম-বিৰোধী বুলি ধৰা হয়। কাৰণ, ই এজন ব্যক্তিৰ গুণ হ'ব নোৱাৰে যে আন সকলো ব্যক্তিয়ে তেওঁৰ নিজৰ গুণক গ্রহণ কৰাটো উচিত। কাণ্টে কোৱাৰ দৰে এক সার্বিক আইন হ'বলৈ এজন ব্যক্তি কেতিয়াও অহংবাদী স্বীকার্য হ'ব নোৱাৰে। যদিও এই যুক্তিটোৱে নেদেখুৱায় যে নৈতিক অহংবাদ তর্কীয়ভাৱে আত্ম-বিৰোধী, কাৰণ যদি এজন ব্যক্তিৰ গুণৰ সৈতে আন সকলোৰে সামঞ্জস্য থাকে, তেন্তে এইক্ষেত্রত কোনো অসুবিধা নাথাকে।

উপযোগীতাবাদ বাধ্যবাধকতাৰ এক উদ্দেশ্যমূলক মতবাদ আৰু ই প্রমূল্যৰ কোনো বিশেষ মতবাদক বহন নকৰে। কিন্তু উপযোগীতাবাদে প্রমূল্যৰ কেতবোৰ বিশেষ মতবাদক গ্রহণ কৰিব লাগে। কিয়নো, নৈতিক অহংবাদ আৰু উপযোগীতাবাদৰ মাজত আন্তৰিক যোগাযোগৰ বাবে উদ্দেশ্যমূলক মতবাদক তুলি ধৰাটো সম্ভৱ। উদাহৰণ স্বৰূপে ঃ মতবাদে কয় যে শুদ্ধ কর্ম নাইবা নীতি হৈছে এনে, যি এক নিশ্চিত গোট, জাতি, শ্রেণী, পৰিয়াল, বর্গ আদিৰ বাবে অমঙ্গলৰ ওপৰত শ্রেয়ৰ সর্বশ্রেষ্ঠ সন্তুলনৰ প্রতি অনুকুল হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ কর্তব্যমূলক মতবাদৰ দুটা প্রকাৰ কি কি?

.....

প্রশ্ন নং ২ ঃ উপযোগীতাবাদ এক কর্তব্যমূলক মতবাদ হয়নে?

.....

প্রশ্ন নং ৩ ঃ উপযোগীতাবাদৰ মতে নৈতিক কর্মৰ চৰম লক্ষ্য কি?

.....

প্রশ্ন নং ৪ ঃ "পৰিস্থিতি নীতিবিজ্ঞান" কি?

.....

প্রশ্ন নং ৫ ঃ আদর্শনিষ্ঠ নীতিবিজ্ঞান কি?

.....

প্রশ্ন নং ৬ ঃ 'বর্ণনাত্মক নীতিবিজ্ঞান' কি?

.....



কার্যক্রম ঃ ১০.৪

১। বিভিন্ন প্রকাৰৰ আদর্শনিষ্ঠ নীতিবিজ্ঞানৰ আলোচনা কৰক।



১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

কর্তব্যমূলক আৰু উদ্দেশ্যমূলক নীতিবিজ্ঞানৰ বিষয়ে গুৰুত্বপূর্ণ দিশসমূহ—

- কর্তব্যমূলক নীতিবিজ্ঞানে এটা সাধাৰণ মতবাদৰ যোগান ধৰে, যিয়ে আমাক কয় আমি কিদৰে জীয়াই থকা উচিত। ই আমাক কয় যে কোনবোৰ বস্তুৰ কি নৈতিক গুণ আছে, তাক কেনেকৈ বিচাৰি উলিয়াব পৰা যায়, যাতে ই নীতিবিজ্ঞানৰ এক গাঁথনি আগবঢ়াব পাৰে।
- কর্তব্যমূলক আৰু উদ্দেশ্যমূলক দুয়োটায়ে আদর্শনিষ্ঠ নীতিবিজ্ঞানৰ বিষয়।
- কর্তব্যমূলক মতবাদ অনুযায়ী, যিবোৰ কর্ম আন্তৰিকভাৱে ভাল বা বেয়া, অর্থাৎ নিজে নিজেই ভাল বা বেয়া, তাক ফল বা পৰিণতিৰ কথা নভবাকৈয়ে সম্পন্ন কৰাটো উচিত বা অনুচিত।
- 'Deontology' শব্দটো গ্রীক শব্দ 'deon' যাৰ অর্থ 'duty' আৰু 'logos', যাৰ অর্থ 'science' নাইবা 'study'। অর্থাৎ 'deontology'ৰ অর্থ হ'ল 'science of duty'— 'কর্তব্যৰ বিজ্ঞান' নাইবা 'কর্তব্যৰ অধ্যয়ন'। কর্তব্যমূলক নীতিবিজ্ঞান এজন নৈতিক অভিকর্তাই সম্পাদন কৰা কর্মৰ সৈতে জড়িত।
- নীতিবিজ্ঞানত উদ্দেশ্যমূলক মতবাদৰ মতে, আমি এনে ধৰণৰে কর্ম কৰা উচিত, যিয়ে সর্বশ্রেষ্ঠ ফল বা পৰিণাম কঢ়িয়াই আনে।
- কর্তব্যমূলত মতবাদ প্রধানকৈ দুটা— ১) ক্রিয়াজনিত কর্তব্যমূলক মতবাদ আৰু ২) নীতিজনিত কর্তব্যমূলক মতবাদ।
- উদ্দেশ্যমূলক মতবাদ তিনি প্রকাৰৰ— ১) নৈতিক অহংবাদ, ২) নৈতিক সার্বিকতাবাদ বা উপযোগীতাবাদ আৰু ৩) মনস্তাত্বিক অহংবাদ।



১০.৮ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) পাঠ্যপুথি প্রস্তুতি সমন্বয় সমিতি, গুৱাহাটী বিশ্ববিদ্যালয় —*নীতিশাস্ত্র*
২) সেনগুপ্ত, ব্যানার্জী পাব্‌লিশার্স —*নীতিবিজ্ঞান*
৩) শৈলেন বৰকাকতি —*নীতিশাস্ত্র*
৪) অঞ্জলি দেৱী —*নীতিবিদ্যা*
৫) ড° জ্যোৎস্না ভট্টাচার্য্য —*নীতিবিজ্ঞান*



১০.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ কর্তব্যমূলক মতবাদ প্রধানকৈ দুই প্রকাৰৰ—

১। কর্মজনিত কর্তব্যমূলক মতবাদ আৰু

২। নীতিজনিত কর্তব্যমূলক মতবাদ।

২ নং প্রশ্নৰ উত্তৰ ঃ উপযোগীতাবাদ কর্তব্যমূলক মতবাদ নহয়। ই এক উদ্দেশ্যমূলক মতবাদ।

৩ নং প্রশ্নৰ উত্তৰ ঃ উপযোগীতাবাদৰ মতে, এটা কর্ম বা নীতি শুদ্ধ হয়, যদিহে ইয়াৰ চৰম লক্ষ্য সর্বশ্রেষ্ঠ সার্বিক বা সাধাৰণ শ্রেয় হয়। যদি এটা কর্ম বা নীতি বিশ্বজগতত অমঙ্গলৰ ওপৰত শ্রেয়ৰ সর্বশ্রেষ্ঠ সাম্ভাব্য সন্তুলনৰ প্রতি অনুকুল হয়, তেন্তে, সেই কর্ম বা নীতি শুদ্ধ হ'ব।

৪ নং প্রশ্নৰ উত্তৰ ঃ কর্মজনিত কর্তব্যমূলক মতবাদক "পৰিস্থিতি নীতিবিজ্ঞান" বুলিও কোৱা হয় আৰু ই কর্মজনিত কর্তব্যমূলক মতবাদৰ চৰম আৰু নৰম দুয়োটা ৰূপকেই অন্তর্ভুক্ত কৰে।

৫ নং প্রশ্নৰ উত্তৰ ঃ আদর্শনিষ্ঠ নীতিবিজ্ঞানে বস্তুৰ নৈতিক গুণসমূহ আমি কেনেকৈ বিচাৰি উলিয়াব পাৰো, তাৰ বিষয়ে ক'বলৈ প্রয়াস কৰে "আমাৰ বাবে শ্রেয়, শুদ্ধ আৰু বাধ্যতামূলক কি?" আদিৰ দৰে প্রশ্নৰ লগত আদর্শনিষ্ঠ নীতিবিজ্ঞান জড়িত।

৬ নং প্রশ্নৰ উত্তৰ ঃ বর্ণনাত্মক নীতিবিজ্ঞানক তুলনামূলক নীতিবিজ্ঞান হিচাপেও জনা যায়। ই নৈতিকতাৰ বিষয়ে মানুহৰ বিশ্বাসক অধ্যয়ন কৰে, কিন্তু ই নৈতিক সিদ্ধান্ত নির্ণয়ৰ প্রক্রিয়াৰ পর্যবেক্ষণৰ বিষয়ে অধ্যয়ন নকৰে, যাৰ সহায়ত ই সাধাৰণ নীতিবিজ্ঞানৰ দৰে প্রপঞ্চক বর্ণনা কৰিবলৈ চেষ্টা কৰে।



১০.১০ আহিঁ প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন নং ১ ঃ'Deontology' শব্দটোৰ ব্যুৎপত্তিগত অর্থ কি?

প্রশ্ন নং ২ ঃঅধি-নীতিবিজ্ঞান কি?

প্রশ্ন নং ৩ ঃউদ্দেশ্যমূলক নীতিবিজ্ঞান মূল নীতি কি?

প্রশ্ন নং ৪ ঃকাণ্ট এজন উদ্দেশ্যমূলক মতবাদী হয়নে?

প্রশ্ন নং ৫ ঃকর্তব্যমূলক নীতিবিজ্ঞান আদর্শনিষ্ঠ নীতিবিজ্ঞানত নে আধি-নীতিবিজ্ঞানৰ অন্তর্গত?

প্রশ্ন নং ৬ ঃ আদর্শনিষ্ঠ নীতিবিজ্ঞান আৰু প্রয়োগিক নীতিবিজ্ঞানৰ মাজত কিবা সম্পর্ক আছেনে?

(খ) চমু প্রশ্ন (১৫০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং ১ ঃ নৈতিক অহংবাদক চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন নং ২ ঃ উপযোগীতাবাদৰ প্রধান দিশসমূহৰ বিষয়ে লিখক।

প্রশ্ন নং ৩ ঃ কর্মজনিত কর্তব্যমূলক মতবাদ আৰু নীতিজনিত কর্তব্যমূলক মতবাদৰ মাজত পার্থক্য নির্ণয় কৰক।

প্রশ্ন নং ৪ ঃ বর্ণনামূলক আৰু আদর্শমূলক নীতিবিজ্ঞানৰ মাজত পার্থক্য নির্ণয় কৰক।

প্রশ্ন নং ৫ ঃ মনস্তাত্বিক অহংবাদৰ বিষয়ে চমুকৈ আলোচনা কৰক।

(গ) ৰচনাধর্মী প্রশ্ন (উত্তৰ প্রায় ৩০০-৫০০ শব্দৰ ভিতৰত)

প্রশ্ন নং ১ ঃ কর্তব্যমূলক নৈতিক মতবাদ কি? সমালোচনাসহ কর্মজনিত আৰু নীতিজনিত কর্তব্যমূলক মতবাদ দুয়োটাৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন নং ২ ঃ উদ্দেশ্যমূলক নীতিবিজ্ঞান কি? কর্তব্যমূলক নীতিবিজ্ঞানৰ পৰা ই কিদৰে পৃথক?

প্রশ্ন নং ৩ ঃ কর্তব্যমূলক নীতিবিজ্ঞান কি? ই কিদৰে উদ্দেশ্যমূলক নীতিবিজ্ঞানৰ পৰা পৃথক?

প্রশ্ন নং ৪ ঃ উদ্দেশ্যমূলক আৰু কর্তব্যমূলক নীতিবিজ্ঞানৰ মাজত পার্থক্যৰ বিচাৰ কৰক।

প্রশ্ন নং ৫ ঃ উদ্দেশ্যমূলক নীতিবিজ্ঞান কি? উদ্দেশ্যমূলক নীতিবিজ্ঞানৰ বিভিন্ন ধৰণৰ মতবাদসমূহ আলোচনা কৰক।

প্রশ্ন নং ৬ ঃ কর্তব্যমূলক আৰু উদ্দেশ্যমূলক দুয়োটা নীতিবিজ্ঞানৰে এক সমালোচনাত্মক আলোচনা ডাঙি ধৰক।

* * * * *

অধ্যায় ১১ঃ পুৰুষার্থ

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ অর্থ
১১.৪ কাম
১১.৫ ধর্ম
১১.৬ মোক্ষ
১১.৭ চাৰিপ্রকাৰৰ শাস্ত্র
১১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৯ অগ্রগতিৰ খতিয়ান
১১.১০ অধিক জানিবলৈ
১১.১১ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মানৱ জীৱনৰ উদ্দেশ্যসমূহৰ প্রকৃতি ভাৰতীয় পৰম্পৰা অনুযায়ী ব্যাখ্যা কৰিব পাৰিব,
- আর্থিক মূল্যৰ লগত জড়িত আনুষ্ঠানিক গাঁথনিৰ স্বৰূপ ব্যাখ্যা কৰিব পাৰিব,
- চাৰিটা প্রমূল্যৰ লগত সম্পর্কিত চাৰি প্রকাৰৰ শাস্ত্রৰ বিভাজন দাঙি ধৰিব পাৰিব।

১১.২ পৰিচয়

ভাৰতীয় পৰম্পৰাত পুৰুষার্থ হ'ল মানৱ জীৱনৰ চাৰিটা প্রধান লক্ষ্য। সেই কেইটা হ'ল অর্থ, কাম ধর্ম আৰু মোক্ষ। অর্থই সম্পদক বুজায়, কাম হ'ল বৈষয়িক বা ইন্দ্রিয়জ সুখ, ধর্মই নৈতিক প্রমূল্যক সূচায় আৰু মোক্ষ হ'ল পুনর্জন্ম আৰু দুখৰ পৰা মুক্তি দিব পৰা জীৱনৰ চৰম লক্ষ্য। পুৰুষার্থ হ'ল মানৱ জীৱনক অর্থপূর্ণ কৰি তোলা আদর্শ। এই আদর্শৰ প্রাপ্তিৰ বাবে মানুহ সততে প্রয়াশশীল হ'ব লাগে। ব্যুৎপত্তিৰ ফালৰ পৰা 'পুৰুষ' শব্দই 'আত্মা'ক আৰু 'অর্থ'ই 'উদ্দেশ্য' বা 'লক্ষ্য'ক বুজায়।

১১.৩ অর্থ

*কৌটিল্য*ৰ অর্থশাস্ত্রত 'অর্থ'ৰ সুস্পষ্টকৈ দুটা অর্থ উল্লেখ্য কৰা হৈছে— ক) সম্পদ আৰু খ) ভূমি। ভূমিক অর্থ বুলি কোৱাই হে তাৎপর্য বহন কৰে যে ভূমিক অধিগ্রহণ কৰা মানৱ জীৱনৰ অন্যতম উদ্দেশ্যৰূপে পৰিগণিত হৈ আহিছিল আৰু ৰাজ্য আৰু সাম্রাজ্য বিস্তাৰ তাৰেই প্রতিফলন আছিল। প্রাচীন কালৰ পৰাই সাম্রাজ্য বিস্তাৰ, উপনিবেশ স্থাপন আৰু ভৌগলিক



কৌটিল্য ঃ চানক্য আৰু বিষ্ণুগুপ্তা হিচাপে জনাজাত। তেওঁৰ ৰচিত গ্ৰন্থসমূহ হ'ল অৰ্থশাস্ত্ৰ।

অখণ্ডতা ৰক্ষা কৰাটো শক্তিশালী, উন্নত আৰু সমৃদ্ধ ৰাষ্ট্ৰ গঠনৰ বাবে অপৰিহাৰ্য বুলি বিবেচিত হোৱাই ভূমিক অৰ্থৰ সমাৰ্থক বুলি উল্লেখ কৰাৰ যুক্তিযুক্ততা প্ৰদান কৰে।

অৰ্থশাস্ত্ৰকাৰ কৌটিল্যই ধৰ্ম আৰু কামতকৈ অৰ্থক অধিক প্ৰাধান্য দিছিল। ধৰ্ম আৰু কাম এই দুই পুৰুষাৰ্থৰ সাধনৰ বাবে অৰ্থইহে মানুহক সমৰ্থ কৰি তোলে। অৰ্থাৎ অৰ্থই সবাৰ্থসিদ্ধি ঘটায়। সেয়েহে অৰ্থক উপায় আৰু লক্ষ্য এই দুয়োটা অৰ্থতে গ্ৰহণ কৰা হয়। কিন্তু কৌটিল্যই সুস্পষ্টকৈ উপায় আৰু লক্ষ্যৰ ৰূপত অৰ্থৰ দুটা দিশৰ পাৰ্থক্য দণ্ডি ধৰা নাই। অন্য এক ধৰণে আগবঢ়োৱা ব্যাখ্যা অনুযায়ী লক্ষ্যৰ ৰূপত অৰ্থ হ'ল এনে এক বস্তু যি মানুহক সুখ প্ৰদান কৰে। আনহাতে উপায় হিচাপে অৰ্থ হ'ল সম্পদ। ধৰ্ম আৰু কামতকৈ অৰ্থক কৌটিল্যই ওপৰত স্থান দিয়াটোৱে এইটো নুবুজায় যে তেওঁৰ মতে অবাধিত ভাৱে সকলো বিচাৰ বিবেচনা বাদ দি কেৱল সম্পদ আহৰণ কৰাটোহে মানুহৰ উদ্দেশ্য হ'ব লাগে। তেওঁৰ মতে সম্পদ আহৰণ নিঃচৰ্ত নহয়। সম্পদ নৈতিকভাৱে আহৰণ কৰিব লাগিব আৰু তেতিয়াহে অৰ্থই সুখ প্ৰদান কৰিব পাৰিব। গতিকে সম্পদ মাত্ৰেই কল্যাণকাৰী নহ'ব পাৰে। অন্যায়ভাৱে আহৰণ কৰা সম্পদে আনৰ পৰা ভয় মাতি আনে। শোষণ, লুণ্ঠন অথবা বঞ্চনা কৰি আহৰণ কৰা সম্পদ অৰ্থ নহয়, ইয়াক অনৰ্থ বুলিহে উল্লখ কৰা হৈছে।

অৰ্থৰ ধাৰণাৰ ব্যাখ্যা আগবঢ়াই সাম্প্ৰতিক কালৰ এজন উল্লেখনীয় দাৰ্শনিক জে. এন. মহান্তিয়ে অৰ্থৰ ধাৰণাৰ অৰ্থবহ ব্যাখ্যা আগবঢ়াইছে। তেওঁ উল্লেখ কৰিছে যে, 'অৰ্থ' শব্দটোৱে বহুবিলাক তাৎপৰ্য বহন কৰে যেনে কৰ্ম, সুবিধা, লাভ উপযোগিতা, পুৰস্কাৰ, প্ৰাপ্তি, সম্পত্তি, ধন, বস্তুও দাৰ্শনিক আলোচনা ক্ষেত্ৰত অধিক প্ৰাসঙ্গিকভাবে উদ্দেশ্য বা তাৎপৰ্য। কৌটিল্যৰ অৰ্থশাস্ত্ৰত উল্লেখ থকা অথচ বহলভাৱে বিবেচিত নোহোৱা কিছুমান তাৎপৰ্যপূৰ্ণ তথ্য মহান্তিয়ে নতুনকৈ দাণ্ডি ধৰিছে। কৌটিল্যই উল্লেখ কৰিছিল যে অৰ্থ মানুহৰ বৃত্তি বা জীৱিকা। তেওঁ আকৌ উল্লেখ কৰিছে যে অৰ্থৰ মনুষ্যৱতীভূমি। তৃতীয়টো চানক্যসূত্ৰত উল্লেখ কৰা হৈছে যে অৰ্থৰ আধাৰ হ'ল ৰাজ্য অৰ্থাৎ সমাজ আৰু শাসন থকা এক ভূখণ্ড (অৰ্থয্য মূলয়)। দ্বাদশ চানক্যসূত্ৰত তাৎপৰ্যপূৰ্ণভাৱে উল্লেখ কৰা হৈছে যে অৰ্থৰ মূল হ'ল কাৰ্য। (অৰ্থমূলম কাৰ্য্যম্) গতিকে অৰ্থ আহৰণ কৰিবলৈ হ'লে অনিবাৰ্যভাৱে কাৰ্যত প্ৰবৃত্ত হ'ব লাগিব । কিন্তু কাৰ্য কেতিয়া আৰু কেনেকৈ কৰিব লাগিব সেই বিষয়ওে সতৰ্ক হ'ব লাগিব। সময় আৰু সুবিধা বুজিহে কাৰ্য সম্পাদন কৰিব লাগিব। নিজৰ অভিজ্ঞতা আৰু সুবিবেচনা প্ৰয়োগ কৰি কাৰ্য সমাধা কৰিব লাগিব। এই সকলোখিনি বিবেচনা কৰিলে এইটো ওলাই পৰে যে পুৰুষাৰ্থ হিচাপে অৰ্থ হ'ল বহুবিলাক সম্ভাব্য লক্ষ্যৰ পাৰস্পৰিক সম্পৰ্কযুক্ত আৰু উন্নয়নমুখী এক জটিল প্ৰক্ৰিয়া।

গতিকে অৰ্থই কেৱল ধন বা সম্পদ আহৰণ কৰাটোকে নুবুজায়। ইয়াৰ তাৎপৰ্য অধিক গম্ভীৰ। ই এক প্ৰকাৰৰ আত্ম উপলব্ধিত প্ৰয়োজনীয়তা আনি দিয়ে। এনে আত্ম উপলব্ধি বহুবিলাক ধাৰণাৰ সমাহাৰ ঘটে। তাৰ ভিতৰত অৰ্থ আহৰণ কৰা ব্যক্তিজন যে এখন ৰাজ্যৰ প্ৰজা বা এক ৰাষ্ট্ৰৰ নাগৰিক, তেওঁ যে এক সমাজৰো অন্তৰ্ভুক্ত য'ত তেওঁ আন আন প্ৰজা অথবা নাগৰিকসকলৰ লগত বাণিজ্যিক আৰু বিত্তীয় অনুষ্ঠান সমূহ আৰু ব্যৱস্থাসমূহ, যেনে— ক্ৰয় আৰু বিক্ৰয়, মুদ্ৰা, বিনিময় আৰু মূল্য ইত্যাদি তথা জীৱিকাৰ বাবে কৰা পৰিশ্ৰম ইত্যাদিৰ দ্বাৰা পাৰস্পৰিক সম্পৰ্কৰে

যে সম্বন্ধ বিশিষ্ট, এনে কার্যাৱলীত অতীতত আহৰণ কৰাখিনিৰ সংৰক্ষণ আৰু ভৱিষ্যতৰ পৰিকল্পনা তথা প্ৰস্তুতি অর্থাৎ তেওঁৰ অৱস্থান আৰু পৰিস্থিতিৰ কাল সাপেক্ষ স্বৰূপ অথবা তেওঁৰ নির্দিষ্ট সময়ত জাগতিক অস্তিত্ব আৰু তেনে স্থিতিৰ সমাজৰ আন আন সদস্যৰ লগত সম্পর্কযুক্ত হৈ থকা স্বৰূপ ইত্যাদিৰ ধাৰণা সন্নিৱিষ্ট হৈ থাকে। অর্থক পুৰুষার্থ হিচাপে গ্ৰহণ কৰোঁতে এক ব্যক্তিৰ চেতনাত ইচ্ছাই প্ৰাধান্য লাভ কৰি থাকে। ইচ্ছা বা কামনাই মানুহক কর্মত প্ৰবৃত্ত কৰে আৰু সেই কর্মৰ ফল তেওঁ ভোগ কৰিব লাগে। অর্থ সম্পর্কীয় কর্মই সমাজত ব্যক্তিসকলৰ সম্বন্ধক বিশেষ আকাৰ প্ৰদান কৰে। উদাহৰণস্বৰূপে ইয়াক মালিক আৰু কর্মচাৰীৰ সম্বন্ধ অথবা ভূমিৰ স্বত্বাধিকাৰী আৰু কৃষকৰ সম্বন্ধৰ ৰূপত দেখিবলৈ পোৱা যায়। এনেসম্বন্ধত এক ব্যক্তিয়ে আন এক ব্যক্তিক নিজৰ উদ্দেশ্য পূৰণৰ স্বার্থত এক উপায় বা সাধনৰূপে গ্ৰহণ কৰে। আর্থিক কর্মই প্ৰাধান্য পায় আনহাতে ব্যক্তিয়ে গৌণ স্থান লাভ কৰে। কর্ম হ'ল অর্থ আহৰণৰ আধাৰ। কর্মৰ পাছতহে বিনিময়, বাণিজ্য আৰু মুদ্ৰাৰ প্ৰসঙ্গ আহি পৰে। উৎপাদনমূলক কর্মৰ জড়িয়তে মূল্য আহৰণ কৰি সন্তুষ্টি দিব পৰাকৈ তাক উপায় হিচাপে ব্যৱহাৰ কৰাটো অর্থৰূপী পুৰুষার্থৰ মূল বিশেষত্ব। এনে কার্যত ভবিষ্যতৰ এক অবলোকন সদায় সোমাই থাকে আৰু অতীতৰ সাফল্য বা আহৃত সম্পদৰ সঠিক প্ৰয়োগৰ বিবেচনায়ো চেতনাত ক্ৰিয়া কৰি থাকে।

পুৰুষার্থৰূপে অর্থ হ'ল ইচ্ছাৰ লগত সম্বন্ধযুক্ত আৰু এনে ইচ্ছা আত্মকেন্দ্রিক হ'ব নালাগে। ভাৰতীয় দার্শনিক পৰম্পৰাত অধিকাংশ দার্শনিকেই এনে মত পোষণ কৰে। আমাৰ কর্মসমূহৰ উদ্দেশ্য সকলোৰে কল্যাণ সাধিব পৰাকৈ বহল দৃষ্টিভংগীযুক্ত হ'ব লাগে। কিন্তু চার্বাক এই ক্ষেত্ৰত এক ব্যতিক্ৰম। তেওঁলোকৰ মতে নিজৰ সুখেই আমাৰ ইচ্ছা আৰু কর্মৰ লক্ষ্য হ'ব লাগে আৰু অর্থ হ'ল এই লক্ষ্য আহৰণৰ উপায় মাত্ৰ।



চিন্তা-চর্চা কৰক ১১.১

ক) অর্থৰ আহৰণেই জীৱনৰ একমাত্ৰ লক্ষ্য নেকি? আপুনি কি ভাবে? আলোচনা কৰক।

.....

.....

.....



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কোটিল্যই উল্লেখ কৰা 'অর্থ' শব্দটোৰ দুটা অর্থ উল্লেখ কৰক।

.....

প্ৰশ্ন নং ২ ঃ অর্থই কেৱল সম্পদ আহৰণকেই বুজায় নেকি?

.....

প্ৰশ্ন নং ৩ ঃতলত উল্লেখ কৰা কোনটো অৰ্থৰূপী পুৰুষাৰ্থৰ আহৰণত প্ৰয়োজন নহয়?

ক) বাণিজ্যিক অনুষ্ঠান খ) ভূমি

গ) ভৱিষ্যতৰ প্ৰয়োজনীয়তাৰ পূৰ্বাবলোকন ঘ) দেৱতাৰ উপাসনা

.....

প্ৰশ্ন নং ৪ ঃচাৰ্বাক সকলে অৰ্থক জীৱনৰ লক্ষ্য হিচাপে গ্ৰহণ কৰিছেনে?

.....

প্ৰশ্ন নং ৫ ঃকৌটিল্যই ধৰ্মতকৈ অৰ্থৰ ওপৰত গুৰুত্ব দিয়ে নেকি? (৩০টা শব্দৰ ভিতৰত লিখক)

.....

.....

১১.৪ কাম

'কাম' শব্দটো বহুবিলাক অৰ্থত ব্যৱহৃত হয়। তাৰ ভিতৰত কাম, ইচ্ছা, বাঞ্ছা তথা নিজৰ ইচ্ছাৰ দ্বাৰ প্ৰেৰিত হোৱা ইত্যাদি অন্যতম। বহল অৰ্থত কাম শব্দই সকলো ইচ্ছাক সামৰি লয়। সংকীৰ্ণ অৰ্থত ই যৌন সংভোগৰ ইচ্ছাক বুজায়। কাম পুৰুষাৰ্থক বিষয়বস্তু হিচাপে লোৱা বাৎসায়নৰ কাম সূত্ৰত এই দুয়োটা অৰ্থতেই কামক গ্ৰহণ কৰা হৈছে। ইয়াৰ এটা সূত্ৰত (১.২.১১) কামক ইন্দ্ৰিয় আৰু বিষয়ৰ সম্পূৰ্ণ সমাজস্যপূৰ্ণ সম্বন্ধ বুলি সংজ্ঞা নিৰূপন কৰা হৈছে। ইয়াৰ পৰৰ্বতী সূত্ৰটোত (১.২.১২) স্পৰ্শ সংবেদনক প্ৰাধান্য দি কোৱা হৈছে যে স্পৰ্শৰ যোগেদি লাভ কৰা সুখৰ অনুভুতিয়েই কামৰ উৎকৃষ্ট নিদৰ্শন। পুৰুষাৰ্থ হিচাপে কাম'ই কেৱল ইন্দ্ৰিয়জ সুখৰ কামনাক নুবুজায়। ই তাতকৈ উচ্চ পৰ্যায়ৰ চেতনাকো সূচিত কৰে। ইয়াৰ অৱস্থান অৰ্থতকৈ ওপৰত কাৰণ অৰ্থৰ যোগেদি যি আহৰণ কৰা যায় সি নিজেই লক্ষ্যমাত্ৰ নহয় বৰং আন লক্ষ্যৰ সাধন বা উপায়হে। কিন্তু কামৰ ক্ষেত্ৰত যি ইচ্ছা কৰা যায় সেয়ে লক্ষ্যও। নিম্ন পৰ্যায়ত কাম হ'ল সুখ ভোগৰ বাসনা, কিন্তু ই উচ্চ পৰ্যায়ৰ আকাংক্ষালৈ উন্নিত হয়। ই জৈৱিক প্ৰেমৰ পৰা আধ্যাত্মিক প্ৰেমলৈ গতি কৰে। প্ৰেমে আত্মবলিদান ৰূপ লয়। আন এক দিশত ই নন্দনতাত্ত্বিক অভিজ্ঞতা আৰু অনুভৱৰ বাবে মানুহক উৎসাহিতআৰু প্ৰেৰিত কৰে।সাহিত্য সংগীত আদি নানান কলাৰ সৃষ্টি আৰু আস্বাদন ইয়াৰেই প্ৰতিফলন। অৱশ্যে শান্ত ৰসৰ প্ৰকৃত অনুভৱ মোক্ষৰ পৰ্যায়তহে সম্ভৱ হয়। সেইদৰে মোক্ষত প্ৰাপ্ত কৰা ঐক্যৰ পৰিৱৰ্তে ইয়াত ব্যক্তিৰ ভিন্ন অস্তিত্বৰ অনুভৱহে থাকে। কামক একমাত্ৰ পূৰুষাৰ্থ বুলি চাৰ্বাকসকলে মত পোষণ কৰিছে। তেওঁ অপৰিশোধিত সুখবাদক অগ্ৰাহ্য কৰিছে আৰু অৰ্থ, ধৰ্ম আৰু কামৰ সমন্বিত আহৰণৰ পোষকতা কৰিছে। তেওঁৰ মতে ধৰ্মক পৰিত্যাগ কৰি বা ইয়াৰ বিৰুদ্ধে গৈ কামক আহৰণ কৰাটো গ্ৰহণযোগ্য নহয়। তেওঁ উচ্চ পৰ্যায়ৰ আনন্দৰ অনুভুতিক উচ্চ স্থান দিছে আৰু চৌষষ্ঠিটা কলাৰ সাধনৰ যোগেদি ইয়াক প্ৰাপ্ত কৰাৰ উপায় উল্লেখ কৰিছে।

এক পুৰুষার্থ হিচাপে কামে ভাৰতীয় পৰম্পৰাত স্থান পাই অহাটোৱে এইটো প্ৰতীয়মান কৰে যে আমাৰ পৰম্পৰাত এই কথা উপলব্ধি কৰা হৈ আহিছে যে মানুহৰ জৈৱিক প্ৰয়োজনীয়তাসমূহ আওকাণ কৰিব নোৱাৰি। এইবিলাকৰ সুস্থ, পৰিমাৰ্জিত আৰু পৰিশীলিত বিকাশ হ'ব লাগে। সেই বাবে ই নন্দনতাত্ত্বিক অনুভৱৰ ৰূপলৈ এইবিলাকৰ উত্তৰণৰ প্ৰয়াস কৰা হয়।



জানি থোৱা ভাল

অন্তবিষয়কতা ঃ অন্তবিষয়ক গুণ মানে ইয়াকে বুজা যায় যে য'ত, বিভিন্ন বিষয়ৰ মতামতসমূহে সম্পূৰ্ণভাৱে মিলি যায় বা সৰ্বময় হয়। 'কাম' পুৰুষার্থত আমি যদি 'প্ৰেম বা ভালপোৱাক উদাহৰণ স্বৰূপে লওঁ তেতিয়া দেখা পাম যে প্ৰেম বা ভালপোৱা ভাবটো থাকে।

অন্তদৈহিকতা ঃ সাধাৰণতে এই শব্দটোৱে চেতনাৰ মাধ্যমেদি দৈহিক আকৰ্ষণ আৰু মিলাপ্ৰীতিৰ কথাটোকে বুজায়।

ৰস ঃ ইয়াক নান্দনিক অভিজ্ঞতাৰ অনিবাৰ্য গুণ বা সাৰবস্তু বুলি ধৰা হয়। তদুপৰি ইয়াক অনুভূতিৰ যোগেদি লাভ কৰা হয়।

বাৎসায়ন ঃ (প্ৰায় খ্ৰীষ্টাব্দ ৪০০) কামসূত্ৰৰ ৰচক। ন্যায়সুলভ জড়িত থকা বাৎসায়ন কামসূত্ৰৰ ৰচকৰ সৈতে একে জন ব্যক্তি নহয়।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ চাৰ্বাক দৰ্শনে কোনবিধ মোক্ষক পুৰুষার্থ হিচাপে বিবেচনা কৰে?

.....

প্ৰশ্ন নং ৭ ঃ বাৎসায়নে কিদৰে চাৰ্বাক দৰ্শনে দিয়া পুৰুষার্থৰ ধাৰণা সম্পৰ্কে সমালোচনা কৰিছে? আলোচনা কৰক।

.....

.....

.....

প্ৰশ্ন নং ৮ ঃ শান্ত ৰসৰ অনুভৱটো কাম পুৰুষার্থত সম্ভৱ হয়নে?

.....

প্ৰশ্ন নং ৯ ঃ বাৎসায়নে উল্লেখ কৰা চাৰুকলাৰ প্ৰকাৰসমূহ কি? কি?

.....

প্ৰশ্ন নং ১০ ঃ ধৰ্ম, অৰ্থ, আৰু মোক্ষৰ মিল বা সমন্বয় কাম পুৰুষার্থৰ দ্বাৰা সম্ভৱ হয়নে?

.....

১১.৫ ধর্ম

'ধর্ম' শব্দটো বিধি, কর্তব্য, ন্যায়পূর্ণতা ইত্যাদি বিভিন্ন অর্থত ব্যৱহাৰ হয়। পুৰুষার্থৰ ৰূপত ধর্মই নৈতিক প্রমূল্যক নির্দেশ কৰে যি মৌলিক আৰু নিজেই নিজৰ ভিত্তি বা আধাৰ। ধর্মক ব্যাখ্যা কৰিব পৰা যায় কিন্তু বেলেগ যুক্তি আগবঢ়াই ইয়াক সমর্থন কৰিব নোৱাৰি অর্থাৎ ই আধাৰমূলক (foundational)।

অর্থ আৰু কাম প্রাপ্তিৰ বাবে প্রয়াস কৰা ব্যক্তি যেতিয়া ধর্ম পালনৰ পথত অগ্রসৰ হয়, তেওঁ অধিক গভীৰ আর্দশ দিশত অগ্রসৰ হয়। ধর্ম সাধন কৰিবলৈ যোৱা ব্যক্তিৰ নিজস্ব আৰু সামাজিক এই দুয়োধৰণৰ দায়িত্ব আৰু কর্তব্য আহি পৰে। ধর্ম পালনৰ প্রাৰম্ভিক পর্যায়ত স্বার্থ সম্বলিত ইচ্ছাৰ দ্বাৰা প্রেৰিত হোৱা যায়। কিন্তু পাছত কামনাশূন্য কর্তব্যপালনৰ পর্যায়লৈ গতি কৰা যায়। কিবা ফল আকাংক্ষা কৰি যজ্ঞাদি বৈদিক কর্ম অনুষ্ঠান পালন কৰাটো ধর্মৰ এক প্রাৰম্ভিক পর্যায়ৰূপে বিবেচিত হয়। কিন্তু ধর্মৰ স্বৰূপ তেনে ধৰণৰ নহয়।

ধর্মই আমাৰ নৈতিক আৰু সামাজিক জীৱনৰ প্রমূল্যক প্রতিফলিত কৰে। ধর্মক আমি কর্তব্যৰ সমষ্টি বা সমন্বয় ৰূপে দাঙি ধৰিব পাৰো। ধর্ম হ'ল নিজৰ সমাজ বা সম্প্রদায়ৰ নৈতিক আদর্শক গ্রহণ কৰা আৰু সমাজে নির্ধাৰণ কৰি দিয়া কর্তব্য আৰু দায়িত্বসমূহ পালন কৰাটো। নিজৰ পৰিয়াল, সমাজ তথা ৰাষ্ট্রৰ প্রতি আৰু উপাস্য দেৱী দেৱতাসকলৰ প্রতি থকা কর্তব্য পালন কৰাটো ধর্মৰ অন্তর্ভুক্ত। ধর্ম পালন হ'ল নিজকে সংযত আৰু নিয়ন্ত্রিত কৰা। কামনা বাসনা সমূহৰ বশ নহৈ সেইবিলাক সমাজ আৰু নৈতিকতাৰ দ্বাৰা নির্ধাৰিত পন্থাৰে নিয়ন্ত্রণলৈ অনা। এফালে ই সংযম আৰু নিজকে নিয়ন্ত্রিত কৰাটোকে পোষকতা কৰে আৰু আনফালেদি ই সামাজিক দায়িত্ব তথা ভূমিকা পালনক সূচায়। ই সদ্‌গুণসমূহ আয়ত্ব কৰাত উৎসাহিত কৰে। কিছুমান সদ্‌গুণ ব্যক্তিৰ আত্মসংশোধনৰ প্রতি নির্দেশিত, যেনে— শুচি অর্থাৎ পৰিচ্ছন্নতা, দান ইত্যাদি। আনহাতে কিছুমান সদ্‌গুণে উচ্চ আৰু ব্যাপক দৃষ্টিভংগীৰ পোষকতা আনি দিয়ে, যেনে— সমত্ব আৰু কৰুণা। কামৰ পৰা ধর্ম পালনৰ প্রতি হোৱা উত্তৰণ হ'ল এজনৰ পৰিৱর্তে সকলো জীৱনৰ প্রতি প্রেম জাগ্রত কৰাৰ এটা প্রক্রিয়া।

ধর্মই মোক্ষ প্রাপ্তিৰ বাবে ব্যক্তিক প্রস্তুত কৰি তোলে। ধর্ম নিজই নিজৰ আধাৰ আৰু ভিত্তি। ধর্মক বেলেগ যৌক্তিক ভিত্তি নালাগে। সেয়েহে কোৱা হয় ধর্মৰতত্ত্ব লুকাই থাকে।

অর্থ, কাম আৰু ধর্ম এই তিনিটা পুৰুষার্থক একলেগে ত্রিবর্গ বুলি কোৱা হয়। এই তিনিটা পুৰুষার্থৰ পোষকতা কৰা দার্শনিকসকলক ত্রৈবর্গিক নামেৰে জনা যায়। কৌটিল্য আৰু বাৎসায়নক ত্রৈবর্গিক নামেৰে জনা যায়। কৌটিল্যই অর্থক সর্বোচ্চ স্থান প্রদান কৰিছে। অৱশ্যে অর্থ ধর্মৰ ভিত্তিত প্রতিষ্ঠিত হ'ব লাগে বুলিও তেওঁ উল্লেখ কৰিছে। বাৎসায়নৰ মতে তিনিওটা পুৰুষার্থৰ সাধন যি কৰিব পাৰিছে তেওঁ ইহলোকত আৰু পৰলোকত সর্বাধিক সুখী হ'বলৈ সমর্থ হ'ব। গতিকে তিনিওটা পুৰুষার্থৰ সমান আৰু সামঞ্জস্যপূর্ণ আহৰণে মানুহক আটাইতকৈ সুখী কৰি তোলে। যদি এই তিনিওটা লক্ষ্যৰ আহৰণ একে লগে সম্ভৱ হৈ উঠে তেন্তে যিকোনো দুটাৰ বাবে প্রযত্ন কৰিব লাগে। যদি সেইটোও সম্ভৱ নহয় তেন্তে যি কেনো এটাৰ বাবে প্রযত্নশীল

হ'ব লাগে। ইয়াৰ উপৰি বাৎসায়নে কৈছে যে অর্থ কামতকৈ শ্রেয় আৰু কাম ধর্মতকৈ শ্রেয়। গতিকে এইবিলাকৰ পাৰস্পৰিক সংঘাত উপস্থিত হ'লে দুটাৰ ভিতৰত যিটো শ্রেয় সেইটোকে আয়ত্ত কৰিবলৈ চেষ্টা কৰিব লাগে। তেওঁ পুনৰ সতর্ক কৰি থৈ গৈছে যে এইবিলাকৰ এটাৰ প্রতি অত্যাধিক প্রয়াসে বাকী দুটাৰ পৰা বঞ্চিত কৰিব পাৰে। উদাহৰণস্বৰূপে অত্যাধিক অর্থ আহৰণ কৰিবলৈ গৈ ধর্ম আৰু কামক বাদ দিয়া যাব পাৰে। গতিকে আধিক্য পৰিহাৰ কৰি সামঞ্জস্যপূর্ণ ভাবেহে তিনিওটাৰ বাবে প্রয়াস কৰিব লাগে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১১ ঃ ধর্মৰ অর্থ কি?

.....

প্রশ্ন নং ১২ ঃ ত্রৈবর্গিক আৰু চার্বাক দর্শনে মোক্ষৰ আদর্শত বিশ্বাস কৰেনে ?

.....

প্রশ্ন নং ১৩ ঃ সুখ সম্পর্কে বাৎসায়নৰ মতামত কি? (৩০টা শব্দৰ ভিতৰত লিখক)

.....

.....

প্রশ্ন নং ১৪ ঃ ধর্মই আকাংক্ষা আৰু অনুভূতিক দমন কৰাৰ ক্ষেত্রত পৰামর্শ আগবঢ়াই নেকি?

.....

প্রশ্ন নং ১৫ ঃ ধর্মৰ কাম-কাজত সহায় আগবঢ়োৱা কেইটিমান গুণৰ উল্লেখ কৰক।

.....

প্রশ্ন নং ১৬ ঃ বাৎসায়ন মতে কোনে এই পৃথিৱী আৰু স্বর্গত চৰম সুখ লাভ কৰে?

.....

প্রশ্ন নং ১৭ ঃ ধর্মৰ সমসত্ত্বটো কিয় লুকাই থকা বুলি বিবেচনা কৰা যায়?

.....

১১.৬ মোক্ষ

মোক্ষ হ'ল মানৱ জীৱনৰ চৰম পুৰুষার্থ। মোক্ষৰ অর্থ হ'ল মুক্তি। চার্বাকৰ বাহিৰে ভাৰতৰ সকলোবিলাক দার্শনিক সম্প্রদায়ে মোক্ষক চূড়ান্ত লক্ষ্য হিচাপে লয় । ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে ত্রৈবর্গিকসকলে মোক্ষক স্বীকৃতি দিয়া নাই। বিভিন্ন দার্শনিক সম্প্রদায়ে মোক্ষক অপবর্গ, কৈবল্য, নির্বাণ ইত্যাদি শব্দৰে সূচিত কৰিছে। প্রায় সকলোবিলাক দার্শনিক সম্প্রদায়ে মোক্ষক দুখ আৰু পুনর্জন্মৰ পৰা মুক্তিৰ একমাত্র উপায় বুলি স্বীকাৰ কৰি ল'লেও মোক্ষৰ স্বৰূপ আৰু ইয়াক প্রাপ্ত কৰাৰ উপায় সম্পর্কে তেওঁলোকৰ মাজত গভীৰ মত পার্থক্য আছে ।

বৌদ্ধ মত ঃ বুদ্ধই মোক্ষক নিৰ্বাণ বুলি উল্লেখ কৰিছে । নিৰ্বাণৰ স্বৰূপ সম্পৰ্কে তেওঁ বিশদ ভাবে বৰ্ণনা নকৰিলেও তেওঁৰ অন্যান্ন উপদেশসমূহ আৰু তেওঁৰ জীৱনলৈ লক্ষ্য কৰিলে আমি বুজিব পাৰো যে নিৰ্বাণ এনে এক অৱস্থা য'ত দুখ নাথাকে আৰু ইয়াক ইহ জগতত কৰ্ম, জ্ঞান আৰু প্ৰচেষ্টাৰ যোগদি প্ৰাপ্ত কৰিব পাৰি। বৌদ্ধ দৰ্শনৰ অন্তৰ্গত বৈভাষিক দাৰ্শনিক সম্প্ৰদায়ৰ মতে নিৰ্বাণ হ'ল জ্ঞানমূলক মানসিক প্ৰক্ৰিয়াৰ এক শৃংখল য'ত দুখ নাথাকে। আনহাতে সৌত্ৰান্তিক দাৰ্শনিক সম্প্ৰদায়ৰ মতে নিৰ্বাণ হ'ল বিষয়বস্তু শূন্য জ্ঞানমূলক মানসিক প্ৰক্ৰিয়াৰ এক শৃংখল। এই দুয়োটা দাৰ্শনিক সম্প্ৰদায়েই হীনযান ধৰ্মীয় সম্প্ৰদায়ৰ অন্তৰ্ভুক্ত। হীনযানৰ মুক্তিৰ ধাৰণা সংকীৰ্ণ। তেওঁলোকৰ মতে মানুহে কেৱল নিজৰ নিৰ্বাণৰ বাবেহে যত্ন কৰিব লাগে। সকলোৰে মুক্তিৰ বাবে চেষ্টা কৰাটো আদৰ্শ ৰূপে তেওঁলোকে লোৱা নাই। তেওঁলোকৰ মতে নিৰ্বাণ হ'ল এক দুখশূন্য নঞৰ্থক অৱস্থা, সদৰ্থকভাৱে তাত একো নাই। কিন্তু বুদ্ধৰ বহুবিলাক শিক্ষাৰ পৰা নিৰ্বাণ এক আনন্দপূৰ্ণ সদৰ্থক অৱস্থাৰূপেহে প্ৰতীয়মান হয়। মহাযানীসকলৰ নিৰ্বাণৰ আৰ্দশ ব্যাপক। তেওঁলোকে সকলোৰে মুক্তিৰ বাবে প্ৰয়াস কৰাৰ পোষকতা কৰে। বৌদ্ধ ভাববাদীসকলে নিৰ্বাণক স্থায়ী সত্তা ৰূপে আত্মাৰ ধাৰণাৰ বিনাশ বা পৰিত্যাগ আৰু আত্মাৰ স্বৰূপ ক্ষণস্থায়ী চেতনাৰ শৃংখল ৰূপে উপলব্ধি কৰাতেই নিহিত থাকে বুলি উল্লেখ কৰিছে। শূন্যবাদীসকলে নিৰ্বাণ আৰু সংসাৰ প্ৰকৃততে একেই বুলি উল্লেখ কৰিছে। দুয়োটাৰ বিভিন্নতা মাত্ৰ দৃষ্টিকোণৰ বিভিন্নতা। পাৰমাৰ্থিক দৃষ্টিকোণৰ পৰা নিৰ্বাণ আৰু সংসাৰক শুন্যতা বা পৰমসত্তা বুলি ধৰা হয়। শুন্যতা বা পৰমসত্তাক ভিন্ন মত অনুসৰি বেলেগ বেলেগকৈ আলোচনা কৰা হয়।

জৈন মত ঃ জৈন দৰ্শনৰ মতে কৰ্মই আত্মাত প্ৰবেশ কৰি আত্মাক কলুষিত কৰাৰ বাবেই বন্ধন আহি পৰে। জ্ঞান আহৰণ কৰি সেই জ্ঞানৰ আলমত চেষ্টাৰ জড়িয়তে নতুন কৰ্মৰ আত্মাত প্ৰবেশ ৰোধ কৰিব পাৰি। ইয়াক কোৱা হয় সম্বৰ। ইয়াৰ লগতে আগৰে পৰা আত্মাত প্ৰৱেশ কৰা কৰ্মৰ ক্ষয় বা বিনাশ ঘটাৰ লাগিব। ইয়াক কোৱা হয় নিৰ্জৰ। এনেকৈ কৰ্মক সম্পূৰ্ণৰূপে বিনাশ কৰি আত্মাৰ জ্ঞান আনন্দ আৰু শক্তিমান স্বৰূপক প্ৰাপ্ত কৰাটোৱেই মোক্ষ প্ৰাপ্তিৰ অৱস্থা। এই অৱস্থাত 'কেৱল জ্ঞান' বা অসীম জ্ঞান প্ৰাপ্ত কৰা যায় ।

বৈশেষিক আৰু ন্যায় দৰ্শনৰ মত ঃ বৈশেষিক দৰ্শনত মোক্ষ হ'ল দুখৰ সম্পূৰ্ণ বিনাশ। ই হ'ল আত্মাৰ প্ৰকৃত স্বৰূপক প্ৰাপ্ত কৰাটোকে বুজায়। আত্মা প্ৰকৃততে সকলো গুণৰ পৰা মুক্ত। চেতনাও আত্মাৰ আকস্মিক গুণহে। মোক্ষ হ'ল এক প্ৰকাৰৰ শূন্য বা ৰিক্ত অৱস্থা। সৎ আৰু অসৎ কৰ্মৰ ফল আত্মাত ধৰ্ম আৰু অধৰ্মৰ ৰূপত প্ৰবণতা ৰূপে বিদ্যমান হয়। ধৰ্ম, অধৰ্ম তথা আত্মাৰ আহৃত আকস্মিক গুণসমুহ বিনাশ কৰি দুখক সম্পূৰ্ণকৈ বিনাশ কৰাটোৱেই মুক্তি। বিহিত কৰ্ম আৰু তত্ত্ব জ্ঞান মুক্তিৰ বাবে সহায়ক। ন্যায় দৰ্শনেও বৈশেষিক দৰ্শনৰ মোক্ষৰ ধাৰণাক সমৰ্থন কৰে।

মীমাংসা দৰ্শনৰ মত ঃ পূৰ্ব মীমাংসা দৰ্শনত মোক্ষ হ'ল এক দুঃখশূন্য আৰু আকস্মিক গুণসমূহৰ পৰা মুক্ত এক অৱস্থা। ই ইচ্ছা, অনুভূতি, অভিজ্ঞতা আদিৰ পৰা মুক্ত এক অৱস্থা। জন্ম আৰু পুনৰ্জন্মৰ পৰা মুক্ত এই অৱস্থা স্বৰ্গ বা স্বৰ্গীয় সুখভোগ নহয় বৰং তাৰ ঊৰ্ধত।

সাংখ্য দর্শনৰ মত ঃ সাংখ্য দর্শনৰ মতে বন্ধন আৰু দুখৰ কাৰণ হ'ল চৈতন্যময় আত্মাই নিজকে জড় প্রকৃতিৰ লগত এক আৰু অভিন্ন বুলি ধাৰণা কৰাৰ ফলত। সাংখ্যদর্শনত অহংকাৰ হ'ল প্রকৃতি ৰ পৰিণাম যি 'অহং' বা 'মই'ৰ ধাৰণাটো আনি দিয়ে । কিন্তু স্বৰূপতে আত্মা অহংকাৰৰ পৰা পৃথক। বিবেক বা প্রকৃত জ্ঞানে আত্মাৰ স্বৰূপৰ জ্ঞান আনি দিয়ে। এনে জ্ঞানৰ জৰিয়তে মুক্তি বা মোক্ষ লাভ কৰা যায়। মুক্তিৰ অৱস্থা পুনর্জন্ম আৰু সকলো প্রকাৰৰ দুখৰ অন্ত পেলাই লাভ কৰা এক অৱস্থা।

বেদান্ত দর্শনৰ মত ঃ অদ্বৈত বেদান্ত দর্শনৰ মতে মোক্ষ হ'ল বহ্ম আৰু আত্মাৰ তাদাত্ম্য সম্বন্ধৰ উপলব্ধি। আত্মা আৰু ব্রহ্ম প্রকৃততে একে। জগতৰ অনৈক্য তথা বহুবিলাক সত্তা আৰু বহুবিলাক আত্মাৰ ধাৰণা প্রকততে অবভাস আৰু অবিদ্যা বা অজ্ঞানতাৰ বাবে সৃষ্টি। প্রকৃত জ্ঞান যেতিয়া উপলব্ধি কৰা যায় তেতিয়া গম পোৱা যায় যে আত্মা আৰু ব্রহ্ম অভিন্ন। এনে জ্ঞানৰ প্রাপ্তিয়েই মুক্তি আৰু পুনর্জন্ম, বন্ধন আৰু দুখৰ পৰা পোৱা পৰিত্রাণ। মোক্ষ হ'ল ব্রহ্ম আৰু আত্মাৰ ঐক্য আৰু অভিন্নতা। বিশিষ্টাদ্বৈত দর্শনৰ মতে জীৱাত্মা হ'ল ব্রহ্মাৰ অংশ। মুক্তিৰ পাছতো আত্মাৰ ব্রহ্মাৰ পৰা পৃথক অস্তিত্ব থাকে। বিশিষ্টাদ্বৈত দর্শনৰ মতে ভক্তিৰ জৰিয়তে মুক্তি লাভ কৰাটো সম্ভৱ।

জে এন মহান্তিৰ মত ঃ সাম্প্রতিক কালৰ দার্শনিক জে এন মহান্তিৰ মতে মোক্ষৰ বাবে দুটা পথ আছে। এটা হ'ল ধর্ম আৰু আনটো কাম। কামৰ মাধ্যমেদি মোক্ষক প্রাপ্ত কৰিবলৈ হ'লে আনন্দৰ অনুভুতিক কাব্য, সাহিত্য, সংগীত, কলা ইত্যাদিৰ মাধ্যমেদি উচ্চ পর্যায়ৰ নন্দনতাত্ত্বিক অভিজ্ঞতালৈ লৈ যাব লাগিব। অভিনৱগুপ্তই উল্লেখ কৰিছিল যে ৰসৰ আস্বাদনৰ যোগেদি অৱশেষত শান্ত ৰসৰ অভিজ্ঞতাৰ ৰূপত মোক্ষ প্রাপ্তি ঘটে। এই অৱস্থাই অহংকাৰ শূন্য অৱস্থালৈ মানুহক লৈ যায়। আনহাতে ধর্মৰ পথ আধ্যাত্মিক সাধনাৰ পথ। ই জগতৰ আঁৰত থকা আধ্যাত্মিক সত্তাক অনুধাবন কৰি অহংশূন্য স্থিতিৰ ফালে মানুহক লৈ যায়। মহান্তিযে ৰবীন্দ্র নাথক প্রথমটো পথৰ আৰু মহাত্মা গান্ধীক দ্বিতীয়টোৰ অনুগামী বুলি উদাহৰণ আগবঢ়াইছে । বিশ্বকবিৰ সাহিত্য সংগীত আৰু কলাৰ সাধনাত বিলীন হৈ পৰা আৰু গান্ধীজীৰ সত্য, অহিংসা আৰু প্রেমৰ মাজেদি মহান আত্মাত পৰিণত হোৱা ব্যক্তিত্ব মোক্ষৰ আদর্শৰ সাম্প্রতিক কালৰ বাস্তৱ নিদর্শন বুলিব পাৰি ।

জানি থোৱা ভাল



অভিনৱগুপ্তা ঃ ৯৮০ খ্রীঃব্দৰ কাশ্মীৰৰ এজন বিখ্যাত নন্দনতাত্ত্বিক। তেওঁ প্রত্যয়ভিজ্ঞা শৈৱিক স্কুলৰ অন্তর্ভুক্ত। তেওঁৰ ৰচিত গ্রন্থবোৰৰ ভিতৰত 'তন্ত্রলোক' গ্রন্থখন লেখত ল'বলগীয়া আৰু গুৰুত্বপূর্ণ।

চিন্তা-চর্চা কৰক ১১.২



ক) মোক্ষ মানে আপুনি কি বুজে? আলোচনা কৰক।

.....

.....

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১৮ ঃ ভাৰতীয় দর্শন সম্প্রদায়ে মোক্ষ সম্বন্ধে দিয়া ভিন্ন নামসমূহ কি?

.....

প্রশ্ন নং ১৯ ঃ ভাৰতীয় কোনটো দর্শন সম্প্রদায়ে মোক্ষ প্রাপ্তি এই জীৱনতে হয় বুলি মত দিয়ে?

.....

প্রশ্ন নং ২০ ঃ নির্বাণ প্রাপ্তিৰ বাবে জৈন সম্প্রদায়ে দিয়া পন্থাসমূহ কি কি?

.....

প্রশ্ন নং ২১ ঃ পোন প্রথমবাৰৰ বাবে 'শান্তৰস' শব্দটো কোনে ব্যৱহাৰ কৰে?

.....

প্রশ্ন নং ২২ ঃ ত্রৈবর্গিক আৰু চার্বাক দর্শনে মোক্ষ আদর্শত বিশ্বাস কৰেনে?

.....

প্রশ্ন নং ২৩ ঃ বৌদ্ধই নির্বাণৰ প্রকৃতি স্পষ্ট সম্পর্কে মত দিয়েনে?

.....

প্রশ্ন নং ২৪ ঃ হীনযান পন্থাই নির্বাণ প্রাপ্তিৰ সম্পর্কত মহাযান পন্থাৰ সৈতে একমত হয়নে?

.....

প্রশ্ন নং ২৫ ঃ জেন. এন. মহান্তিৰ মতে মোক্ষ লাভৰ পথ দুটা কি কি?

.....

১১.৭ চাৰি প্রকাৰৰ শাস্ত্র

ভাৰতীয় পৰম্পৰাত চাৰিটা পুৰুষার্থৰ লগত সম্পর্কযুক্ত চাৰি প্রকাৰৰ অধ্যয়নৰ বিষয় আছিল। সেইকেইটা হ'ল—

১। অর্থশাস্ত্র ঃ ই ৰাজনীতি আৰু অর্থনীতিৰ অধ্যয়ন।

২। কামসূত্র ঃ ই কাম আৰু কলাসমূহৰ সূত্র গ্রন্থ।

৩। ধর্মশাস্ত্র ঃ ই নৈতিকাৰ অধ্যয়ন।

৪। মোক্ষশাস্ত্র ঃ ই মুক্তি সম্পর্কীয় দার্শনিক অনুসন্ধান।

এই চাৰি প্রকাৰৰ অধ্যয়নৰ বিষয়ে এইটো নিশ্চিত কৰে যে চাৰিটা পুৰুষার্থ প্রাপ্তিৰ বাবে প্রণালীবদ্ধ প্রচেষ্টা আৰু বৌদ্ধিক প্রস্তুতিও যে আৱশ্যক সেই কথা উপলব্ধি কৰা হৈছিল আৰু অনুৰূপভাৱে বৌদ্ধিক পৰম্পৰাৰ সৃষ্টি হৈছিল ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২৬ ঃ ৰাজনীতি তথা অৰ্থনীতিৰ অধ্যয়নক ভাৰতীয় পৰম্পৰাত কি নাম দিয়া হৈছিল?

.....

প্ৰশ্ন নং ২৭ ঃ নৈতিকতাৰ অধ্যয়নক কি নাম দিয়া যায়?

.....

প্ৰশ্ন নং ২৮ ঃ চাৰি বিদ্যাই তত্ত্বগতজ্ঞানক অন্তৰ্ভুক্ত কৰেনে?

.....



১১.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অৰ্থ হ'ল সম্পদ। সম্পদ আহৰণৰ বাবে সমাজত আৰ্থিক আৰু বানিজ্যিক ব্যৱস্থা সমূহ প্ৰতিষ্ঠা কৰা অনুষ্ঠানৰ অৱস্থিতি আৱশ্যক। সম্পদ আহৰণ ন্যায়পূৰ্ণ ভাবে হ'ব লাগে। ই কেৱল নিজৰ কল্যাণৰ বাবেই নহয় বৰং সকলোৰে মংগলৰ বাবে হ'ব লাগে। ধৰ্ম আৰু কামৰ সাধনৰ বাবে অৰ্থৰ প্ৰয়োজন। অৰ্থৰ লগত ইচ্ছা আৰু কৰ্ম সম্বন্ধযুক্ত।
- সংকীৰ্ণ অৰ্থত কাম হ'ল জৈৱিক সুখ লাভৰ ইচ্ছা। ই শাৰীৰিক আৰু মানসিক প্ৰয়োজনীয়তাসমূহক প্ৰাধান্য দিয়ে। ব্যাপক অৰ্থত কামে সাহিত্য, সংগীত, কলা প্ৰভৃতি নন্দনতাত্ত্বিক অনুভবক সামৰি লয়।
- ধৰ্ম হ'ল নৈতিক প্ৰমূল্য। ই পৰিয়াল, সমাজ আৰু ৰাষ্ট্ৰৰ প্ৰতি থকা দায়িত্ব পালনক সামৰি লয়। বৈদিক অনুষ্ঠান, ঈশ্বৰৰ উপাসনাও ধৰ্মৰ এটা দিশ। ধৰ্মই সদগুণসমূহ আয়ত্ত কৰাত গুৰুত্ব দিয়ে । ই মোক্ষৰ সাধনৰ বাবে ব্যক্তিক প্ৰস্তুত কৰি তোলে ।
- মোক্ষ হ'ল মানৱ জীৱনৰ চৰম লক্ষ্য। ই দুখৰ পৰা পোৱা পৰিত্ৰাণ। মোক্ষৰ স্বৰূপ সম্পৰ্কে বিভিন্ন দাৰ্শনিকসকলে বিভিন্ন মত আগবঢ়াইছে। চাৰিটা পুৰুষাৰ্থৰ লগত সংগতি ৰাখি ভাৰতীয় পৰম্পৰাত চাৰি প্ৰকাৰৰ শাস্ত্ৰৰ সৃষ্টি হৈছিল।
- পুৰুষাৰ্থসমূহে মানৱজীৱনক অৰ্থপূৰ্ণ কৰি তুলিছে। এইবিলাক কেৱল প্ৰাচীন যুগৰ প্ৰমূল্য নহয় বৰং সাম্প্ৰতিক কালৰ বাবেও সমানেই প্ৰাসংগিক।



১১.৯ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

১) I. C. Sharma : *Ethical Philosophics of India*, George Allen & Unwin Ltd., London, 1965, Chapter iii & iv.

২) J. N. Mohanti : *Explomrtions in Philosophy*, Oxford University Press, New Delhi, 2001, Chapter IV.

৩) Purusottam Bilimoria : *Classical Indian Philosophy*, Oxford University Press New Delhi, 2002 Chapters IV, & VII.

৪) J. Prabhu & R. Sharma (ed.) : *India & Ethics*, Oxford University, New Delhi, 2008, Part-A,Chapter-III.

৫) S. Gopalan : *Hindu Social Philosophy*, Wiley Eastern Limited, New Delhi, 1979.



১১.১০ অগ্রগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ সম্পদ অৰু ভূমি।

২নং প্ৰশ্নৰ উত্তৰ ঃ নুবুজায়।

৩নং প্ৰশ্নৰ উত্তৰ ঃ ঘ) এজন ঈশ্বৰক উপাসনা কৰাৰ ওপৰতহে।

৪নং প্ৰশ্নৰ উত্তৰ ঃ নকৰে

৫নং প্ৰশ্নৰ উত্তৰ ঃ কৌটিল্যৰ মতে অৰ্থই সদ গুণ আৰু সুখৰ বিকাশ ঘটায়। অৰ্থাৎ ই সবাৰ্থ সিদ্ধি ঘটায়।

৬নং প্ৰশ্নৰ উত্তৰ ঃ কাম অথবা ইন্দ্ৰিয় নিষ্ঠ আকাংক্ষা।

৭নং প্ৰশ্নৰ উত্তৰ ঃ বাৎসায়নে, কামসমূত্ৰৰ বাবে চাৰ্বাক দৰ্শনৰ স্বসুখবাদক অস্বীকাৰ কৰে আৰু এই সময়তে সুখ, অৰ্থ আৰু গুণক মানৱ জীৱনৰ পৰম লক্ষ্য হিচাপে মানি লয়। তেওঁ মত দিয়ে যে অৰ্থ আৰু সুখক গুণৰ সৈতে একেদৰে গ্ৰহণ কৰা যায়। আৰু পৰম শ্ৰেয় বা শুভ উদ্ভৱ হ'ব যেতিয়া সুখ, অৰ্থ আৰু গুণৰ একেলগে থাকে।

৮নং প্ৰশ্নৰ উত্তৰ ঃ নহয়।

৯নং প্ৰশ্নৰ উত্তৰ ঃ চৌষষ্ঠি।

১০নং প্ৰশ্নৰ উত্তৰ ঃ নহয়।

১১নং প্ৰশ্নৰ উত্তৰ ঃ নৈতিক মূল্যতাৰ মৌলিক আৰু সংস্থাপনমূলক।

১২নং প্ৰশ্নৰ উত্তৰ ঃ কৌটিল্য আৰু বাৎসায়ন।

১৩নং প্ৰশ্নৰ উত্তৰ ঃ এজন ত্ৰৈবৰ্গিক সমৰ্থক হিচাপে বাৎসায়নে মত দিয়ে যে যেতিয়া অৰ্থ কাম আৰু ধৰ্মক একলেগে গ্ৰহণ কৰা হয় তেতিয়াই মানুহ এজনে ইহলোক আৰু পৰলোকত আহৰণ কৰাৰ পাছতো সৰ্বাধিক সুখী হ'বলৈ সমৰ্থ হ'ব।

১৪নং প্ৰশ্নৰ উত্তৰ ঃ নকৰে।

১৫নং প্রশ্নৰ উত্তৰ ঃ বিশুদ্ধতা, দান, মৌক্ষভাৱ, মমতা সদয়া বা সহানুভূতি।

১৬নং প্রশ্নৰ উত্তৰ ঃ এজন মানুহ যিয়ে অর্থ, কাম আৰু ধর্মৰ একেলগে পোষকতা কৰে।

১৭নং প্রশ্নৰ উত্তৰ ঃ ধর্মৰ কোনো আধাৰ বা ভোট নাই। ই স্ব আধাৰমূলক বা স্ব-ভিত্তিস্বৰূপ আৰু স্ব-বিচাৰমূলক।

১৮নং প্রশ্নৰ উত্তৰ ঃ নির্বাণ, কৈবল্য, অপবর্গ ইত্যাদি ।

১৯নং প্রশ্নৰ উত্তৰ ঃ বৌদ্ধ।

২০নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ বিশ্বাস, শুদ্ধ জ্ঞান, শুদ্ধ আচৰণ।

২১নং প্রশ্নৰ উত্তৰ ঃ অভিনৱ গুপ্তা।

২২নং প্রশ্নৰ উত্তৰ ঃ নহয়।

২৩নং প্রশ্নৰ উত্তৰ ঃ নহয়।

২৪নং প্রশ্নৰ উত্তৰ ঃ নহয়।

২২নং প্রশ্নৰ উত্তৰ ঃ দুটা।

২৬নং প্রশ্নৰ উত্তৰ ঃ অর্থশাস্ত্র।

২৭নং প্রশ্নৰ উত্তৰ ঃ ধর্মশাস্ত্র।

২৮নং প্রশ্নৰ উত্তৰ ঃ নিয়ম মতে অনুশীলনৰ ওপৰত গুৰুত্ব দিয়ে।



১১.১১ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (৫০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ কৌটিল্যৰ মতে পুৰুষার্থ হিচাপে অর্থৰ দুটা ভিন্ন অর্থ কি কি?

প্রশ্ন ২ ঃ ভাৰতীয় দর্শনত উল্লিখিত চাৰি প্রকাৰ মোক্ষ কি কি?

প্রশ্ন ৩ ঃ ভাৰতীয় পৰম্পৰাত পোৱা চাৰি প্রকাৰ মৌলিক শাস্ত্র কি কি ?

প্রশ্ন ৪ ঃ মোক্ষ মানে কি?

প্রশ্ন ৫ ঃ কামসূত্রৰ ৰচক কোন?

প্রশ্ন ৬ ঃ পুৰুষার্থ হিচাপে ধর্মৰ অর্থটো লিখক।

প্রশ্ন ৭ ঃ ত্রিবর্গত উল্লিখিত মানুহৰ জীৱনৰ লক্ষ্যকেইটা কি কি?

খ) চমু প্রশ্ন (১৫০-৩০০টা শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ চমুটোকা লিখক ঃ ক) অর্থ খ) কাম গ) ধর্ম ঘ) মোক্ষ বা মুক্তি

প্রশ্ন ২ ঃ কেনেকৈ জে. এন. মহান্তিয়ে অর্থৰ ধাৰণাটো ব্যাখ্যা কৰিছে চমুকৈ আলোচনা কৰক।

প্রশ্ন ৩ ঃ কাম এক পুৰুষার্থ হিচাপে মৰম তথা ভালপোৱাকৈ অতিক্রম কৰিব পাৰিনে? আপুনি কি ভাবে চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ মোক্ষৰ ধাৰণাটো সংক্ষেপে ব্যাখ্যা কৰক।

প্ৰশ্ন ৫ ঃ ভাৰতীয় পৰম্পৰাত অৰ্থক পুৰুষার্থৰ এক প্ৰকাৰ হিচাপে কৰা ধাৰণাটোৰ ক্ষেত্ৰত চমুকৈ বক্তব্য আগবঢ়াওক।

প্ৰশ্ন ৬ ঃ মহান্তি আৰু কৌটিল্যৰ অৰ্থ সম্পৰ্কে ধাৰণাৰ মাজত পাৰ্থক্য পোৱা যায়নে? ব্যাখ্যা আগবঢ়াওক।

প্ৰশ্ন ৭ ঃ ধৰ্মক মানুহে পৰম আদৰ্শ বা লক্ষ্য লৈ যোৱাৰ ক্ষেত্ৰত সহায় কৰেনে? চমুকৈ ব্যাখ্যা কৰক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ অৰ্থ বুলিলে কি বুজা যায়? অৰ্থ সম্বন্ধে কৌটিল্যৰ ধাৰণা ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ কেনেকৈ জে. এন. মহান্তিয়ে অৰ্থৰ ধাৰণাটো ব্যাখ্যা কৰিছে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ পুৰুষার্থ হিচাপে কাম বা ইচ্ছাৰ উদ্দেশ্যক ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ এটা নৈতিক আদৰ্শ হিচাপে ধৰ্মৰ স্বৰূপটো ব্যাখ্যা কৰক।

প্ৰশ্ন ৫ ঃ 'মোক্ষ' সম্বন্ধে ভাৰতীয় বিভিন্ন শাখাসমূহে দিয়া মতামতসমূহ আলোচনা কৰক।

* * * * *

অধ্যায় ১২ ঃ শাস্তিতত্ত্ব

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ অপৰাধ আৰু শাস্তিৰ ধাৰণা

১২.৪ শাস্তি সম্পৰ্কীয় মতবাদ

১২.৫ প্ৰতিষেধমূলক মতবাদ

১২.৬ সংশোধনমূলক মতবাদ

১২.৭ প্ৰতিশোধমূলক মতবাদ

১২.৮ প্ৰাণদণ্ড শাস্তিতত্ত্ব

১২.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১২.১০ অগ্ৰগতিৰ খতিয়ান

১২.১১ অধিক জানিবলৈ

১২.১২ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অপৰাধ আৰু শাস্তিৰ বিষয়ে আলোচনা কৰিব পাৰিব,
- প্ৰতিৰোধাত্মক বা নিষেধক মতবাদৰ বিৱৰণ দিব পাৰিব,
- সংশোধনাত্মক মতবাদৰ আলোচনা কৰিব পাৰিব,
- প্ৰতিকাৰাত্মক বা প্ৰতিশোধাত্মক মতবাদৰ আলোচনা আগবঢ়াব পাৰিব,
- শাস্তিতত্ত্ব সম্পৰ্কীয় মতবাদ সমূহৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰিব পাৰিব,
- ভিন্ ভিন্ শাস্তিতত্ত্ব সম্পৰ্কীয় মতবাদৰ আলোচনা কৰিব পাৰিব।

১২.২ পৰিচয়

শাস্তি সম্পৰ্কীয় মতবাদে শাস্তিক অমংগল বুলি স্বীকাৰ কৰে। মানুহে কৰা ভুলৰ পৰিণামৰ বাবে শাস্তি দিয়া হয়। এই শাস্তি হয়তো আইন সংগত বা ঐশ্বৰিক হব পাৰে। আইনসংগত ভাবে দিয়া শাস্তিক অপৰাধ বা পাপ বুলি কোৱা হয়। সমাজৰ পক্ষে ক্ষতিকৰ যিকোনো কাৰ্যকে অপৰাধ বোলা হয় আৰু এনে ধৰণৰ অপৰাধীকে শাস্তিপ্ৰদান কৰা হয়। অপৰাধীয়ে নৈতিক

নিয়মৰ অমান্য ফল স্বৰূপে শাস্তি অর্জন কৰে। ভাল কামৰ বাবে ভাল ফল পায়, আনহাতে অসৎ কর্মৰ বাবে সদায় বেয়া ফল পোৱা দেখা যায়। ন্যায়পৰায়ণতাৰ দাবীতেই অপৰাধীক শাস্তি দিয়া হয়। ন্যায় পৰায়ণতা অনুযায়ী শাস্তিৰ দুটা ৰূপ আছে— পৰিণাম সাপেক্ষ নীতিবিদ্যা (Teleological) আৰু আনটো পৰিণাম নিৰপেক্ষ নীতিবিদ্যা (deontological)। পৰিণাম সাপেক্ষ অনুযায়ী মানুহৰ ফল সদায় ভাল কর্মৰ ওপৰত নির্ভৰ কৰে। আনহাতে পৰিণাম নিৰপেক্ষ নীতিবিদ্যা মতে মানুহৰ ভাল কর্মৰ ওপৰত ফল নির্ভৰ নকৰে। পৰিণাম নিৰপেক্ষ দিশৰ পৰা প্রতিকাৰাত্মক মতবাদ আলোচনা কৰা হৈছে। আকৌ পৰিণাম সাপেক্ষ ফালৰ পৰা প্রতিৰোধক আৰু সংশোধনাত্মক মতবাদ আলোচনা কৰা হৈছে।

১২.৩ অপৰাধ আৰু শাস্তিৰ ধাৰণা

সাধাৰণ অর্থত কবলৈ হ'লে অপৰাধ হৈছে সমাজ বিৰোধী কার্যকলাপ। কিন্তু সকলো প্রকাৰৰ দোষ আকৌ অপৰাধ নহয়। যিবিলাক দোষ ৰাষ্ট্রৰ দ্বাৰা শাস্তিযোগ্য তাকেই অপৰাধ বুলি গণ্য কৰা হয়। উদাহৰণস্বৰূপে, অকৃতজ্ঞতা হ'ল পাপ। অকৃতজ্ঞতাৰ কাৰণে ৰাষ্ট্রই কোনো শাস্তি দিব নোৱাৰে। কিয়নো কোনোবাই যদি উপকাৰীৰ ওচৰত কৃতজ্ঞ নহয়, তেন্তে ৰাষ্ট্রই একো কৰিব নোৱাৰে, কিন্তু সমাজে নিশ্চয় এনে ব্যক্তিৰ নিন্দা কৰিব পাৰে। আনহাতে চুৰ কৰা হ'ল অপৰাধ কিয়নো ৰাষ্ট্রই চুৰ কৰিবলৈ নিষেধ কৰে আৰু চুৰিৰ কাৰণে শাস্তিও দিয়া হয়। ব্যাপক অর্থত, সমাজৰ পক্ষে ক্ষতিকৰ যিকোনো কার্যকে অপৰাধ বোলা হয়। আনহাতে সংকীর্ণ অর্থত, 'অপৰাধ' বুলি কলে সেই বোৰ আচৰণক বুজায়, যি ৰাষ্ট্র, সমাজ বা কোনো প্রতিষ্ঠানৰ আদেশ লংঘন কৰি অন্যায়ৰ সৃষ্টি কৰে।

অপৰাধৰ বাবে শাস্তি বিধান কৰা উচিত। ন্যায় পৰায়ণতাৰ দাবীতেই অপৰাধীক শাস্তি দিয়া হয়। মানুহৰ কর্মফল অনুযায়ী পুৰস্কৃত কৰা হয়। সৎ ব্যক্তি সৎ কার্যৰ বাবে পুৰস্কৃত হয়। একেদৰে অপৰাধীকও তেওঁৰ অপৰাধৰ বাবে শাস্তি প্রদান কৰা হয়। যেতিয়াই এজন মানুহে সামাজিক নিয়ম লংঘন কৰে তেতিয়া সমাজে অন্যায়কাৰিক শাস্তিবিধান কৰে। গতিকে শাস্তি হৈছে মানুহৰ আচৰণক নিয়ন্ত্রন কৰাৰ একমাত্র উপায়। সমাজৰ শান্তি-শৃংখলা সাব্যস্ত কৰাৰ উদ্দেশ্যে আইন অমান্যকাৰীক শাস্তি দি সমাজৰ অন্তর্গত মানুহৰ আচৰণক নিয়ন্ত্রন কৰাৰ ব্যৱস্থা কৰা হয়। অন্যায়কাৰীসকলে যদি শাস্তি নাপায়, তেওঁলোকক যদি সংযত কৰাৰ কোনো ব্যৱস্থা নাথাকিলহেঁতেন তেন্তে আমাৰ ন্যায় বোধৰ ক্ষেত্রত পীড়াদায়ক হোৱাৰ সম্ভাৱনা থাকে। সেয়েহে শাস্তি বিধানৰ প্রয়োজনীয়তা থাকিবই। শাস্তি সম্পর্কীয় বিভিন্ন মতবাদ আছে। এই শাস্তি সম্পর্কীয় মতবাদ সমূহ দুটা দিশত আলোচনা কৰা যায়— উপযোগিতা (Utilitarian) আৰু প্রতিকাৰাত্মক (Retributive)। উপযোগিতাবাদৰ ক্ষেত্রত অপৰাধীয়ে যাতে ভৱিষ্যতে আৰু ভুল নকৰে তাৰ বাবে শাস্তি দিয়া হয়। আনহাতে প্রতিকাৰাত্মক মতবাদ অনুযায়ী অপৰাধী শাস্তিৰ যোগ্য বাবে শাস্তি দিয়া হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ তলৰ বাক্যবোৰ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক ঃ

ক) আইন সংগতভাৱে শাস্তি দিয়া প্রথাক অপৰাধ বুলি কোৱা হয়। (শুদ্ধ/অশুদ্ধ)

খ) ধর্মতত্ত্বৰ বা ঈশ্বৰ তত্ত্ব ক্ষেত্রত শাস্তিক পাপ বুলি গণ্য কৰা হয়। (শুদ্ধ/অশুদ্ধ)

গ) ন্যায়পৰায়ণতা অনুযায়ী শাস্তিৰ দুটা দিশ হ'ল— পৰিণাম সাপেক্ষ (Teleological) আৰু পৰিণাম নিৰপেক্ষ নীতিবিদ্যা (Deontological)। (শুদ্ধ/অশুদ্ধ)

ঘ) পৰিণাম নিৰপেক্ষ নীতিবিদ্যাৰ মতে মানুহৰ কর্ম মানে ভাল বা শুদ্ধ কর্মৰ কথাকে বুজোৱা হয়। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ২ ঃ খালী ঠাই পূৰণ কৰক ঃ

ক) ..... মতে মানুহৰ ভাল কর্মৰ ওপৰত ফল নির্ভৰশীল নহয়।

খ) ..... মতে মানুহৰ ফল ভাল কর্মৰ ওপৰত নির্ভৰ কৰে।

গ) শাস্তি শব্দটো .....কৈ সংকীর্ণ অর্থত ব্যৱহাৰ কৰা হয়।

প্রশ্ন নং ৩ ঃ অপৰাধ কি?

.....

প্রশ্ন নং ৪ ঃ শাস্তি সম্পর্কীয় মতবাদ কেইটা কি? কি?

.....

.....



চিন্তা-চর্চা কৰক ১২.১

ক) অপৰাধ আৰু পাপৰ মাজত পার্থক্য আছেনে? আলোচনা কৰক।

.....

.....

.....

খ) 'অপৰাধ' শব্দটো পাপতকৈ সংকীর্ণ অর্থত ব্যৱহ্যৰ কৰা হয় নেকি? আপুনি কি ভাবে।

.....

.....

.....

১২.৪ শাস্তি সম্পর্কীয় মতবাদ

শাস্তি সম্পকীয় মতবাদ সমূহৰ ভিতৰত তিনিটি মতবাদকে মুখ্য বা প্রধান বুলি ধৰা হয়। এই কেইটা হ'ল—

১) প্রতিষেধমূলক মতবাদ (Preventive theory)

২) সংশোধনমূলক মতবাদ (The Educative theory)

৩) প্রতিশোধমূলক মতবাদ (The Rebributive theory)

এতিয়া উক্ত মতবাদকেইটি বিশদভাৱে আলোচনা কৰা হ'ল।

১২.৫ প্রতিশোধমূলক মতবাদ

এই মতবাদ অনুযায়ী শাস্তি দিয়াৰ উদ্দেশ্য হ'ল— অপৰাধীক এনে শাস্তি দিয়া উচিত যাতে অন্যবিলাক মানুহে এই ধৰণৰ অপৰাধ কৰিবলৈ সাহস নাপায়। এই মতবাদৰ ক্ষেত্রত এটি মর্মকথা সুস্পষ্টভাৱে প্রকাশ কৰা হয়। বাণীতি হ'ল— "তুমি ভেড়া চুৰ কৰিছা কাৰণে তোমাক শাস্তি দিয়া হোৱা নাই। তোমাক শাস্তি দিয়া হৈছে এই কাৰণে যে ভৱিষ্যতে যাতে আন কোনেও ভেড়া চুৰ নকৰে।" (You are not punished for stealing sheep; but in order that sheep may not be stolen) প্রতিষেধমূলক মতবাদৰ দুটা দিশ আছে— (ক) ব্যক্তিগত প্রতিষেধমূলক আৰু (খ) সার্বিক প্রতিষেধমূলক

ব্যক্তিগত প্রতিৰোধাত্মক মতবাদৰ ক্ষেত্রত এজন অপৰাধীক তেওঁ কৰা ভুলৰ বাবে শাস্তি দিয়া হয় । ব্যক্তিগত প্রতিৰোধাত্মক মতবাদৰ দুটা দিশ আছে প্রথমটো হ'ল— নির্দিষ্ট সময়লৈকে এজন অপৰাধীক জেলত ৰখা হয়,যাতে তেওঁ/তাই অন্য বেলেগ আৰু অপৰাধ কৰিব নোৱাৰে।

দ্বিতীয়টো হ'ল— অপৰাধীক শাস্তি দিয়াৰ উদ্দেশ্য নিজক সংশোধন কৰা বাবে নহয়, অন্যথা আনৰ কল্যাণৰ বাবে শাস্তি দিয়া হয়। আনহাতে, সার্বিক প্রতিৰোধাত্মক মতবাদৰ ক্ষেত্রত আনক অন্যায় কামৰ পৰা বিৰত ৰখাই অপৰাধীক শাস্তি দিয়াই হৈছে মূল উদ্দেশ্য। মানুহে দেখি শিকে, গতিকে কাৰোবাক যদি কোনো অপৰাধৰ কাৰণে শাস্তি দিয়া হয়, তেন্তে আনবিলাকে অপৰাধীৰ শাস্তি দেখি সেই অপৰাধ আৰু নকৰিব। এই মতবাদ অনুসাৰে শাস্তি হ'ব দৃষ্টান্তমূলক, যিটো দেখি অপৰাধপ্রবণ অন্যান্য মানুহে ভয় খাই সেই অপৰাধ আৰু নকৰিব।

এই মতবাদে অপৰাধীৰ প্রাণদণ্ড সমর্থন কৰে। ভৱিষ্যতে আৰু একেধৰণৰ অপৰাধ সংঘটিত নহ'বৰ কাৰণে মৃত্যুদণ্ড সমর্থন কৰে। উদাহৰণস্বৰূপে, যদি কোনো মানুহে হত্যাৰ অপৰাধ কৰে তেন্তে এনে অপৰাধ বন্ধ কৰা উচিত। এনে ক্ষেত্রত এই মতবাদে ক'ব বিচাৰে যে এনেকুৱা অপৰাধী আনকি জীয়াই থকাৰ অধিকাৰও নাই। সেয়েহে তেওঁক মৃত্যুদণ্ড দিব লাগে বুলি গণ্য কৰে। আচলতে শাস্তি দৃষ্টান্তমূলক হ'ব লাগে যাতে আনবিলাকে একে

ধৰণৰ অপৰাধ আৰু নকৰে। এই মতবাদ অনুযায়ী অপৰাধীক উদ্দেশ্য সাধনৰ উপায় (means) হিচাপে ব্যৱহাৰ কৰা হয়। কিন্তু এই মতবাদ সম্পূৰ্ণৰূপে গ্ৰহণযোগ্য নহয় কিয়নো ইয়াত অপৰাধ নিবাৰণৰ উপায় হিচাপে অপৰাধীক ব্যৱহাৰ কৰা হৈছে। কিয়নো অপৰাধীৰ যি ব্যক্তি সত্তা আছে সেয়া অস্বীকাৰ কৰাটো সহজ নহয়। এই প্ৰকাৰৰ শাস্তিত অপৰাধীৰ কল্যাণৰ কথা ভবা হোৱা নাই, আনৰ কল্যাণৰ কাৰণে যন্ত্ৰ হিচাপে তেওঁক ব্যৱহাৰ কৰা হৈছে। সেয়েহে দৃষ্টান্তমূলক শাস্তিৰ ভয়ত যে মানুহে অপৰাধমূলক কাৰ্যৰ পৰা বিৰত থাকিব তেনে নহয়। সেয়েহে মানুহৰ ভিতৰত নীতিবোধ জগাই তুলি অপৰাধমূলক কামৰ পৰা বিৰত ৰখাই অধিক গ্ৰহণযোগ্য বুলি স্বীকাৰ কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ তলৰ বাক্যবোৰ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক ঃ

ক) প্ৰতিষেধমূলক মতবাদৰ দুটা দিশ আছে—

১) ব্যক্তিগত প্ৰতিষেধমূলক ২) সাৰ্বিক প্ৰতিষেধমূলক

খ) প্ৰতিষেধমূলক মতবাদটোৱে প্ৰাণদণ্ডৰ বিষয়টো সমৰ্থন কৰে।



চিন্তা-চৰ্চা কৰক ১২.২

ক) আপুনি প্ৰতিষেধমূলক মতবাদক সমৰ্থন কৰেনে? আলোচনা কৰক।

.....

.....

.....

খ) প্ৰাণদণ্ডৰ বিষয়টো প্ৰতিষেধমূলক মতবাদত অনিবাৰ্য নেকি? আলোচনা কৰক।

.....

.....

.....



লেপ্ত'মেনিয়া ঃ ই একপ্ৰকাৰ মানসিক ৰোগ, এই ৰোগীৰ চুৰি কৰাৰ তীব্ৰ হেপাহ থাকে।

১২.৬ সংশোধনমূলক মতবাদ

এই মতবাদৰ সমৰ্থকসকলৰ মতে শাস্তিৰ উদ্দেশ্য হল অপৰাধীক সংশোধন কৰা। এই মত অনুযায়ী অপৰাধীক আনৰ কল্যাণৰ বাবে শাস্তি দিয়া নহয়। অপৰাধীয়ে যাতে ভবিষ্যতে নিজকে সংশোধন কৰিব পাৰে, নিজকে নৈতিক নিয়ম সম্পৰ্কে শিক্ষিত কৰি তুলিব পাৰে সেই কাৰণেহে তেওঁক শাস্তি দিয়া হয়। এই ক্ষেত্ৰত অপৰাধীৰ নিজৰ কল্যাণৰ কাৰণেহে শাস্তি দিয়া হয়। প্ৰতিৰোধাত্মক মতবাদৰ নিচিনাকৈ এই মতবাদে কিন্তু অপৰাধীৰ প্ৰাণদণ্ড সমৰ্থন নকৰে। কিয়নো সংশোধনাত্মক মতবাদ অনুযায়ী অপৰাধীক সংশোধন কৰাৰ বাবে শাস্তি দিয়া হয়। কিন্তু সকলো সময়তে শাস্তি দিলেও অপৰাধী সংশোধন নহ'বও পাৰে।

সেয়েহে শাস্তিৰ পৰিৱর্তে অপৰাধীক সংশোধন কৰা হয়। কিন্তু এইটো সত্য যে, সংশোধনাত্মক মতবাদে প্রাণদণ্ড সমর্থন যোগ্য নহয় বুলি স্বীকাৰ কৰে। সেয়েহে এই মতবাদটো শৰীৰ তত্ত্ববিদ (physiologists), সমাজ বিজ্ঞানী (sociologists) আৰু মনোবিজ্ঞানী (pscychologists)সকলে সমর্থন কৰে।

ক) শৰীৰতত্ত্ব বিজ্ঞানীসকলে সংশোধনাত্মক মতবাদ সমর্থন কৰে। এওঁলোকৰ মতে, যিকোনো অপৰাধেই এক ধৰণৰ মানসিক ৰোগ বা শাৰীৰিক কোনো বৈকল্যৰ ফলস্বৰূপ। সেয়েহে অপৰাধীক শাস্তি দিয়া অনুচিত। অন্যথা শাস্তিৰ পৰিৱর্তে তেঁওলোকৰ মানসিক, শাৰীৰিক ত্রুটিৰ চিকিৎসা কৰাহে দৰকাৰ। physiologistsসকলে কয় যে অপৰাধ নৈতিক নিয়মৰ স্বেচ্ছাকৃত লংঘন নহয়। শাৰীৰিক আৰু মানসিক ত্রুটিৰ বাবে ব্যক্তি অপৰাধ কার্যত লিপ্ত হ'ব লগাত পৰে। গতিকে এনেবোৰ অপৰাধীক শাস্তি দিয়া উচিত নহয়। তেওঁলোকক বৰঞ্চ মানসিক ৰোগৰ চিকিৎসালয়ত বা কোনো সংশোধনাগাৰত ভর্তি কৰাটো প্রয়োজনীয়। কিন্তু এদল অপৰাধী আছে যিয়ে ইচ্ছাকৃতভাৱে নৈতিক নিয়ম লংঘন কৰা দেখা যায়। এনে অপৰাধীসকল শাস্তিৰ যোগ্য। উদাহৰণস্বৰূপে আমি দোষীসকলৰ কথা উল্লেখ কৰিব পাৰো। কিছুমান ব্যৱসায়িয়ে অত্যাধিক লাভৰ কাৰণে খাদ্য দ্রব্য ভেজাল কৰে। গতিকে তেওঁলোক নিশ্চয় শাস্তিৰ যোগ্য।

খ) সমাজবিজ্ঞানীসকলেও সংশোধনাত্মক মতবাদ সমর্থন কৰে। তেওঁলোকৰ মতে, প্রতিকুল সামাজিক অৱস্থাৰ কাৰণে মানুহে অপৰাধ কৰে। সামাজিক বৈষম্য, মানুহৰ আর্থিক অসমর্থ, নানান সামাজিক দুর্নীতিয়ে মানুহক অপৰাধ কৰিবলৈ যেন বাধ্য কৰায়। উদাহৰণস্বৰূপে চুৰ কৰাটো অপৰাধ। আমাৰ বিধান অনুযায়ী চুৰ কৰি জীৱন নির্বাহ কৰা মানুহক শাস্তি দিয়া দেখা যায়। কিন্তু আমি ভালদৰে লক্ষ্য কৰিলে গম পাম যে চুৰ কৰাৰ প্রধান কাৰণ হ'ল আর্থিক দুর্বলতা। গতিকে সমস্ত অপৰাধৰ মূলতে হ'ল দৰিদ্র। সমাজ বিজ্ঞানী সকলে মন্তব্য কৰে যে অপৰাধ নুই কৰিবলৈ হ'লে সমাজে সাধাৰণ মানুহৰ আর্থিক অৱস্থাৰ উন্নতিৰ কথা ভাবিব লাগিব। গতিকে সাম্য ন্যায় আৰু মৈত্রিৰ ভিত্তিত যদি সমাজ গঢ়ি উঠে তেন্তে অপৰাধ লুপ্ত হ'ব পাৰে।

গ) মনোবিজ্ঞানী (pscychologists)সকলেও অপৰাধ সম্পর্কীয় সংশোধনাত্মক মতবাদ সমর্থন কৰে। তেওঁলোকৰ মতে অপৰাধ নৈতিক নিয়মৰ স্বেচ্ছাকৃত লংঘন নহয়। মানসিক ব্যাধিৰ বাবেহে অপৰাধ হোৱা দেখা যায়। সেয়েহে অপৰাধীক শাস্তি দিয়া অনুচিত। এওঁলোকক বৰঞ্চ মানসিক ৰোগৰ চিকিৎসালয়ত ভর্তি কৰাবহে লাগে। ফ্রয়েডৰ (Freud) মতে, অদমিত যৌন ইচ্ছাই অপৰাধৰ মূল কাৰণ। অপৰাধিক যৌন ইচ্ছা সম্পর্কে সচেতন কৰি

অপৰাধ প্ৰৱণতা দূৰ কৰিব পৰা যায়। সেয়েহে মনোবিজ্ঞানীসকলে অপৰাধীক শাস্তি দিয়াৰ পৰিৱৰ্তে তেওঁক শিক্ষা আৰু চিকিৎসা দিয়াহে উচিত ব্যৱস্থা বুলি গণ্য কৰে। এইটো সঁচা যে সংশোধনাত্মক মতবাদৰ ফলত অপৰাধীক কিছু পৰিমাণে হ'লেও সংশোধন কৰিব পৰা যায়। কিন্তু সকলো ক্ষেত্ৰতে এই মতবাদ গ্ৰহণ যোগ্য নহয়। কিয়নো সকলো অপৰাধীক শাৰীৰিক বা মানসিক বৈকল্যৰ ফল বুলি স্বীকাৰ কৰিব নোৱাৰি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ খালী ঠাই পূৰণ কৰক ঃ

ক) ..... মতে শাস্তিৰ উদ্দেশ্য হ'ল অপৰাধীক সংশোধন কৰা।

খ) সংশোধনমূলক মতবাদে ..... আইনসন্মত বুলি নাভাবে।

গ) ..... মতে অপৰাধ মানসিক ৰোগ বা উন্মত্ততাৰ ফলস্বৰূপ।



চিন্তা-চৰ্চা কৰক ১২.৩

ক) সংশোধনমূলক মতবাদে প্ৰাণদণ্ড সমৰ্থন কৰেনে? আলোচনা কৰক।

.....

.....

.....

.....

খ) সংশোধনমূলক মতবাদ সম্পূৰ্ণৰূপে গ্ৰহণযোগ্য হয় নে? আলোচনা কৰক।

.....

.....

.....

.....

১২.৭ প্ৰতিশোধমূলক মতবাদ

এই মতবাদ অনুসাৰে অপৰাধীক জানিব দিব লাগিব যে তেওঁ কৰা অপৰাধৰ ফলত কেৱল আনৰে যে দুৰ্ভোগ হ'ব এনে নহয়, নিজেও দুৰ্ভোগ ভুগিব লাগিব। সেয়েহে অপৰাধীয়ে অপৰাধৰ ফল ভোগ কৰিবই লাগিব। এই মত অনুযায়ী শাস্তি হ'ল ন্যায়পৰায়ণতাৰ ব্যৱহাৰিক প্ৰয়োগ। নৈতিক নিয়ম লংঘন কৰিলে অপৰাধীয়ে শাস্তি পোৱা উচিত। সেয়েহে ন্যায়বোধে দাবী কৰে যে অপৰাধীয়ে তেওঁৰ অপৰাধৰ দ্বাৰা নৈতিক নিয়ম ভংগ কৰাৰ বাবে তেওঁ

শাস্তিৰ যোগ্য। আনহাতে সমাজৰ নিয়ম লংঘন কৰাৰ বাবে কোনো ধৰণৰ শাস্তি নাথাকিলে মানুহে নিয়ম মানিবলৈ অবাধ্য হব। গতিকে নৈতিক নিয়ম অমান্য কৰা মানুহ শাস্তিৰ যোগ্য। আকৌ অপৰাধ কৰি যদি অপৰাধীয়ে শাস্তি নাপায় তেন্তে নৈতিক নিয়মৰ সার্বভৌমত্ব আৰু বাধ্যবাধকতা নাথাকিব। সেয়েহে অপৰাধীয়ে যি নৈতিক নিয়মৰ আঘাত কৰে সেই নিয়ম পুনৰ প্রতিষ্ঠিত কৰাৰ কাৰণে অপৰাধীক শাস্তিৰ প্রয়োজন হয়। প্রতিশোধমূলক মতবাদে অৱস্থা বিশেষে প্রাণদণ্ডও সমর্থন কৰে। এই মতবাদ মতে অপৰাধীয়ে যেতিয়া কাৰোবাক হত্যা কৰে তেনে ক্ষেত্রত ন্যায়পৰায়ণতাই দাবী কৰে যে অপৰাধী জীয়াই থকাৰ কোনো অধিকাৰ নাই।



কাণ্ট ঃ (১৭২৪-১৮০৪) ইমানুৱেল। জার্মান দার্শনিক।

ব্রেডলি ঃ (১৮৪৬-১৯২৪) ফ্রান্সিচ হার্বাট, ভাববাদী দার্শনিক।

হেগেল ঃ (১৭৭০-১৮৩১) জর্জ উইলহেল্ম ফ্রেডৰিচ, জার্মান ভাববাদী।

প্রতিশোধমূলক মতবাদটি এৰিষ্টটলে (Aristotle), ***কাণ্ট*** (Kant), আৰু ***ব্রেডলি***য়েও (Bradlee) সমর্থন কৰে। এৰিষ্টটলৰ মতে মানুহে অপৰাধ মূলক কামত লিপ্ত হ'লে তেওঁক নঞার্থক পুৰস্কাৰ দিয়া হয়। অপৰাধীয়ে নৈতিক নিয়ম ভংগ কৰে বাবে তেওঁ পুৰস্কাৰৰ অধিকাৰী হয় আৰু এই পুৰস্কাৰ হ'ল— নেতিবাচক পুৰস্কাৰ। কাণ্টৰ মতে অপৰাধীয়ে নৈতিক নিয়ম ভংগ কৰিলে তেওঁ শাস্তিৰ যোগ্য হ'বই। অপৰাধীয়ে কেতিয়াও আনৰ হিত চিন্তা নকৰে। সেয়েহে কাণ্টে কয় যে শাস্তি অপৰাধীৰ বা সমাজৰ কল্যাণৰ কাৰণে নহয় ৰৰঞ্চ শাস্তিৰ কাৰণেই শাস্তি দিয়া আৱশ্যক। ***হেগেলে*** (Hegel) কৈছে যে অপৰাধীয়ে তেওঁৰ দুষ্কর্মৰ বাবে শাস্তি অর্জন কৰে। শাস্তি হ'ল কৃতকর্মৰ পুৰস্কাৰ। ব্রেডলিৰ মতে নৈতিক নিয়মৰ মর্যাদা বজাই ৰাখিবলৈ শাস্তিৰ প্রয়োজন হয়।

প্রতিশোধমূলক মতবাদৰ দুটা ৰূপ আছে—(ক) কঠোৰ (Rigoristic) আৰু (খ) কোমল বা লঘু (Mollified)।

ক) কঠোৰ প্রতিশোধমূলক মতবাদ অনুসাৰে অপৰাধৰ গুৰুত্ব অনুযায়ী শাস্তি বিধান কৰা উচিত। অপৰাধ কম হ'লে শাস্তিও কম ধৰণৰ হ'ব লাগে আৰু অপৰাধ যদি গুৰুতৰ হয় তেন্তে শাস্তিও কঠোৰ হোৱা উচিত। যদিহে অপৰাধীয়ে কাৰোবাৰ প্রাণ নাশ কৰে তেন্তে সেইজন অপৰাধীকো প্রাণদণ্ড লাগে বুলি গণ্য কৰা হয়। শাস্তি সম্বন্ধীয় এই মতবাদটি বিশেষকৈ আদিম যুগৰ Judeo-christian Bibleত পোৱা যায়। "হত্যাৰ সলনি হত্যা", যেনেকৈ "চকুৰ সলনি চকু", "দাতৰ সলনি দাত" (an eye for an eye, a tooth for a tooth) —এয়া হ'ল কঠোৰ প্রতিশোধমূলক মতবাদৰ মূল নীতি।

খ) আনহাতে, কোমল প্রতিশোধমূলক মতবাদ অনুযায়ী শাস্তি দিয়াৰ ক্ষেত্রত অপৰাধীৰ পৰিস্থিতিৰ বুজ লোৱাৰ দৰকাৰ বুলি গণ্য কৰা হয়। অর্থাৎ অপৰাধৰ লগত যিবিলাক পাৰিপার্শ্বিক অৱস্থা যুক্ত হৈ থাকে, সেই বিলাক বিবেচনা কৰি অপৰাধীৰ শাস্তিৰ মাত্রা ঠিক কৰিব লাগে। কোন অৱস্থাত অপৰাধ সংঘটিত

হৈছে, অপৰাধ অনুষ্ঠানৰ সময়ত অপৰাধীৰ মানসিক অৱস্থা, অপৰাধীৰ বয়স, অপৰাধীৰ অভিপ্রায় ইত্যাদি অৱস্থা সমূহ বিচাৰ কৰি অপৰাধীক শাস্তি দিব লাগে বুলি এই মতবাদে অভিমত দাঙি ধৰে। কঠোৰ প্রতিৰোধমূলক মতবাদৰ দৰে এই মতবাদে অপৰাধীয়ে কাৰোবাৰ প্রাণ নাশ কৰিলে অপৰাধীয়ে প্রাণ দিব লাগে বুলি নাভাবে।

শাস্তি সম্পর্কীয় উক্ত তিনিটি মতবাদৰ ভিতৰত প্রতিশোধমূলক মতবাদৰ কোমল ৰূপটোকে সন্তোষজনক আৰু গ্রহণযোগ্য বুলি স্বীকাৰ কৰা হয়। প্রতিশোধমূলক মতবাদৰ প্রধান বৈশিষ্ট্য হৈছে— শাস্তি হ'ল ন্যায়পৰায়নতাৰ ব্যৱহাৰিক প্রয়োগ। অপৰাধীয়ে নৈতিক নিয়ম লংঘন কৰি যি পাপ কৰে তাৰ বিনিময়ত তেওঁ শাস্তি ভুগিবই লাগিব। সেয়েহে প্রতিশোধমূলক মতবাদটি অন্য দুটি মতবাদতকৈ অধিক গ্রহণ যোগ্যবুলি স্বীকাৰ কৰা হয়। মেকেঞ্জীয়েও (Mekenzie) কৈছে যে সংশোধনমূলক মতবাদে (নিজৰ কল্যাণৰ কাৰণে শাস্তি দিয়া হয়) নাইবা প্রতিষেধমূলক মতবাদে (আনৰ কল্যাণৰ কাৰণে শাস্তি হয়) নৈতিক নিয়মৰ ওপৰত গুৰুত্ব দিয়া দেখা নাযায়। কেৱল প্রতিশোধমূলক মতবাদেহে নৈতিক নিয়মৰ ওপৰত গুৰুত্ব দি শাস্তি প্রদান কৰে। যাৰ কাৰণে এই মতবাদ অধিক গ্রহণযোগ্য বুলি মতপোষণ কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ তলৰ বাক্যবোৰ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক ঃ

ক) প্রতিশোধমূলক মতবাদে প্রাণদণ্ড সমর্থন কৰে। (শুদ্ধ/অশুদ্ধ)

খ) প্রতিশোধমূলক মতবাদ অনুযায়ী শাস্তি দিয়াৰ উদ্দেশ্য হ'ল নৈতিক নিয়মৰ মর্যাদা বজাই ৰখা। (শুদ্ধ/অশুদ্ধ)

গ) এৰিষ্টটল, কাণ্ট, হেগেল আৰু ব্রেডলি প্রতিশোধমূলক মতবাদৰ সমর্থক। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ৮ ঃপ্রতিশোধমূলক মতবাদৰ দুটা ৰূপ কি? কি?

.....

প্রশ্ন নং ৯ ঃকোমল প্রতিশোধমূলক মতবাদ কি?

.....

.....

প্রশ্ন নং ১০ ঃ প্রতিশোধমূলক মতবাদৰ Motto মানে কি বুজে?

.....



চিন্তা-চর্চা কৰক ১২.৪

ক) আপুনি প্রতিশোধমূলক মতবাদটি সমর্থন কৰেনে? আলোচনা কৰক।

.....

.....

.....

খ) প্রাণদণ্ড মতবাদটি প্রতিশোধমূলক মতবাদত অনুমোদন কৰা হয়নে? আলোচনা কৰক।

.....

.....

.....

১২.৮ প্রাণদণ্ড সমর্থন যোগ্যনে?

প্রাণদণ্ড বুলিলে অপৰাধীক শাস্তি হিচাপে মৃত্যুদণ্ড দিয়াকে বুজায়। শাস্তি হিচাপে প্রাণদণ্ড দিয়া বিষয়টোক লৈ বিতর্কৰ সৃষ্টি হয় কিয়নো বহুতে প্রাণদণ্ড দিয়াটো সমর্থন নকৰে। আনহাতে আমাৰ ভাৰতবর্ষতে বহুতে আকৌ প্রাণদণ্ড দিয়াটো গ্রহণ যোগ্য বুলি মানি লয়। প্রাণদণ্ডৰ বিপক্ষে যিয়ে মত প্রকাশ কৰিছে তেওঁলোকৰ মতে মানুহে জন্মতে অপৰাধী হিচাপে জন্ম গ্রহণ নকৰে। কোনো ব্যক্তিয়ে যেতিয়া হত্যা জাতীয় অপৰাধ কৰে, তেতিয়া তেওঁ সামাজিকভাৱে নিজৰ বিচাৰ বিবেচনাৰ ওপৰত কর্তৃত্ব হেৰুৱাই পেলায়। শীতল মগজুৰে কোনেও কাকো হত্যা কৰিব নোৱাৰে। সেয়েহে আমি চালি-জাৰি চোৱা উচিত যে কিয় তেওঁ এনেকুৱা অপৰাধ বাছি ল'বলগীয়া হ'ল। নিশ্চয় তাত কাৰণ থাকিবই। অভাৱেই মানুহৰ স্বভাৱ নষ্ট কৰে। এই ক্ষেত্রতো অপৰাধীৰ শিক্ষাৰ অভাৱ, সুস্থ পৰিবেশ আৰু অভিভাৱকৰ অভাৱৰ ফলতেই হয়তো এনে কর্ম কৰিবলৈ বাধ্য হয়।

শাস্তি হিচাপে প্রাণদণ্ড দিয়া বিষয়টোক লৈ হোৱা বিতর্কৰ ক্ষেত্রত সংশোধনমূলক আৰু কোমল প্রতিশোধমূলক মতবাদৰ কথা উল্লেখ কৰিব পৰা যায়। সংশোধনমূলক মতবাদ অনুযায়ী অপৰাধীৰ চৰিত্র সংশোধন কৰাই শাস্তিদানৰ মূল উদ্দেশ্য। সেয়েহে এই মতবাদে প্রাণদণ্ড দিয়াটো সমর্থন নকৰে। এই মতবাদ মতে যদি অপৰাধীক মৃত্যুদণ্ড দিয়া হয় তেন্তে অপৰাধীৰ চৰিত্র সংশোধন কৰা সম্ভৱপৰ নহয়।

কোমল প্রতিশোধমূলক মতবাদে শাস্তি হিচাপে প্রাণদণ্ড দিয়াটো সমর্থন নকৰে। এই মতবাদ মতে অপৰাধীক শাস্তি দিয়াৰ ক্ষেত্রত অপৰাধীৰ মানসিক অৱস্থাৰ বুজ লোৱাৰ দৰকাৰ হৈ পৰে। সেয়েহে বর্তমান সময়ত এই দুয়োটা মতবাদক অধিক গ্রহণযোগ্য বুলি স্বীকাৰ কৰা হয়।



১২.৯ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

- ন্যায় পৰায়ণতা অনুযায়ী শাস্তিৰ দুটা ৰূপ আছে— পৰিণাম সাপেক্ষ নীতিবিদ্যা। (Teleological) আৰু আনটো পৰিণাম নিৰপেক্ষ নীতিবিদ্যা (deontological)
- পৰিণাম সাপেক্ষ অনুযায়ী মানুহৰ ফল সদায় ভাল কর্মৰ ওপৰত নির্ভৰ কৰে। আনহাতে পৰিণাম নিৰপেক্ষ নীতিবিদ্যা মতে মানুহৰ ভাল কর্মৰ ওপৰত ফল নির্ভৰ নকৰে। পৰিণাম নিৰপেক্ষ দিশৰ পৰা প্রতিকাৰাত্মক মতবাদ আলোচনা কৰা হৈছে। আকৌ পৰিণাম সাপেক্ষ ফালৰ পৰা প্রতিৰোধক আৰু সংশোধনাত্মক মতবাদ আলোচনা কৰা হৈছে।
- শাস্তি সম্পর্কীয় মতবাদসমূহ দুটা দিশত আলোচনা কৰা যায়— উপযোগিতা (Utilitarian) আৰু প্রতিকাৰাত্মক (Retributive)। উপযোগিতাবাদৰ ক্ষেত্রত অপৰাধীয়ে যাতে ভৱিষ্যতে আৰু ভুল নকৰে তাৰ বাবে শাস্তি দিয়া হয়। আনহাতে প্রতিকাৰাত্মক মতবাদ অনুযায়ী অপৰাধী শাস্তিৰ যোগ্য বাবে শাস্তি দিয়া হয়।
- প্রতিষেধমূলক মতবাদ অনুযায়ী শাস্তিৰ উদ্দেশ্য হ'ল— অপৰাধীক এনে শাস্তি দিয়া উচিত যাতে অন্যবিলাক মানুহে এই ধৰণৰ অপৰাধ কৰিবলৈ সাহস নাপায়।
- এই মতবাদৰ বাণীটি হ'ল— "তুমি ভেড়া চুৰ কৰিছা কাৰণে তোমাক শাস্তি দিয়া হোৱা নাই। তোমাক শাস্তি দিয়া হৈছে এই কাৰণে যে ভৱিষ্যতে যাতে আন কোনেও ভেড়া চুৰ নকৰে।" এই মতবাদৰ দুটা দিশ আছে— (ক) ব্যক্তিগত প্রতিষেধমূলক আৰু (খ) সার্বিক প্রতিষেধমূলক
- সংশোধনমূলক মতবাদৰ মতে শাস্তিৰ উদ্দেশ্য হ'ল অপৰাধীক সংশোধন কৰা নতুবা শিক্ষাৰ সুবিধা প্রদান কৰা।
- সংশোধনমূলক মতবাদে অপৰাধীৰ প্রাণদণ্ড সমর্থন নকৰে। কিয়নো সংশোধনাত্মক মতবাদ অনুযায়ী অপৰাধীক সংশোধন কৰাৰ বাবে শাস্তি দিয়া হয়। কিন্তু সকলো সময়তে শাস্তি দিলেও অপৰাধী সংশোধন নহ'বও পাৰে। সেয়েহে শাস্তিৰ পৰিৱর্তে অপৰাধীক সংশোধন কৰা হয়।
- প্রতিশোধমূলক মত অনুযায়ী শাস্তি হ'ল ন্যায়পৰায়ণতাৰ ব্যৱহাৰিক প্রয়োগ।
- প্রতিশোধমূলক মতবাদ অনুসাৰে অপৰাধীক জানিব দিব লাগিব যে তেওঁ কৰা অপৰাধৰ ফলত কেৱল আনৰে যে দুর্ভোগ হ'ব এনে নহয়, নিজেও দুর্ভোগ ভুগিব লাগিব। সেয়েহে অপৰাধীয়ে অপৰাধৰ ফল ভোগ কৰিবই লাগিব। নৈতিক নিয়ম লংঘন কৰিলে অপৰাধীয়ে

শাস্তি পোৱা উচিত। সেয়েহে ন্যায়বোধে দাবী কৰে যে অপৰাধীয়ে তেওঁৰ অপৰাধৰ দ্বাৰা নৈতিক নিয়ম ভংগ কৰাৰ বাবে তেওঁ শাস্তিৰ যোগ্য।

- প্রতিশোধমূলক মতবাদৰ দুটা ৰূপ আছে– (ক) কঠোৰ (Rigoristic) আৰু (খ) কোমল বা লঘু (Mollified)। কঠোৰ প্রতিশোধমূলক মতবাদ অনুসাৰে অপৰাধৰ গুৰুত্ব অনুযায়ী শাস্তি বিধান কৰা উচিত। আনহাতে, কোমল প্রতিশোধমূলক মতবাদ অনুযায়ী শাস্তি দিয়াৰ ক্ষেত্রত অপৰাধীৰ পৰিস্থিতিৰ বুজ লোৱাৰ দৰকাৰ বুলি গণ্য কৰা হয়। অর্থাৎ অপৰাধৰ লগত যিবিলাক পাৰিপার্শ্বিক অৱস্থা যুক্ত হৈ থাকে, সেই বিলাক বিবেচনা কৰি অপৰাধীৰ শাস্তিৰ মাত্রা ঠিক কৰিব লাগে।কোন অৱস্থাত অপৰাধ সংঘটিত হৈছে, অপৰাধ অনুষ্ঠানৰ সময়ত অপৰাধীৰ মানসিক অৱস্থা, অপৰাধীৰ বয়স, অপৰাধীৰ অভিপ্রায় ইত্যাদি অৱস্থা সমূহ বিচাৰ কৰি অপৰাধীক শাস্তি দিব লাগে বুলি এই মতবাদে অভিমত দাঙি ধৰে।
- মেকেঞ্জীয়েও (Mekenzie) কৈছে যে সংশোধনমূলক মতবাদে (নিজৰ কল্যাণৰ কাৰণে শাস্তি দিয়া হয়) নাইবা প্রতিষেধমূলক মতবাদে (আনৰ কল্যাণৰ কাৰণে শাস্তি হয়) নৈতিক নিয়মৰ ওপৰত গুৰুত্ব দিয়া দেখা নাযায়। কেৱল প্রতিশোধমূলক মতবাদেহে নৈতিক নিয়মৰ ওপৰত গুৰুত্ব দি শাস্তি প্রদান কৰে। যাৰ কাৰণে এই মতবাদ অধিক গ্রহণযোগ্য বুলি মতপোষণ কৰা হয়।



১২.১০ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) ড° জ্যোৎস্না ভট্টাচার্য্য —*নীতিবিজ্ঞান*

২) ড° গিৰিশ বৰুৱা —*নীতিবিজ্ঞান*

৩) ড° কালিচৰণ দাস —*নীতিবিজ্ঞান*

১২.১১ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ ক) শুদ্ধ খ) শুদ্ধ গ) শুদ্ধ ঘ) শুদ্ধ

২নং প্রশ্নৰ উত্তৰ ঃ

ক) পৰিণাম নিৰপেক্ষ নীতিবিদ্যা

খ) পৰিণাম সাপেক্ষ নীতিবিদ্যা

৩নং প্রশ্নৰ উত্তৰ ঃ সাধাৰণ অর্থত অপৰাধ হৈছে সমাজবিৰোধী কার্য কলাপ।

৪নং প্রশ্নৰ উত্তৰ ঃ শাস্তি সম্পৰ্কীয় তিনিপ্ৰকাৰৰ মতবাদ হ'ল--

ক) প্ৰতিৰোধাত্মক মতবাদ

খ) সংশোধাত্মক মতবাদ

গ) প্ৰতিকাৰাত্মক মতবাদ

৫নং প্রশ্নৰ উত্তৰ ঃ ক) শুদ্ধ খ) শুদ্ধ

৬নং প্রশ্নৰ উত্তৰ ঃ ক) প্ৰতিষেধমূলক মতবাদ

খ) প্ৰাণদণ্ড শাস্তি

গ) মনোবিজ্ঞানী

৭নং প্রশ্নৰ উত্তৰ ঃ ক) শুদ্ধ খ) শুদ্ধ গ) শুদ্ধ

৮নং প্রশ্নৰ উত্তৰ ঃ কোমল আৰু কঠোৰ শাস্তি।

৯নং প্রশ্নৰ উত্তৰ ঃ কোমল প্ৰতিশোধাত্মক মতবাদ অনুযায়ী অপৰাধীক শাস্তি দিয়াৰ ক্ষেত্ৰত অপৰাধীৰ পৰিস্থিতিৰ বুজ লোৱাৰ প্ৰয়োজন হয়।

১০নং প্রশ্নৰ উত্তৰ ঃ প্ৰতিশোধমূলক মতবাদৰ উদ্দেশ্য হ'ল নৈতিক নিয়ম ৰক্ষা কৰা।



১২.১২ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (৫০টা শব্দৰ ভিতৰত)

প্রশ্ন নং ১ ঃ পৰিমাণ সাপেক্ষে নীতিবিদ্যা কি?

প্রশ্ন নং ২ ঃ শাস্তিতত্ত্বৰ মূল তিনিটা তত্ত্ব কি কি?

প্রশ্ন নং ৩ ঃ প্ৰতিশোধমূলক শাস্তিতত্ত্ব কি?

প্রশ্ন নং ৪ ঃ প্ৰতিশোধমূলক শাস্তিতত্ত্বৰ লক্ষ্য কি?

প্রশ্ন নং ৫ ঃ কোমল প্ৰতিশোধমূলক মতবাদ কি?

প্রশ্ন নং ৬ ঃ প্ৰতিশোধমূলক তত্ত্বৰ দুটা প্ৰকাৰ কি কি?

খ) চমু প্রশ্ন (১৫০-৩০০টা শব্দৰ ভিতৰত)

প্রশ্ন নং ১ ঃ চমুটোকা লিখক—

ক) প্ৰাণদণ্ড শাস্তি

খ) প্ৰতিষেধমূলক মতবাদ

গ) সংশোধনমূলক মতবাদ

ঘ) প্ৰতিশোধমূলক মতবাদ

ঙ) অপৰাধ আৰু শাস্তি

চ) কোমল প্ৰতিশোধমূলক মতবাদ

ছ) কঠোৰ প্ৰতিশোধমূলক মতবাদ

প্রশ্ন নং ২ ঃ প্রতিৰোধমূলক তত্ত্ব সম্পর্কে চমুকৈ লিখক।

প্রশ্ন নং ৩ ঃ শাস্তিৰ সংশোধনমূলক তত্ত্ব কি? চমুকৈ ব্যাখ্যা আগবঢ়াওক।

প্রশ্ন নং ৪ ঃ প্রতিৰোধমূলক তত্ত্বৰ চমু বিৱৰণ আগবঢ়াওক।

প্রশ্ন নং ৫ ঃ প্রতিৰোধমূলক তত্ত্বৰ প্রকাৰ কি কি? আপুনি কোনটো পছন্দ কৰে চমুকৈ আলোচনা কৰক।

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত)

প্রশ্ন নং ১ ঃ অপৰাধ কি? অপৰাধ আৰু পাপৰ মাজত পার্থক্য আছে নেকি? নিৰূপন কৰক।

প্রশ্ন নং ২ ঃ শাস্তি সম্পর্কীয় মতবাদ কেইটা কি? কি? প্রতিশেষমূলক মতবাদটি আলোচনা কৰক। এই মতবাদটি গ্রহণযোগ্যনে?

প্রশ্ন নং ৩ ঃ সংশোধমূলক মতবাদটি আলোচনা কৰক। এই মতবাদটো সমর্থন যোগ্যনে?

প্রশ্ন নং ৪ ঃ প্রতিশোধমূলক মতবাদটি আলোচনা কৰক। এইটো গ্রহণযোগ্য হয়নে?

প্রশ্ন নং ৫ ঃ প্রাণদণ্ড শাস্তি বুলিলে কি বুজে? প্রাণদণ্ড সমর্থনযোগ্য হয়নে?

প্রশ্ন নং ৬ ঃ প্রতিশোধমূলক মতবাদৰ ৰূপ দুটা কি? কি? আলোচনা কৰক।

প্রশ্ন নং ৭ ঃ কোমল প্রতিশোধমূলক শাস্তি আপুনি সমর্থন কৰেনে? যদি কৰে সমর্থনত যুক্তি দিয়ক।

প্রশ্ন নং ৮ ঃ সংশোধনমূলক আৰু প্রতিশোধমূলক মতবাদৰ মাজত পার্থক্য দেখিবলৈ পোৱা যায়নে? আলোচনা কৰক।

* * * * *

অধ্যায় ১৩ ঃ অধি-নীতিশাস্ত্র ঃ ইয়াৰ স্বৰূপ আৰু আদর্শনিষ্ঠ নীতি বিজ্ঞানৰ পৰা ইয়াৰ পার্থক্য

অধ্যায় গঠন ঃ

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ অধি-নীতিশাস্ত্র কি?

- ১৩.৩.১ নৈতিক প্রকৃতিবাদ বা নৈতিক স্বভাৱবাদ
- ১৩.৩.২ নৈতিক অজ্ঞানবাদ
- ১৩.৩.৩ নৈতিক অ-স্বজ্ঞানবাদ বা নৈতিক অ-স্বভাৱবাদ (স্বজ্ঞানবাদ আৰু প্রজ্ঞাবাদ)

১৩.৪ আদর্শনিষ্ঠ নীতিবিজ্ঞান কি?

- ১৩.৪.১ উদ্দেশ্যমূলক নীতি বিজ্ঞান
- ১৩.৪.২ কর্তব্যমূলক নীতি বিজ্ঞান
- ১৩.৪.৩ সৎগুণৰ নীতিশাস্ত্র বা সৎগুণৰ নৈতিকতা

১৩.৫ অধিনীতি শাস্ত্র আৰু আদর্শনিষ্ঠ নীতি বিজ্ঞানৰ মাজত পার্থক্য

১৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.৭ অধিক জানিবলৈ

১৩.৮ অগ্রগতিৰ খতিয়ান

১৩.৯ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- অধিনীতি শাস্ত্রৰ স্বৰূপৰ লগত ইয়াৰ লগত সম্বন্ধিত প্রশ্ন যেনে অধিনীতি শাস্ত্র মানে কি আৰ ই আদর্শনিষ্ঠ নীতিজ্ঞানৰ পৰা কেনেকৈ পৃথক সম্পর্কে জানিব পাৰি।
- অধিনীতি শাস্ত্র আটাইতকৈ বিমূর্ত নীতিশাস্ত্র হিচাপে যি সকলোনৈতিক মূল্য নিয়ন্ত্রণ কৰা মূল নীতিবোৰৰ লগত সম্বন্ধিত হৈ থকা নীতি বিজ্ঞানৰ সমপেৰ্কে জানিব পাৰিব।
- অধিনীতি শাস্ত্রৰ কাম যে কোনো নীতি, কার্য্য বা নীতিবিজ্ঞানৰ মূল্য নির্ধাৰণ কৰা নহয় তাক জানিব পাৰিব।
- ই আদর্শনিষ্ঠ নীতিবিজ্ঞানৰ পৰাপৃথক যি এটা মডেল বা নীতি বা এক মানদণ্ড যাৰ দ্বাৰা বস্তু সমূহক বিচাৰ কৰা হয়।

- অধিনীতি শাস্ত্র এক নৈতিক তত্ব নহয় যি কোনো নীতিৰ লগত সম্পন্ধিত নহয় বৰঞ্চ ই সংযুক্ত হৈ থাকে কিছুমান নৈতিক পদ যেনে 'ভাল', 'শুদ্ধ', 'উচিত' ইত্যাদিৰ অর্থ সমূহ বিশ্লেষণ কৰাৰ লগত।

১৩.২ পৰিচয়

নীতি শাস্ত্র হ'ল দর্শনৰ এটা বিভাগ যি নৈতিক বিচাৰৰ ধাৰণা আৰু সকলো মানুহৰ ক্ষেত্রত ব্যৱহৃত ব্যৱহাৰৰ নীতি সমূহ ভেটিৰ লগত সংযুক্ত হৈ থাকে। ই নৈতিক প্রশ্ন সমূহ যেনে শুদ্ধ মানে কি? ন্যায় মানে কি? গুণ বা সৎগুণ মনে কি বা মানুহে কেনেকৈ জীয়াই থাকিব লাগে ইত্যাদি। নীতি বিজ্ঞান আকৌ মানুহে মূল্য সম্পর্কে বাচি লোৱা বাচনি বোৰক আৱিষ্কাৰ কৰে আৰু ইয়াৰ অন্তৰালত থকা বিচাৰ বুদ্ধিবোৰৰ লগতে ইয়াৰ অর্থ আৰু নৈতিক পদবোৰৰ ব্যৱহাৰৰ সম্পর্কেও আলোচনা কৰে। নীতিবিজ্ঞান দুটা ভাগত ভাগ কৰা হয়, যেনে অধিনীতি শাস্ত্র আৰু আদর্শনিষ্ঠ নীতিবিজ্ঞান। আদর্শনিষ্ঠ নীতি বিজ্ঞান আইন বা নিয়ম কানুনৰ তত্ব যিয়ে কোনবোৰ বস্তু ভাল বা বেয়া আৰু কোনবোৰ কর্ম শুদ্ধ বা অশুদ্ধ আমি তাক কেনেকৈ থিৰাং কৰো ইত্যাদিৰ লগত জড়িত হৈ থাকে। আনহাতে, অধিনীতি শাস্ত্র কিছুমান নৈতিক বিশ্লেষণৰ লগত জড়িত থাকে। এই ক্ষেত্রত এইটো উল্লেখ কৰাটো দৰকাৰী হ'ব যে মুৰৰ ভাল বা শ্রেয়ৰ সংজ্ঞাবিহীন ধাৰণাই নীতি জ্ঞানত নৈতিক ভাষাক বিশ্লেষণ কৰাৰ ক্ষেত্রত এক নতুন অধ্যায়ৰ সুচনা কৰিলে যাক অধিনীতি শাস্ত্র বুলি কোৱা হয়। মুৰৰ আগতে নৈতিক দর্শন প্রথমতে নৈতিক মূল্য আৰু বিচাৰ যেনে কিবা ভাল বা বেয়া, শুদ্ধ বা ভুল ইত্যাদিৰ ধাৰণাৰ লগত জড়িত হৈ আছিল। আন কথাত ক'বলৈ গ'লে মুৰৰ আগতে, নৈতিক দর্শন প্রধানকৈ নৈতিক বিচাৰৰ প্রস্তুতি যি প্রধানকৈ স্বভাৱতঃ আদর্শমূলক তাৰ লগত জড়িত আছিল।

১৩.৩ অধি-নীতিশাস্ত্র কি?

অধি-নীতি শাস্ত্র হ'ল নীতি বিজ্ঞানৰ এটা বিভাগ য'ত কিছুমান নৈতিক ভাষা বা শব্দ যেনে 'ভাল', 'শুদ্ধ', 'সৎগুণ' ইত্যাদিৰ অর্থ তথা বৈশিষ্ট্য সমূহৰ দর্শনিক বিশ্লেষণ কৰা হয়। ই প্রধানকৈ কৰা প্রশ্ন সমূহ হ'ল যেনে, 'শ্রেয় বা ভালত্ব মানে কি?' বা 'আমি কেনেকৈ কি ভালক কি বেয়াৰ পৰা পৃথক কৰিম?', 'কোনোবা কিবা বস্তু সুদ্ধ বা অশুদ্ধ হোৱা মানে কি?', বা 'কি অর্থত এটা নৈতিক বাক্যক সঁচা বা মিছা বুলি ক'ব পাৰি?' বা 'ইচ্ছামৃত্যা ভুল বুলি ক'লে দৰাচলতে আমি তাক কি অর্থত ব্যৱহাৰ কৰো?' ইত্যাদি। দৰাচলতে, অধি নীতিশাস্ত্র হৈছে সম্পূর্ণ নীতি বিজ্ঞানৰ সকলো বিষয়কে সামৰি লৈ কৰা এটা বহল দৃষ্টিভংগী। ই নৈতিক নীতিসমূহৰ উৎপত্তি তথা অর্থৰ অনুসন্ধান কৰে। সেয়েহে অধিনীতিশাস্ত্র হৈছে নৈতিক ধাৰণাসমূহৰ উৎপত্তি তথা অর্থ সম্পর্কে কৰা এক অধ্যয়ন অধিনীতি শাস্ত্রক বহলকৈ তলৰ ভাগবোৰৰ দৰে ভাগ কৰা হয়-

১৩.৩.১ নৈতিক প্ৰকৃতিবাদ বা নৈতিক স্বভাৱবাদ

নৈতিক স্বভাৱবাদক স্বভাৱবাদী জ্ঞানবাদৰ তত্ব বুলিও কোৱা হয়। যাক মতে সকলো নৈতিক বাক্যকেই স্বাভাৱিক বা প্ৰাকৃতিক অ-নৈতিক বাক্য লৈ পৰিৱৰ্তন কৰিব পাৰি। ই এনেবোৰ বচন প্ৰকাশ কৰে যিবোৰ এই পৃথিৱীৰ বস্তুগত বৈশিষ্ট্যবোৰৰ ওপৰত নিৰ্ভৰ কৰি সত্য হয় আৰু ই মানুহৰ মতামতৰ ওপৰত নিৰ্ভৰ নকৰে। ই দাবী কৰে যে এটা ক্ষেত্ৰৰ বস্তুসমূহ আন এক ক্ষেত্ৰৰ বস্তুসমূহৰ লগত যিবোৰ কিছুমান প্ৰাকৃতিক ধৰ্মৰ অন্তৰ্গত একে। উদাহৰণস্বৰূপে, ই দাবী কৰে যে নৈতিক ধৰ্ম বা সম্পত্তি যেনে শ্ৰেষ্ঠতা বা শুদ্ধতাক মনো বিজ্ঞানৰ দৰে কিছুমান প্ৰাকৃতিক সম্পত্তি বা ধৰ্মৰ আধাৰ ব্যাখ্যা কৰিব পাৰি বা শ্ৰেষ্ঠতাক প্ৰাকৃতিক ধৰ্মবোৰৰ শাৰীলৈ নমাই আনিব পাৰি। সেইবাবে ইয়াক reductionism ৰ এটা প্ৰকাৰ বা ৰূপ বুলিও কোৱা হয়। উদাহৰণ স্বৰূপে উপযোগিতা বাদক নৈতিক স্বভাৱবাদ বা প্ৰকৃতিবাদৰ ৰূপৰেখাৰ ভিতৰতে বুজিব লাগিব। ই দাবী কৰে যে একমাত্ৰ শ্ৰেয়ই হৈছে আনন্দ। আমি ইয়াৰ অৰ্থ ভাঙি যি কৈৱল এইটো বুজাবলৈ নকৰো যে আনন্দ একমাত্ৰ এনেকুৱা বস্তু যি শ্ৰেষ্ঠ, বৰঞ্চ যি শ্ৰেষ্ঠ সিয়েই আনন্দ। সেয়েহে এই দাবীয়ে আনন্দৰ শাৰীলৈ শ্ৰেষ্ঠত্বক লৈ আহিছে। সেয়েহে ই বুজায় যে সেইবোৰ সকলো একে ধৰ্ম বা সম্পত্তি। আনন্দ হৈছে এক স্বভাৱিক মনোবৈজ্ঞানিক সম্পত্তি আৰু সেইদৰে ইয়াক আনন্দ ৰূপে জনা যায়।

জি.ই. মুৰে নৈতিক স্বভাৱবাদ বা নৈতিক প্ৰকৃতিবাদক অস্বীকাৰ কৰিছিল। তেওঁ ইয়াক এটা মৌলিক দৰ্শনিক ভুল বুলি চিহ্নিত কৰিছে। কাৰণ ই কিছুমান নৈতিক শব্দ যেনে 'ভাল' আৰু 'শুদ্ধ' আদিক অ-নৈতিক পদৰ সহায়ত সংজ্ঞায়িত কৰিছে। তেওঁৰ মতে শ্ৰেষ্ঠত্ব বা ভালত্বক আন কিছু প্ৰাকৃতিক বস্তুৰ ধৰ্মৰ সহায়ত তুলনা কৰা বা ব্যাখ্যা কৰাবটো নীতিবিজ্ঞানত সম্ভৱ নহয় আৰু এইটো কৰিলে এটা দোষৰ অৱতাৰণা হ'ব যাক প্ৰকৃতিগত দোষ বুলি কোৱা হয়।

১৩.৩.২ নৈতিক অজ্ঞানবাদ

নৈতিক অজ্ঞানবাদ এটা অধিনীতি শাস্ত্ৰ মূলক মতবাদ যাৰ মতে নৈতিক বাক্যবোৰে কোনো ধৰণৰ এনেকুৱা কন প্ৰকাশ নকৰে যিবোৰ হয়তো সঁচা বা মিছা হ'ব পাৰে। ইয়াৰ মতে নৈতিক বাক্যবোৰৰ কোনো সত্য মূল্য নাথাকে। বিভিন্ন ধৰণৰ অজ্ঞানবাদ সমূহ হ'ল যেনে আবেগবাদ, আংশিক বাস্তৱবাদ আৰু পৰামৰ্শবাদ।

আবেগবাদ হ'ল এটা অজ্ঞানবাদ মূলক তত্ব যাৰ মতে নৈতিক বাক্যবোৰ কেৱল মাত্ৰ আৱেগক বিকাশ কৰিবলৈ ব্যৱহাৰ কৰা হয়। ই কয় যে নৈতিক বাক্যবোৰ দৰাচলতে আমাৰ সম্পত্তি বা অসম্পত্তিৰ প্ৰকশ। ই কোনো ধৰণৰ বৰ্ণনা নিদিয়ে। উদাহৰণস্বৰূপে 'গৰ্ভপাত ভুল বা অশুদ্ধ' অৰ্থাৎ 'গৰ্ভপাত নীলাগে' যিটো সঁচা বা মিছা একো হ'ব নোৱাৰে কাৰণ ই কোনো ধৰণৰ প্ৰকৃত বচন ব্যক্ত কৰা নাই। ই কেৱল মাত্ৰ আমাৰ আবেগ, গৰ্ভপাতৰ প্ৰতি

আমাৰ অনিচ্ছা আৰু সেয়েহে আনকো গর্ভপাত আৰু চি. এল ষ্টিভেনচন আছিল বৰ প্রভাৱশালী আবেদবাদী দর্শনিক। ষ্টিভেনচনে কৈছিল যে নৈতিক বিচাৰবোৰ হ'ল কিছুমান ভাষিক কার্য্য যাৰ দ্বাৰা বক্তাজনে শ্রোতাৰ মনত একে ধৰণৰ আবেগ, অনুভুতি জগাই তুলিব বিচাৰে। আংশিক বাস্তৱবদো হৈছে এটা অজ্ঞানবাদী তত্ব যাৰ মতে নৈতিক বাক্যবোৰে প্রকৃত দাবীবোৰৰ দৰে ভাষিক ধৰণে ব্যৱহাৰ কৰে বা কাম কৰে। এই তত্ব মতে যদিও সিহঁতৰ লগত ৰিজনি হোৱা কোনো সঁচা বা মিছা বুলি ক'ব পাৰি। আনহাতে, পৰামর্শবাদটো এটা অজ্ঞানমূলক নৈতিক মতবাদ নহয় যাৰ মতে নৈতিক বচনবোৰে সার্বিক চর্তহীন বাক্যবোৰৰ দৰে কার্য্য কৰে। সমসাময়িক ভাষিক দার্শনিক আৰ. এম. হেয়াৰে আবেদবাদ নামৰ তত্বটোৰ বিৰোধিতা কৰিছিল আৰু কৈছিল যে নৈতিক আলোচনাবোৰৰ কাম আবেগ, অনুভুতি ব্যক্ত কৰাটো নহয় বৰঞ্চ ই মানুহৰ ব্যৱহাৰক বাট দেখুৱায়। সেয়েহে, হেয়াৰৰ মতে এটা নৈতিক বিচাৰ হ'ল এক ধৰণৰ পৰামর্শ মূলক বিচাৰ মূলক বচন যাক পৰামর্শ হিচাপে দিব পাৰি আৰু যি সার্বিক। উদাহৰণস্বৰূপে 'গর্ভপাত অশুদ্ধ' বুলি কোৱা মানে 'গর্ভপাত নকৰিবা' বুলি কেৱাটোও বুজায়। আৰু যিকোনো এজন মানুহে তেনেকুৱা অৱস্থাত পৰিলে সেই ধৰণে কার্য্য কৰাটো বুজাব। য়োৰৰ পৰামর্শবাদে ক'ব বিচাৰিব যে নৈতিক পৰামর্শবোৰক সাধাৰণীকৰণ কৰিব পাৰিব লাগে আৰু সেয়েহে ইয়াৰ সঁচা অর্থত বস্তুগত মূল্য আছে, যদিও সিহঁতে সত্য মূলক নির্দ্দেশ কৰাৰ ক্ষেত্রত নির্দেশক বচন হিচাপে বিফল হৈছে।

১৩.৩.৩ নৈতিক অ-প্রকৃতিবাদ (প্রজ্ঞাবাদ)

নৈতিক অ-প্রকৃতিবাদ হৈছে এটা অধিনীতি শাস্ত্র মূলক মতবাদ যাৰ মতে নৈতিক বাক্যবোৰে এনেকুৱা বচন প্রকাশ কৰে যাক কোনো অ-নৈতিক বাক্যলৈ পৰিৱর্তন কৰিব নোৱাৰি। সেয়েহে ই ক'ব বিচাৰে যে 'শ্রেষ্ঠত্ব' বা 'ভালত্ব' এই ধাৰণাটোক জ্ঞান কোনো প্রাকৃতিক ধর্ম বা সম্পত্তি যেনে 'আনন্দ', 'ইচ্ছা' ইত্যাদিৰ আধাৰত ব্যক্ত কৰিব নোৱাৰি। এই তত্বমতে নৈতিক বাক্যবোৰক সংজ্ঞায়িত কৰিব নোৱাৰি। মুৰৰ মতে, এনেকুৱা ধৰণৰ কোনো চেষ্টা কৰিলে এটা দোষৰ অৱতাৰণা কৰা হ'ব যাক প্রকৃতিগত দোষ বুলি কোৱা হয়। মুৰৰ মতে, 'হালধীয়া' ৰংটোৰ দৰে 'শ্রেয় বা ভাল'ৰ ধাৰণাটোৱে এটা অতি সাধাৰণ অ-প্রাকৃতিক সম্পত্তি। সেই ক্ষেত্রত ই জ্ঞানবাদী। তথাপিও ই কোনো ধৰণৰ অলৌকিক বা অতি প্রাকৃতিক ৰূপৰ সত্তা নহয়। ই মাত্র ইয়াকে ক'ব বিচাৰে যে শ্রেষ্ঠত্ব হৈছে এনেকুৱা এটা নৈতিক ধাৰণা যাক কোনো প্রাকৃতিক বস্তু বা ধর্ম যেনে আনন্দ, ইচ্ছা আদিৰ মাধ্যমত বর্ণনা কৰিব নোৱাৰি যাক কোনো ধৰণে দৈহিক ভাৱে চুব বা পৰিমাপ কৰিব পৰা যায়। ই হৈছে এবিধ অর্ন্তনিহিত বা অর্ন্তমুখী মূল্য যাক কেৱল প্রজ্ঞাৰ দ্বাৰহে জানিব পাৰি। ইয়াকে প্রজ্ঞাবাদ বা নৈতিক প্রজ্ঞাবাদ বুলি কোৱা হয়। ই হৈছে নৈতিক অ-প্রকৃতিবাদৰে এটা ৰূপ যাক নৈতিক এ-প্রকৃতিবাদৰ মাজত নিহিত হৈ থকা জ্ঞানমূলক সমস্যা এটাৰ বর্ণনা দিবলৈ যাওঁতে গঠন তথা বিকাশ কৰা হৈছিল। সেই জ্ঞানমূলক সমস্যাটো হ'ল আমি কেনেকৈ কিবা এটা বস্তু ভাল বুলি জানিব পাৰো, কেনেকৈ ভালকৰেয়াৰ পৰা ধর্মলৈ পৰিৱর্তন নকৰলৈ আমাৰ নৈতিক

বিশ্বাসবোৰক ন্যায়সংগত বুলি প্রমাণ কৰিব পাৰি। ইয়েই হৈছে নৈতিক প্রজ্ঞাবাদ যাক আন অর্থত এনে এটা তত্ব বুলি কোৱা হয় যাৰ মতে আমাৰ নৈতিক সম্পত্তি বা ধর্ম বা নৈতিক সত্যতা বোৰ সম্পর্কে প্রজ্ঞাত্মক সচেতনতা থাকে।

১৩.৪ আদর্শনিষ্ঠ নীতি বিজ্ঞান কি?

আদর্শনিক পদটোৱে সচায় যে সাধাৰণতে কোনো এবিধ বস্তু আন এবিধ বস্তুতকৈ বেছি ভাল। ই এটা কতৃত্বমূলক মানদণ্ড বা নিয়ম যাৰ দ্বাৰা বেলেগ বস্তুসমূহকবিচাৰ বা তুলনা কৰা হয়। সেইধৰণে আদর্শনিক নীতিবিজ্ঞান মানে হৈছে নীতিবিজ্ঞানৰ সেই বিভাগ যি প্রধানকৈ নীতি নিয়ম তথা নৈতিক পৰামর্শ যেনে সোণানী নীতিৰ লগত জড়িত হৈ থাকে। ই কোনবোৰ বস্তু ভাল আৰ বেয়া আৰু কেনেকৈ আমি নির্ধাৰণ কৰিম যে কোনোবোৰ কর্ম শুদ্ধ আৰু অশুদ্ধ তাৰ লগত জড়িত থাকে। ই আকৌ কেনেকৈ মানুহে ব্যৱহাৰ আৰু কার্য্য কৰা উচিত তথা কেনেকৈ এজন ব্যাক্তিয়ে নৈতিক বাচনি কৰিব পাৰে তাৰ লগতো জড়িত থাকে। এটা আদর্শনিষ্ঠ নৈতিক প্রশ্ন হ'ল যেনে, "মৃত্যু দণ্ড শুদ্ধ নে?"

আদর্শনিষ্ঠ নীতিবিজ্ঞানক তিনিটা ভাগত ভাগ কৰা যায় যেনে উদ্দেশ্যমূলক, কর্তব্যমূলক আৰু সৎগুণৰ নৈতিকতা।

১৩.৪.১ উদ্দেশ্যমূলক নীতিশাস্ত্র

উদ্দেশ্যমূলক নীতিশাস্ত্র মতে নৈতিক বিচাৰমূলক বচনবোৰ প্রধানকৈ কোনো এটা কর্মৰ পৰা উৎপন্ন হোৱা ফলাফলৰ ওপৰত বর্তি থাকে। ই হৈছে একে এটা কর্ম যিটো ইয়াৰ ফলাফলৰ লগত সংযুক্ত হৈ থাকে। উদাহৰণস্বৰূপে, এটা কর্মৰ যেনে 'এইটোৱে মোক আঘাট কৰিব নেকি?' বা 'এইটোৱে আনক আঘাট কৰিব নেকি?' এই প্রশ্নসমূহৰ উত্তৰটো হ'ব সেইটো যেতিয়া এই কর্মবোৰৰ ফলাফল ভাল বা বেয়া হ'ব সেইটো আৰু যেনেদৰে কিবা এটা ফলাফল কেনেকুৱা হ'ব ভাল নে বেয়া, উদ্দেশ্যমূলক তত্বৰ ক্ষেত্রটো এইবোৰ প্রচুৰ পৰিমাণে লক্ষ্য কৰা হয়। কিছুমানে উত্তৰ দিব যে এটা কাম শুদ্ধ হ'ব যদি ই যিজন ব্যাক্তিয়ে কর্মটো কৰিছে তেওঁৰ লাভ হয়।

১৩.৪.২ কর্তব্যমূলক নীতিশাস্ত্র

আনহাতে, কর্তব্যমূলক নীতিশাস্ত্র হৈছে সেই তত্ব যি কর্তব্যৰ ওপৰত নির্ভৰ কৰি থাকে। 'Deontological' শব্দটো গ্রীক 'Deon' ৰ পৰা আহিছে যাৰ অর্থ হ'ল কর্তব্য বা কর্তব্য সম্পর্কে কৰা অধ্যয়ন বা বিজ্ঞান। ই হ'ল কর্তব্যৰ বিজ্ঞান বা কর্তব্যৰ নীতিবিজ্ঞান যি প্রধানকৈ কর্মৰ কর্তব্যৰ লগত জড়িত থাকে আৰু এই ক্ষেত্রত অ কামটোৰ ফলাফল কি হ'ব ভাল নে বেয়া তাৰ লগত যুক্ত হৈ নাথাকে। অর্থাৎ এই নীতিশাস্ত্র প্রধানকৈ কর্মৰ লগত জড়িত হৈ থাকে যিবোৰ অর্ন্তনিহিত ভাৱে শুদ্ধ বা অশুদ্ধ। সেইবাবে এই নীতিশাস্ত্রক

মাজে মাজে অ-পৰিণামবাদ ৰূপেও জনা যায় কাৰণ ইয়াতে কর্মৰ শুদ্ধতা-অশুদ্ধতা ইয়াৰ পৰিণাম বা ফলাফলৰ ওপৰত নির্বৰ নকৰে। কর্তব্যমূলক অধ্যয়ন আন তত্ববোৰতকৈ পৃথক যেনে উপযোগিতাবাদ যাৰ মতে কর্ম কৰাটো আমাৰ দায়িত্ব যিয়ে সবাতোকৈ বেছি ফলাফল বা পৰিণাম প্রাপ্ত কৰিব পাৰে। উপযোগিতাৰ এই তত্বমতে, সবাতোকৈ বেছি পৰিণাম হ'ল আনন্দ বা সুখ কাৰণ ইয়াত প্রকৃত শ্রেয় বুলি গণ্য কৰা হয়। পৰিণামবাদৰ মতে যিকোনো কর্মৰ পৰিণাম বা ফলাফল আমি লক্ষ্য কৰিবই লাগিব যদিও সেই কর্মটো নৈতিকভাৱে ভাল নহ'বও পাৰে। আনহাতে, কর্তব্যমূলক ফলাফল যিয়েই নহওঁক আমি কাম কৰাটো নৈতিকভাৱে দায়িত্বশীল বা আমাৰ নৈতিক দায়িত্ব, কর্তব্য ধার্মিক কতৃত্বমূলক অধ্যয়নত আলৌকিক আদেশৰ পৰা ওলোৱা নীতিসমূহৰ মতে আমি চুৰ, মিছা কথা বা ঠগোৱা কার্য্য কৰিব নালাগে। এইদৰে, কতৃত্বমূলক তত্ব আৰু দায়িত্ব বছৰ বছৰ ধৰি অস্তিত্বশীল হৈ আছে। তথাপিও, ইমানুৱেল কাণ্টে, যিয়ে সবাতোকৈ নিৰপেক্ষ কতৃত্বমূলক নৈতিক তত্বৰ প্রণয়ন কৰিছে যাৰ মতে নীতি বা নিয়মসমূহ সদায় মানুহৰ বিচাৰ বুদ্ধিৰ পৰা নিঃসৃত কৰিব লাগে। কাণ্টৰ মতে, নৈতিক নিয়মসমূহে কোনো নিশ্চিত নীতিসমূহ অর্ন্তভুক্ত কৰিব লাগে, যিবোৰ চর্তহীন হ'ব লাগে আৰু য'ত আমি এই চর্তহীন আদেশবোৰ মানি চলি কার্য্য কৰাটো আমাৰ বাবে বাধ্যতা মূলক হ'ব।

কাণ্টৰ চর্তহীন আদেশৰ তিনিটা প্রকাৰ আছে -

চর্তহীন আদেশৰ প্রথম ৰূপ ঃ 'তুমি সেইভাৱে কাৰ কৰা য'ত তুমি আশা কৰিব পাৰা যে কোনো বিৰোধ নোহোৱাকৈ সেই নিয়মটো এটা সার্বিক নিয়মলৈ ৰূপান্তৰিত হ'ব পাৰে।'

চর্তহীন আদেশৰ দ্বিতীয় ৰূপ ঃ !তুমি এনেভাৱে কাম কৰা যাতে, তুমি মানৱতাক যাতে কোনো লক্ষ্য প্রাপ্তিৰ উপায় হিচাপে নহয়, লক্ষ্য হিচাপেহে গণ্য কৰা, যি লাগিলে তোমাৰ নিজৰ ক্ষেত্রতেই হওক বা আনৰ ক্ষেত্রতেই হওক।'

চর্তহীন আদেশৰ তৃতীয় ৰূপ ঃ 'সেইবাবে, সকলো বুদ্ধিবৃত্তিশীল প্রাণীয়েই এনেদৰে কাম কৰি যাব লাগে যাতে এই নীতিৰ দ্বাৰা তেওঁ সমস্ত লক্ষ্যৰ সাম্রাজ্যত এজন প্রভাৱশালী সদস্য হিচাপে থিয় দিব পাৰে।'

১৩.৪.৩ সংগুণৰ নীতিশাস্ত্র বা সৎগুণৰ নৈতিকতা

যেতিয়া আদর্শনিষ্ঠ নীতিবিজ্ঞানৰ কিছুমান সৎগুণক শ্রেষ্ঠ চৰিত্রৰ মানদণ্ড বা মাপকাঠি হিচাপে গণ্য কৰা হয় যাৰ সহায়ত এটা কার্য্য বা কাম বিচাৰ কৰা হয় তাকেই সৎগুণৰ নীতিশাস্ত্র বুলি কোৱা হয়। সৎগুণৰ নীতিশাস্ত্র মতে সাহস, দয়া, মমতা, সহানুভুতি, সৰলতা ইত্যাদি আৰু এইবোৰ সদায় আমি আমাৰ কর্মত প্রতিফলিত কৰিব লাগে। ই কর্তা জনৰ ওপৰত গুৰুত্ব প্রদান কৰে আৰু যুক্তি দিয়ে যে আমি এনেধৰণে কর্ম কৰিব লাগে যাতে আমাৰ কর্মবোৰে এই সৎগুণবোৰ অন্তর্ভূক্ত কৰে। ই কিছুমান প্রশ্নৰ উত্তৰ দিবলৈ বিচাৰে যেনে 'মই কেনেকুৱা ধৰণৰ ব্যাক্তি হোৱা উচিত?' ইয়াৰ উত্তৰটো এটা

সৎগুণৰ ভিতৰত সোমাই আছে যিটো নৈতিকভাৱে বিচৰা বা নৈতিকভাৱে অনুসৰন কৰা হয় আমাৰ চৰিত্রৰ বাবে। এই তত্বটোৱে মানুহে কি কর্ম কৰিব লাগে তাক নির্দেশ নকৰে, বৰঞ্চ এইটো নির্দেশ কৰে মানুহে কেনেকুৱা হ'ব লাগে। সেয়েহে ই কিছুমান বিশেষ প্রশ্ন যেনে এজন সৎগুণৰ ব্যাক্তি কেনেকুৱা হ'ব লাগে তাৰ আলোচনা কৰে। এজন অসৎ ব্যাক্তি কেনেকুৱা? কিহৰ দ্বাৰা আমাৰ চৰিত্রৰ বৈশিষ্ট্যবোৰ সৎগুণ বা বদগুণ ৰূপে বিবেচিত হয়? সৎগুণতাৰ নীতিশাস্ত্রই বিশেষকৈ সৎগুণক নির্দেশ কৰে যিবোৰ আমাৰ চাৰিত্রিক বৈশিষ্ট্যসমূহ যিবোৰ ভাল বা বেয়া। ই যুক্তি দর্শায় তথা উদাহৰণ সহ ব্যাখ্যা কৰে যে, সাহস হ'ল গুণ আৰু কাপুৰুষতা হ'ল বদগুণ। এৰিষ্টটলে সৎগুণৰ ওকালতি কৰিছিল আৰু তেওঁৰ 'Nichomachean Ethic' ত ইয়াৰ বিষয়ে আলোচনা কৰিছিল সেইবোৰ চর্ত বা অৱস্থা য'ত বিশেষ বিশেষ ব্যাক্তিক কিছুমান নৈতিক দায়িত্ব আৰোপ কৰিব পাৰি, লগতে নৈতিক মূল্যায়ণৰ ক্ষেত্রত সৎগুণ আৰু বদ্‌গুণৰ স্বৰূপ আৰু মানৱ জীৱনত আনন্দ লাভ কৰাৰ উপায় সমূহৰ বিষয়েও আলোচনা কৰে। এৰিষ্টটলৰ সৎগুণৰ নীতিশাস্ত্রৰ প্রধান বিষয়টোৱেই আছিল মানুহৰ চৰিত্রযিয়ে মানুহক ভাল ব্যাক্তি বুলি পৰিচিত কৰাব। এৰিষ্টটলে যুক্তি দিছিল যে মানৱ জীৱনৰ প্রকৃত উদ্দেশ্য হৈছে আনন্দ লাভ কৰা আৰু ভালকৈ জীৱন নির্বাহ কৰা। তেওঁ ইয়াকো কৈছে যে কোনো সাধআৰণ ধাৰণা যেনে আনন্দ, সুখ, সম্পত্তি তথা সন্মান নাইবা কোনো দার্শনিক তাত্বিক ৰূপে বা প্রকাৰে সেই মানুহৰ জীৱনৰ প্রকৃত উদ্দেশ্যৰ বিষয়ে উপযুক্ত ব্যাখ্যা দিব নোৱাৰে। কাৰণ কিছুমান বৌদ্ধিক ভাৱে জ্ঞানী মানুহেও যিবোৰে পার্থিব শ্রেয়ৰ লগতে বৌদ্ধিকটোৱেও শ্রেয় লাভ কৰিছে তেওঁলোকো সুখী নহয়। তেওঁ সিদ্ধান্ত গ্রহণ কৰিছিল যে প্রকৃত সুখ কর্মৰ মাজতে লুকাই আছে যাক কেৱল ভাল গুণক অনুসৰণ কৰিহে লাভ কৰিব পাৰি।

১৩.৫ অধিনীতি শাস্ত্র আৰু আদর্শনিষ্ঠ নীতি শাস্ত্রৰ মাজৰ পার্থক্য

আদর্শনিষ্ঠ নীতিশাস্ত্র আৰু অধিনীতি শাস্ত্রৰ মাজত পার্থক্যবোৰ কোনো ধৰণৰ ন্যায়সংগত যুক্তি নোহোৱাকৈ অৱতাৰণা কৰা হোৱা নাই। ব্যৱহাৰ আৰু উল্লেখৰ মাজত এটা সাধাৰণ পার্থক্য দেখা যায় যিটো ইয়াক প্রকাশ কৰা আৰু ইয়াৰ বিষয়ে কথা কোৱাৰ পার্থক্যৰ দৰে। আৰু এটা ভাষা কেনেকৈ ব্যৱহাৰ কৰিব লাগে আৰু তাক কেনেকৈ বা তাৰ ব্যৱহাৰ কেনেকৈ প্রকাশ কৰিব লাগে তাৰ মাজতো এটা বিশেষ পার্থক্য আছে। যিটো নির্ভৰ কৰিব প্রশ্ন সমূহত তাৰ প্রকাশৰ কাৰণবোৰৰ পৰা তথা সিহঁতক কেনেকৈ শ্রেণীবিভাগ তথা সিহঁত কেনেকৈ এটি আনটোৰ লগত সম্বন্ধিত তাৰ ওপৰতো নির্ভৰ কৰিব। তথাপিও অধিনীতি শাস্ত্র আৰু আদর্শনিষ্ঠ নীতি শাস্ত্রৰ মাজত সিহঁতৰ অর্থবোৰক লৈও পার্থক্য কৰিব পাৰি তলত দিয়া ধৰণে -

১। অধিনীতি শাস্ত্রই কেনো ধৰণৰ বিশেষ আদর্শনিষ্ঠ নৈতিক তত্ব নির্দেশ নকৰে বা আগতীয়াকৈ ধৰি নলয় কাৰণ সেই একে অধিনীতি শাস্ত্র বিভিন্ন তথা বিৰোধী আদর্শনিষ্ঠ নীতি বিজ্ঞানৰ লগত সমঞ্জস্য থকিব পাৰে।

২। আদর্শনিষ্ঠ নীতিবিজ্ঞানে কোনো ধৰণৰ বিশেষ অধিনীতিশাস্ত্র মূলক তত্ব নির্দেশ নকৰে বা আগতীয়াকৈ অনুমনো লকৰে কাৰণ সেই একে আদর্শ নিষ্ঠ নীতি বিজ্ঞানৰ বিভিন্ন তথা বিৰোধী অধিনীতি শাস্ত্রৰ লগত সামঞ্জস্য থাকিব পাৰে।

এই দুয়োটা মতেই তর্ক সংগতৰূপে বা যুক্তিপূর্ণ ভাৱে স্পষ্ট। এইটো সম্ভৱ যে একে অধিনীতিশাস্ত্র যেনে আবেগবাদ বিভিন্ন আদর্শনিষ্ঠ নীতিবিজ্ঞানৰ যেনে সুখবাদ ৰু কতৃত্বমূলক বাদৰ লগত সামঞ্জস্য ৰাখিব পাৰে। আনহাতে, একে সময়তে এইটোৱে অস্বীকাৰ কৰিছে যে সেই একে আদর্শনিষ্ঠ নীতিবিজ্ঞান যেনে সুখবাদ আবেগবাদ আৰু প্রজ্ঞাবাদৰলগত সামঞ্জস্য বা মিল থাকিব পাৰে। ইয়াৰ ওলোটাৱো সম্ভৱ। সেয়েহে, সিদ্ধান্ত গ্রহণ কৰিব পাৰিব যে যদিও প্রাথমিক পর্য্যায়ত কিছুমান প্রশ্ন তথা বিষয়লৈ দুয়োটাৰ মাজত পার্থক্য দেখা যায় তথাপিও ক'ব লাগিব যে অধিনীতি শাস্ত্র আৰু আদর্শনিষ্ঠ নীতি বিজ্ঞান দুয়ো স্বাধীনভাৱে বর্তি থাকিব নোৱাৰে।



অগ্রগতি নিৰীক্ষণ

১। অধিনীতি শাস্ত্রৰ সংজ্ঞা দিয়া।

.....

.....

২। নৈতিক প্রকৃতিবাদৰ আন নামবোৰ কি কি?

.....

.....

৩। নৈতিক অ-জ্ঞানবাদৰ সংজ্ঞা দিয়া।

.....

.....

৪। আংশিক বাস্তৱবাদ কি?

.....

.....

৫। নৈতিক অ-প্রকৃতিবাদ বুলিলে কি বুজা?

.....

.....

৬। প্রজ্ঞাবাদ বা নৈতিক প্রজ্ঞাবাদ নামৰ তত্বটো কি?

.....

.....

৭। আদর্শনিষ্ঠ নীতি বিজ্ঞানক কেইটা ভাগত ভাগ কৰিব পাৰি? সেইবোৰ কি কি?

.....

.....



১৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অধিনীতি শাস্ত্র হৈছে এক দার্শনিক অনুসন্ধান প্রক্রিয়া যিয়ে আমি কিয় কিছুমান নৈতিক বিচাৰ আৰু বিশ্বাস কৰো তাৰ কাৰণবোৰ বিচাৰি উলিয়াবলৈ যত্ন কৰে।
- ই হৈছে নৈতিকতাৰ স্বৰূপ সম্পর্কে এক অধিবিদ্যামূলক আৰু ভাষিক বিমূর্ত অনুসন্ধান। ই প্রশ্ন কৰে যে আমি যেতিয়া কিছুমান নৈতিকবাদী কৰো (হত্যা কৰাটো ভুল) তাৰ দ্বাৰা আমি কি বুজাও।
- অধিনীতি শাস্ত্রৰ জ্ঞান এটা বিষয় হৈছে নৈতিকতাৰ কিবা বস্তুগত ভিত্তি আছে। ঈশ্বৰ বা পৰমাত্মাই আমাক নৈতিকতাৰ বস্তুগত ভিত্তি দিব পাৰেনে অথবা বুদ্ধি আৰু বুদ্ধিমত্তাই আমাৰ বস্তুগত সত্যতাৰ ভিত্তি। এই বিষয়বোৰৰ আমি কেনেকৈ কার্য্য সম্পাদনা কৰিব লাগে বা এইটো বা সেইটো পৰিস্থিতিত আমি কেনেধৰণে কাম কৰিব লাগে কাৰ লগত কোনো পোনপটীয়া সম্পর্ক নাথাকে।
- আদর্শনিষ্ঠ নৈতিক প্রশ্নবোৰে কিছুমান বিশেষ কার্য্য বিষয়ে আলোচনা কৰে যিয়ে আমি কেনেকৈ কার্য্য সম্পাদন কৰিব লাগে, ব্যৱহাৰ কৰিব লাগে, জীয়াই থাকিব লাগে, বিচাৰ বুদ্ধিবোৰ গঠন কৰিব লাগে ইত্যাদি বিষয়ে আমাক নীতি নির্দেশনা দিয়ে। ই আলোচনা কৰা বিষয়বোৰ হ'ল যেনে গর্ভপাতৰ নীতিশাস্ত্র, Stem cell research ইচ্ছা মৃত্যু, বুদ্ধ, দা, পূণ্য, মৃত্যুদণ্ড সম্পর্কে আলোচনা কৰে। সেয়েহে ই কি হ'ব লাগে আৰু কি হোৱা উচিত ধৰণৰ প্রশ্নবোৰৰ বিষয়ে আলোচনা কৰে বা আমি এইটো কৰা উচিত নে সেইটো কৰা উচিত? এইটো বা সেইটো পৰিস্থিতিত এজন ব্যাক্তিয়ে কি কৰা উচিত?
- আন অর্থত ক'বলৈ হ'লে আদর্শনিষ্ঠ নীতিবিজ্ঞানে কিছুমান প্রশ্ন যেনে 'মানুহে কি কৰা উচিত?' জাতীয় কিছুমান নৈতিক মূল্যায়ণ কৰে আৰ আনহাতে কিছুমান অস্বীকাৰো কৰে, কিন্তু অধিনীতিশাস্ত্রই কিছুমান আন প্রশ্ন যেনে '(নৈতিক) শ্রেষ্ঠত্ব কি?' নৈতিক সম্পত্তি বা ধর্ম আৰু মূল্যায়ণবোৰ স্বৰূপ সম্পর্কে জানিবলৈ চেষ্টা কৰে।



১৩.৭ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) পাঠ্যপুথি প্রস্তুতি সমন্বয় সমিতি, গুৱাহাটী বিশ্ববিদ্যালয় —*নীতিশাস্ত্র*
২) সেনগুপ্ত, ব্যানার্জী পাব্লিশার্স —*নীতিবিজ্ঞান*
৩) শৈলেন বৰকাকতি —*নীতিশাস্ত্র*
৪) অঞ্জলি দেৱী —*নীতিবিদ্যা*
৫) ড° জ্যোৎস্না ভট্টাচার্য্য —*নীতিবিজ্ঞান*



১৩.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ অধিনীতি শাস্ত্র হ'ল নীতি শাস্ত্রৰ কেইটা বিভাগ যিয়ে কিছুমান নৈতিক ভাষা যেনে 'শ্রেয়', 'সৎগুণ', 'শুদ্ধ' ইত্যাদিৰ দার্শনিক বিশ্লেষণৰ লগতে ইয়াৰ অর্থ আৰু চৰিত্রবো বিশ্লেষণ কৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ নৈতিক প্রকৃতিবাদ বা প্রাকৃতিক জ্ঞানবাদ হ'ল সেই তত্ব যাৰ মতে সকলো নৈতিক বাক্যকেই প্রাকৃতিক বা অ-নৈতিক সত্য বাক্যলৈ পৰিৱর্তন কৰিব পাৰি।

৩ নং প্রশ্নৰ উত্তৰ ঃ নৈতিক অ-জ্ঞানবাদ এটা অধিনীতিশাস্ত্র মূলক মতবাদ যাৰ মতে নৈতিক বাক্যবোৰে কোনো ধৰণৰ বচন প্রকাশ নকৰে যিবোৰ হয় সঁচা বা মিছা হ'ব নোৱাৰে।

৪ নং প্রশ্নৰ উত্তৰ ঃ আংশিক বাস্তৱবাদ হ'ল এটা অজ্ঞানবাদী তত্ব যাৰ মতে প্রকৃত দাবীবোৰৰ দৰে নৈতিক বাক্যবোৰেও বাষিকভাৱে ব্যৱহাৰ কৰে।

৫ নং প্রশ্নৰ উত্তৰ ঃ নৈতিক অ-প্রকৃতিবাদ হ'ল এনেকুৱা এটা অধিনীতি শাস্ত্র মূলক তত্ব যাৰ মতে নৈতিক বাক্যবোৰে এনেকুৱা বচন প্রকাশ কৰে যিবোৰ কেতিয়াও অ-নৈতিক বচনলৈ পৰিৱর্তন কৰিব নোৱাৰি।

৬ নং প্রশ্নৰ উত্তৰ ঃ প্রজ্ঞাবাদ বা নৈতিক প্রজ্ঞাবাদ হ'ল এবিধ এনে দর্শন যাৰ মতে নৈতিক পদ বা ধাৰণাসমূহ প্রজ্ঞাৰ সহায়ত জানিব পাৰি।

৭ নং প্রশ্নৰ উত্তৰ ঃ আদর্শনিষ্ঠ নীতিবিজ্ঞানক তিনিটা জ্ঞানত ভাগ কৰিব পাৰি। সেইবোৰ হ'ল - উদ্দেশ্যমূলক, কৰ্তব্যমূলক আৰু সৎগুণৰ নৈতিকতা।



১৩.৯ আৰ্হি প্রশ্ন

প্রশ্ন নং ১ ঃ বস্তুধর্মী প্রশ্ন ঃ

(ক) অধিনীতি শাস্ত্র মানে কি?

(খ) আদর্শনিষ্ঠ নীতি বিজ্ঞান মানে কি?

(গ) আদশ''নিষ্ঠ নীতি বিজ্ঞানৰ দুটা উদাহৰণ দিয়া।

(ঘ) আদর্শনিষ্ঠ নীতি বিজ্ঞান আৰু অধিনীতি শাস্ত্রৰ মাজৰ পার্থক্যটো কি?

প্রশ্ন নং ২ ঃ চমু প্রশ্ন (১৫০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়া) ঃ

(ক) জ্ঞানবাদৰ সংজ্ঞা দিয়া।

(খ) অ-জ্ঞানবাদক নীতিবিজ্ঞানৰ তত্বহিচাপে সংজ্ঞা দিয়া।

(গ) বিভিন্ন ধৰণৰ জ্ঞানবাদৰ প্ৰকাৰ সমূহ কি কি?

(ঘ) অধিনীতি শাস্ত্ৰৰ তত্বসমূহৰ দুটা মৌলিক তথা কেন্দ্ৰীয় নৈতিক প্ৰশ্ন দুটা কি কি?

(ঙ) সৎগুণৰ নৈতিকতাৰ সংজ্ঞা দিয়া।

প্ৰশ্ন নং ৩ ঃ চমু টোকা (১৫০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়া) ঃ

(ক) উপযোগিতা বাদক পৰিণামবাদৰ এটা প্ৰকাৰ হিচাপে গণ্য কৰিব পাৰি নে? তোমাৰ উত্তৰৰ সপক্ষে যুক্তি দিয়া।

(খ) অধিনীতি শাস্ত্ৰবিদ সকলে কেনেকৈ 'শ্ৰেয় মানে কি?' প্ৰশ্নটোৰ উত্তৰ দিছে?

(গ) আবেগবাদ কেনেদৰে পৰামৰ্শবাদৰ পৰা পৃথক লিখা।

প্ৰশ্ন নং ৪ ঃ ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ দিয়া) ঃ

(ক) আবেগবাদ বুলিলে কি বুজা?

(খ) উপযোগিতা বুলিলে কি বুজা?

(গ) প্ৰকৃতিবাদক নীতিশাস্ত্ৰৰ এটা তত্ব হিচাপে আলোচনা কৰা।

(ঘ) পৰিণামবাদ বুলিলে কি বুজা? ই উদ্দেশ্যমূলক তত্বৰ পৰা পৃথক নেকি? যুক্তি দৰ্শোৱা।

(ঙ) 'শ্ৰেয়'ৰ দৰে নৈতিক পদবোৰৰ এটা অধিনীতি শাস্ত্ৰ মূলক ব্যাখ্যা আগবঢ়োৱা।

* * * * *

অধ্যায় ১৪ ঃ মুৰ ঃ ভালৰ ধাৰণাৰ অব্যাখ্যাকৰণ

অধ্যায় গঠন ঃ

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ ভালৰ ধাৰণাৰ অব্যাখ্যাকৰণ

১৪.৩.১ সাধাৰণ আৰু জটিল সম্পত্তি

১৪.৩.২ মুক্ত প্রশ্নৰ যুক্তি

১৪.৪ প্রকৃতিগত দোষ

১৪.৫ অর্ন্তনিহিত মূল্য হিচাপে ভালৰ ধাৰণা

১৪.৬ সমালোচনা

১৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৪.৮ অধিক জানিবলৈ

১৪.৯ অগ্রগতিৰ খতিয়ান

১৪.১০ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়নৰ পিচত আপুনি-

- মুৰৰ 'নৈতিক প্রতিবাদ'ৰ উদ্দেশ্যবোৰ উপস্থাপনৰ বিষয়ে জানিব পাৰিব।
- প্রকৃতিগত দোষ সম্পর্কে আলোচনা কৰিব পাৰিব।
- 'ভাল'ৰ ধাৰণাটো কিয় ব্যাখ্যা কৰিব নোৱাৰি তাক আলোচনা কৰিব পাৰিব।

১৪.২ পৰিচয়

মুৰৰ নৈতিক বচনবোৰে এক বিশাল পৰিমাণৰ অতুলনীয় ধাৰণা অন্তর্ভূক্ত কৰে যেনে 'নৈতিক' যেনে 'ভাল', 'শুদ্ধ', 'কর্তব্য' ইত্যাদি। মুৰৰ মতে এই সকলোবোৰৰ ভিতৰত প্রধান হ'ল 'ভাল'ৰ ধাৰণা কিয়নো আনবোৰক 'নৈতিক' ধাৰণা বা ধর্ম হিচাপে 'ভাল'ৰ ধাৰণাটোৰ লগত তার্কিক সম্পর্ক থকা বাবেই নৈতিক ধাৰণা বুলি গণ্য কৰা হয়। মুৰে ভালৰ ধাৰণাটোৰ সম্পর্কে এক গুৰুত্বপূর্ণ ব্যাখ্যা আগবঢ়াইছে। যিখিনি আন নৈতিকদার্শনিক সকলে কৰিব পৰা নাই। তেওঁ শব্দৰ মৌখিক সংজ্ঞাবোৰৰ মাজত পার্থক্য নির্ণয় কৰিছে, যেনে কোনো ধৰণে এটা শব্দ ব্যৱহৃত হয় আৰু সাধাৰণতে মানুহে তাক কেনেকৈ ব্যৱহাৰ কৰে। দ্বিতীয়টো, এটা শব্দৰ

প্ৰকৃত স্বভাৱ বা স্বৰূপটো কি? আন অৰ্থত ক'বলৈ হ'লে মুৰৰ নীতিবিজ্ঞানে দুই ধৰণৰ নৈতিক দাবীৰ মাজত এক গুৰুত্বপূৰ্ণ পাৰ্থক্য নিৰ্ণয় কৰিছে ঃ যেনে কি বস্তু ভাল আৰু আমি কেনে ধৰণৰ কৰ্ম কৰিব লাগে। এই দুই ধৰণৰ নৈতিক ধৰ্মৰ মাজত মুৰৰ মতে যি কোনো এটা ঘটনা বা কাৰ্য্য ভাল বা শুদ্ধ হ'ব পৰাটোৱে মৌলিক।

মুৰে তেওঁৰ 'Principia Ethica' নামৰ গ্ৰন্থঘনত কেনেকৈ আন দাৰ্শনিক সকলে 'ভাল'ৰ ধাৰণাটো ব্যাখ্যা কৰিবলৈ যাওঁতে কেনেকৈ সেই ধাৰণাটোক কিছুমান প্ৰাকৃতিক ধৰ্ম যেনে 'আনন্দ', 'ইফকৃত', 'কাৰ্য্য' ইত্যাদি শব্দৰ মাধ্যমত প্ৰকাশ কৰিবিচাৰোতে এক ধৰণৰ দোষ ঘটাইছিল যাক 'প্ৰকৃতিগত দোষ' বুলি কোৱা হয়। তাৰ বিষয়ে আলোচনা কৰিছিল। তেওঁৰ মতে 'ভাল'ৰ ধাৰণাটোক আমি ব্যাখ্যা কৰিব নোৱাৰো কাৰণ ই হ'ল এটা খুব সৰল, অ-প্ৰাকৃতিক ধৰ্ম যাক কোনো আন ধৰ্ম বা সম্পত্তিৰ মাধ্যমত ব্যাখ্যা কৰিব নোৱাৰি। ই হ'ল এটা অন্তৰ্নিহিত মূল্য য'ত প্ৰাকৃতিক ধৰ্মৰ অভাৱ থাকে। সেয়েহে, যেতিয়া এজন আত্ম-মুখবাদীয়ে দাবী কৰে যে "যি বস্তুৱে আমাক আনন্দ দিয়ে, সিয়েই ভাল" তেতিয়া আমি পুণৰাই প্ৰশ্ন কৰিব পাৰো যে 'যি বস্তুই আনন্দ দিয়ে, সি সচাই ভালনে?' তেওঁৰ 'ভাল'ৰ ধাৰণাৰ অব্যাখ্যাকৰণৰ যুক্তিটোক মুক্ত প্ৰশ্নৰ যুক্তি বুলি কোৱা হ'ব।

১৪.৩ ভালৰ ধাৰণাৰ অব্যাখ্যাকৰণ

জি. ই. মুৰৰ মতে ভালৰ ধাৰণাটো এটা এনেকুৱা মৌলিক ধাৰণা যাক কোনো প্ৰাকৃতিক ধৰ্মৰ আধাৰত ব্যাখ্যা কৰিব নোৱাৰি। মুৰৰ ভালৰ ধাৰণাৰ অব্যাখ্যাকৰণৰ মুল বক্তব্যটোৱে হৈছে যে ই এটা সৰল ধৰ্ম। যদি কিবা এটা ধাৰণাক ব্যাখ্যা কৰিব পৰা যায় তেনেহ'লে সি এটা জটিল ধৰ্ম। সৰল ধৰ্মক ব্যাখ্যা কৰিব নোৱাৰি। সেয়েহে যেতিয়া আমি কিবা এটা বস্তুক ভাল বুলি কম, তেতিয়া 'ভালত্ব'ৰ তিনিটা ধাৰণা পোৱা যায়- (ক) ভালত্ব হৈছে এটা সৰল ব্যাখ্যাহীন ধৰ্ম (খ) এ হ'ল এটা জটিল ব্যাখ্যা কৰিব পৰা ধৰ্ম (গ) 'ভাল' শব্দটো অৰ্থহীন আৰু 'নৈতিকতা' বুলি কোনো বিষয় নাই। মুৰে তিনি নম্বৰ যুক্তিটোক খণ্ডন কৰিছে। আৰু তেওঁৰ দুই নম্বৰ যুক্তিটোৰ বিপক্ষে দিয়া যুক্তিবোৰক 'মুক্ত প্ৰশ্নৰ যুক্তি' বুলি কোৱা হয়।

১৪.৩.১ সাধাৰণ আৰ জটিল সম্পত্তি বা ধৰ্ম

কোনো এটা বস্তুক ভাল বুলি কোৱাৰ অৰ্থ হ'ল যে, ইয়াত 'ভালত্ব' নামৰ এটা গুণ আছে। বস্তুৰ প্ৰধানতঃ দুই ধৰণৰ সম্পত্তি বা ধৰ্ম থাকে- সাধাৰণ আৰু জটিল। মুৰৰ মতে কিছুমান জটিল ধাৰণা আন কিছুমান সৰল ধৰ্মৰ সম্পত্তি। তেওঁ ঘোঁৰাৰ উদাহৰণটোক এনেকুৱা ধৰণৰ সৰল ধৰ্মৰ উদাহৰণ বুলি উল্লেখ কৰিছে। ঘোঁৰাৰ চাৰিখন ঘৰি, এটা মুৰ, এটা কলিজা, লিভাৰ, ইত্যাদি ইত্যাদি অংগসমূপ এনে ধৰণে শৃংখলিত যে যাৰ দ্বাৰা আমি ঘোৰা বুলি কোৱাৰ লগে লগে আমি ইয়াৰ গঠন তথা আকৃতিটো মনলৈ আহে। ইয়াকেই ঘোৰাৰ সংজ্ঞা বলিও ক'ব পাৰি। মুৰে ঘোৰাৰসংজ্ঞাক হালধীয়াৰ সংজ্ঞাৰ লগত

বিৰোধিতা কৰিছে। উদাহৰণস্বৰূপে, আমি হালধীয়াৰ ধাৰণাটোক কোনো এটা শাৰীৰিক বস্তুৰ লগত তুলনা কৰি সংজ্ঞা দিব পাৰো। হালধীয়া ৰংটোৱে কেনেদৰে আমাৰ চকুত উত্তেজনাৰ সৃষ্টি কৰে আমি তাক উল্লেখ কৰিব পাৰো যাৰ বাবে আমি ৰংটো দেখা পাবলৈ সক্ষম হওঁ। কিন্তু হালধীয়া বুলি ক'লে আমি কেৱল সেই হালধীয়া ৰংটোৰ উত্তেজনাকে নুবুজো বা নেদেখো। বৰং আমি সেই ৰংটোৰ অস্তিত্ব কেতিয়াও আৱিস্কাৰ কৰিব নোৱাৰিলোহেতেন যদিহে আমি বিভিন্ন ৰংৰ মাজত থকা পার্থক্যবোৰ অনুভৱ কৰিব নোৱাৰিলোহেতেন। সেয়েহে হালধীয়া বুলি কোৱাত আমি হালধীয়া ৰংটোৰ সম্পত্তি বা ধর্ম হিচাপে সেই ৰংটোৱে আমাৰ চকুত সৃষ্টি কৰা সেই উত্তেজনাবোৰ অনিবার্য্যভাৱে ৰংটোৰ লগত সংগত কৰে বুলি গণ্য কৰো। কিন্তু হালধীয়া বুলি ক'লে কি কি ধর্ম বা সম্পত্তি থাকিব লাগিব তাক আমি খাটাং ভাৱে ক'ব নোৱাৰো কিয়নো হালধীয়া ৰংটো হৈছে এটা সৰল ধর্ম বা সম্পত্তি যাক ব্যাখ্যা কৰিব নোৱাৰি। সেয়েহে ই অৱর্ণনীয়।

এই যুক্তিটোত কথাটো হ'ল যে-হালধীয়াৰ দৰে ভালৰ ধাৰণাটোও এটা সৰল অৱর্ণনীয় সম্পত্তি বা ধর্ম। এই ক্ষেত্রত মুৰৰ যুক্তিটোক মুক্তপ্রশ্নৰ যুক্তি বুলি জনা যায়।

১৪.৩.২ মুক্ত প্রশ্নৰ যুক্তি

ভালৰ ধাৰণাৰ অব্যাখ্যাকৰণৰ ক্ষেত্রত মুৰৰ প্রধান যুক্তিটোক মুক্ত প্রশ্নৰ যুক্তি বুলি কোৱা হয়। এই যুক্তি মতে, এই ক্ষেত্রত মুৰৰ প্রস্তাৱটো হ'ল এনেকুৱা ধৰণৰ ঃ 'desire to desire to desire to desire' আৰ ইয়াৰ প্রশ্নবোৰৰ ক্ষেত্রত ইয়াৰ মাজত থকা চিন্তনবোৰ হ'ল 'Is pleasure good?' আৰু 'Is pleasure pleasant?' এই যুক্তিটো এনে ধৰণৰ-

(ক) ভালৰ ধাৰণাটো হ'ল এটা সৰল আৰু অৱর্ণনীয় ধর্ম কাৰণ ভালত্বৰ যিকোনো বর্ণনা F ৰ বাবে এইটো স্পষ্ট নহয় যে সেই 'F-ness' টো ভাল হয় নে নহয়?

(খ) ভালৰ ধাৰণৰাটো হ'ল এটা সৰল আৰু অৱর্ণনীয় ধর্ম কাৰণ ভালত্বৰ যিকোনো বর্ণনা F ৰ বাবে, 'F-ness' যে ভাল সেই বচটো 'F-ness' বেয়া বা মিছা এই বচনটোৰ পৰা পৃথক।

(গ) ভালৰ ধাণাটো এটা সৰল আৰু অৱর্ণনীয় ধর্ম কাৰণ ভালত্বৰ যিকোনো বর্ণনা F ৰ বাবে, যিকোনো এটা বস্তু n ৰ বাবে, 'x is good' এই বচনটো 'x is F' এই বচনটোৰ পৰা পৃথক।

যদিও এই যুক্তিটোৰ প্রথম স্তৰটো বৰ সন্তোষজনক নহয় তথাপিও ইয়াৰ দ্বিতীয় আৰু তৃতীয় স্তৰটো তুলনামূলক ভাৱে দুটা কথাৰ ওপৰত নির্ভৰ কৰিছে-

(ক) এই এটা মুক্ত প্রশ্ন যে 'Give that x is F, is x good?'

(খ) এইটো এটা মুক্ত প্রশ্ন নহয় যে 'Give that x is good, is x good?'

সিদ্ধান্ত ঃ 'x is F' আৰু 'x is good' এই দুটা পৃথক বচন।

এই যুক্তিটোৰ ক্ষেত্রত 'মুক্ত প্রশ্ন'ৰ ধাৰণাটো বৈধ যে, যিবোৰ ধর্মৰ বাবে F ক বুজোৱা হয় আৰু যিবোৰ ধর্মৰ বাবে 'good' ক বুজোৱা হয় সেইবোৰ একে নহয়। এই যুক্তিটোৰ বৈধতাৰ ক্ষেত্রত কোনোবোৰ বচনৰ দৰকাৰ হ'ব? এইটো এটা মুক্ত প্রশ্ন।

'মুক্ত প্রশ্ন' নামৰ এই পদটোৱে বুজায় যে যিবোৰ মানুহে ভাৱে যে ভালৰ ধাৰণাটোক ব্যাখ্যা বা বর্ণনা কৰিব পাৰি তেওঁলোকে কয় যে তেওঁলোকৰ সংজ্ঞাত যিবোৰ নৈতিক নীতিৰ কথা কোৱা হয় সেইবোৰক অস্বীকাৰ কৰিব নোৱাৰি আৰু যিয়ে তাক অস্বীকাৰ কৰিব, সেই সংজ্ঞা দিয়া ব্যক্তিজনে উত্তৰ দিব যে, "This is not an open question : The very inearing of the word decides it, no one can think otherwise except though confusion."

মুৰে মন্তব্য দিছিল যে সংজ্ঞাদিয়াৰ ক্ষেত্রত সদায় এটা মুক্ত প্রশ্নৰ সুযোগ থাকি যায়, যে ভাল মানে দৰাচলতে কি? কিন্তু এইটো হ'ব তেতিয়াহে যেতিয়া 'ভাল'ৰ ধাৰণাটোৱে ইয়াৰ সংজ্ঞাৰ দ্বাৰা যিখিনি বুজাব লাগে তাক বুজাবলৈ অসমর্থ হয়। যদি আমি 'বৰলা' ৰ অর্থ বিচাৰিবলৈ যাওঁ তেনেহ'লে বৰলা মানে আচলতে কি, 'এজন ব্যক্তি, যি অবিবাহিত'? কিন্তু ইয়াত এইটো সুধা যুক্তিকৰ নহ'ব যে "Yes, but is a bachelor rally an unmarried man?" বা "but is every unmarried man really a bachelor?" কাৰণ "bachelor" বা বৰলা শব্দটোৰ সম্পূর্ণ অর্থটো "অবিবাহিত' বা "unmarried man" ৰ দ্বাৰাই বুজোৱা হৈছে। আনহাতে, ভালৰ ধাৰণাৰ ব্যাখ্যাকৰণৰ ক্ষেত্রত এনে প্রশ্ন সোধা যুক্তিকৰ হ'ব কাৰণ 'ভাল' সম্পর্কে দিয়া সকলোবোৰ সংজ্ঞাইইয়াক অর্থবহন কৰিবলৈ অক্ষম। আৰু যিহেতু 'ভাল' সম্পর্কে দিয়া সকলোবোৰ সংজ্ঞাৰ ক্ষেত্রতেই এইবোৰ বিদ্যামান সেয়েহে 'ভাল' ৰ ধাৰণাটোৰ সংজ্ঞা দিব নোৱাৰি।

ইয়াৰ উপৰিও মুৰে কৈছিল যে, ভাল সম্পর্কে দিয়া সংজ্ঞাবোৰক কিছুমানপ্রাকৃতিক ধর্মৰ আধাৰত বর্ণনা কৰিবলৈ হ'লে আন এটা দোষ কৰা হয় যাক 'প্রকৃতিগত দোষ' বুলি কোৱা হয়। তেওঁ ইয়াক 'প্রকৃতিগত দোষ' বুলি এই বাবে কৈছিল কাৰণ 'ভাল'ৰ ধাৰণাটোৰ যেতিয়া কিছুমান প্রাকৃতিক বস্তু বা ধর্মৰ আধাৰত ব্যাখ্যা কৰাৰ চেষ্টা কৰা হ'ব তেতিয়াই 'প্রকৃতিগত দোষ'ৰ অৱতাৰণা হয়।

১৪.৪ প্রকৃতিগত দোষ

প্রকৃতিগত তত্ববোৰে 'ভাল'ৰ ধাৰণাটোক প্রাকৃতিক ধর্মৰ আধাৰত ব্যাখ্যাকৰিবলৈ চেষ্টা কৰিছে। প্রাকৃতিক সম্পত্তিবোৰ বুলি ক'লে মুৰে সকলোবোৰ অনৈতিক কিছুমান প্রাকৃতিক বস্তু বা ধর্ম বা সম্পত্তিৰ আধাৰত ব্যাখ্যা কৰিবলৈ চেষ্টা কৰিলে যি দোষৰ অৱতাৰণা হয় তাকেই

প্রকৃতিগত দোষ ঘটে। মুৰৰ মতে নীতিবিজ্ঞানৰ দায়িত্ব হ'ল এয়ে যে এটা নৈতিক ধাৰণাক আন এটা নৈতিক ধাৰণাৰ আধাৰত ব্যাখ্যা কৰা বুজাইছিল। এই দৃষ্টিৰে চাবলৈ গ'লে 'ভাল'ৰ ধাৰণাটোক 'শুদ্ধ' বা 'উচিত' এই ধাৰণাৰ সহায়ত বর্ণনা কৰিব পাৰি। উদাহৰণ স্বৰূপে, "এটা শুদ্ধ কর্ম হ'ল সেইটো যিয়ে এটা ভাল ফলাফল দিব পাৰে।" কিন্তু এনে ধৰণৰ সংজ্ঞাবোৰৰ অসুবিধা হ'ল এয়ে যে ইয়ে 'ভাল'ক 'শুদ্ধ'ৰ মতে আৰু 'শুদ্ধ'ক 'ভাল'ৰ ধাৰণাৰ লগত তুলনা কৰিছে। এই ক্ষেত্রত প্রশ্ন সদায় ভাল হয়নে? এইটো এটা মুক্ত প্রশ্ন যে এই সংজ্ঞাবোৰ চক্রাকাৰ হয় আৰু এইবোৰ কোনো সংজ্ঞা বুলি ক'ব নোৱাৰি। সেইবাবেমুৰৰ বাবে ভালৰ ধাৰণাটো সদায় অৱর্ণনীয়।

মুৰে ভালৰ ধাৰণাটো অৱর্ণনীয় যুক্তিটোৰ মৌলিক সত্যটো এনে ধৰণে প্রকাশিত কৰিছে যে ভালৰ ধাৰণাটোক কেনো ধৰণৰ প্রাকৃতিক সংজ্ঞাৰ আধাৰত বর্ণনা কৰিব নোৱাৰি। উদাহৰণ স্বৰূপে, 'ভাল'ৰ ধাৰণাটো হ'ল আনন্দৰ উৎপাদক। ইয়াত প্রশ্নটো এইটো নহয় যে এই বাক্যটো সঁচা নে মিছা। প্রশ্নটো হ'ল এয়ে যে এইটো ভালৰ ধাৰণাবোৰ এটা উপযুক্ত সংজ্ঞা হয় নে নহয়। মুৰে এইটো স্বীকাৰ কৰিছিল যে ভাল কর্মবোৰ ঘটনাক্রমে আনন্দৰ উৎপাদক। আন কিছুমানে অলপ বেছিকৈ ক'ব খোজে যে আনন্দ উৎপাদন কৰাটো 'ভাল' নামৰ পদটোৰ অর্থৰ এটা অংশ যদিও ই গোটেই খিনি নহয়। সেয়েহে কেৱল আনন্দৰ উৎপাদক বুলি ক'লেই ভালৰ ধাৰণাটোক বর্ণনা কৰা নহয়। আন কিছুমান এনেকুৱা চিন্তাবিদো আছে যে যি সকলে ক'ব বিচাৰে যে যেতিয়া কোনো এটা কর্মই তেতিয়াই ভাল হ'ব যেতিয়া ই আনন্দৰ উৎপাদক বা আনন্দ প্রদান কৰিব পাৰিব। কিন্তু এইটো 'ভাল'ৰ ধাৰণাটোৰ সংজ্ঞা বুলি ক'ব নেৱাৰি। একে ধৰণে কোনো এটা পোহৰৰ কিৰণে হালধীয়া ৰংৰ আকাৰ দিয়ে, কিন্তু ইয়াক হালধীয়াৰ সংজ্ঞা বুলি ক'ব নোৱাৰি।

ওপৰোক্ত আলোচনাৰ পৰা পোৱা গ'ল যে মুৰে এইটো প্রমাণ কৰিব লাগিব যে ভালৰ ধাৰণাৰে আনন্দ উৎপাদন কৰাতকৈয়ো আন কিছুমান বেছি বস্তু অন্দর্ভূক্ত কৰিব লাগিব আৰু সেয়েহে ইয়াৰ ব্যাখ্যাত ই আন কিছুমান প্রাকৃতিক বৈশিষ্ট্যও অন্তর্ভূক্ত কৰে। ইয়াৰ কাৰণ হ'ল যে ভালৰ ধৰণাটো আনন্দৰ উৎপাদকৰ লগত একে নহয়। সেয়েহে 'ভাল' মানে কি? এই প্রশ্নটোৰউত্তৰ কেৱল তেতিয়াহে দিব পৰা যায় যেতিয়া ইয়াক প্রজ্ঞাৰ সহায়ত গম পোৱা যায় বা আমি যেতিয়া 'ভাল' পদটো ব্যৱহাৰ কৰো তেতিয়া আমাৰ মনত কি ভাৱ থাকে। আন অর্থত ক'বলৈ হ'লে 'ভাল'ৰ ধাৰণাটো কিছুমান বিশেষ ক্ষেত্রত কিছুমান প্রজ্ঞাত্মক বা 'স্বজ্ঞাত্মক' ধাৰণাৰ দ্বাৰা জনা যায়।

১৪.৫ অন্তর্নিহিত মূল্য হিচাপে ভালৰ ধাণা

মুৰে মত প্রকাশ কৰিছিল যে যদি এবাৰ প্রকৃতিগত যোষৰ ওপৰত প্রতিস্তিত যুক্তিবোৰৰ খণ্ডন কৰিব পৰা যায়, তেনেহ'লে ভালৰ ধাৰণাটোক এক অন্তর্নিহিত মূল্য হিচপে বুজিব পৰা

যায়। মুৰে তেওঁৰ অন্তনির্হিত মূল্যৰ তালিখাখন প্রস্তুত কৰিছিল য'ত বন্ধুত্ব আৰু সৌন্দর্য্যৰ প্রশংসা জাতীয় মূল্যবোৰ অন্তর্ভূক্ত হৈছিল। তেওঁৰ মতে এই অন্তনির্হিত মূল্যবোৰ অতুলনীয়, আৰু সেয়েহে এইবোৰৰ মাজত প্রাধান্যত বিচাৰ কৰাটো ব্যক্তিগত বিচাৰৰ ওপৰত নির্ভৰ কৰিব। আন অর্থত ক'বলৈ গ'লে অন্তনির্হিত ভালৰ ধাৰণাটোৰ বিষয়ে থকা সকলো প্রশ্ন তথা বিবাদ কেৱল মুৰৰ মতে 'নৈতিক স্বজ্ঞা'ৰ ওপৰত নির্ভৰ কৰিছে সমাধান কৰিব পাৰি। এই বচনবোৰ স্বতঃ প্রামাণ্য বচন যিবোৰ কেৱল নৈতিক প্রতিফলনৰ জাতিয়তে বিচাৰ কৰিব পাৰি, কিন্তু ইয়াক প্রামাণ্যতা বা অপ্রামাণ্যতাৰ দ্বাৰা সন্দেহ কৰিব নোৱাৰি। ফলস্বৰূপে আন সকলো পিছৰ গণ্য কৰিছিল। তথাপিও মুৰে নিজৰ মতবাদটোক উদ্দেশ্যমুলক স্বজ্ঞাবাদৰ পৰা পৃথক কৰিছিল যাৰ মতে স্বজ্ঞাই হে কেৱল এইটো থিৰাং কৰে যে কোনোবোৰ কর্ম শদ্ধ বা কোনোবোৰ কর্ম কর্তব্য হিচাপে সমাপন কৰিব লাগে। আনহাতে, এজন পৰিণতিবাদৰ পূৰপোষক হিচাপে, মুৰে দাবীকৰিছিল যে দায়িত্ব আৰু নৈতিক নীতিসমূহ কিছুমান বিশেষ কর্মৰ ফলাফলৰ দ্বাৰাহে থিৰাং কৰিব পাৰি আৰু সেয়েহে এইবোৰ আৰু জ্ঞাতাভিত্তিক অনুসন্ধানৰহে বিষয় আৰু ই কোনো স্বজ্ঞাৰ বিষয় নহয়। মুৰৰ মতামত অনুসৰি স্বজ্ঞাই কোনো বিশেষ কর্মৰ শুদ্ধতা বা অশুদ্ধতা প্রকাশ নকৰে, মাত্র কোনোবোৰ বস্তু নিজৰ মাজতেই ভাল যাক লক্ষ্য হিচাপে গ্রহণ কৰিব পৰা যায় তাকেই প্রকাশ কৰে।

১৪.৬ সমালোচনা

মুৰৰ বিপক্ষে ইটো যুক্তি দিয়া হয় যে যদি আমি ভালৰ ধাৰণাটোক সংজ্ঞা কৰিব নোৱাৰোতেনেহ'লে নীতিবিজ্ঞানৰ মৌলিক ধাৰণাবোৰক অধ্যয়ন কৰাটো অসম্ভৱ হৈ পৰিব। যদি আমি মুৰৰ মত গ্রহণ কৰো তেনেহ'লে আমি ক'ব লাগিব যে আমি ভালৰ ধাৰণাটোক কেৱল স্বজ্ঞাৰ দ্বাৰাহে জানিব পাৰো আৰু সেইটোৱেই বিষয়টোৰ অন্ত পেলাব। কিন্তু যদি আমি কওঁ যে ভালৰ ধাৰণাটোক স্বজ্ঞাৰ দ্বাৰাজনাটো সম্ভৱ তেনেহ'লে বিষয়টো ইমানতে অন্ত নপৰে। সেইবাবে সমালোচক সকলে মন্তব্য দিয়ে যেনীতিবিদ্যাত ভালৰ ধাৰণাৰ সম্পর্কে বহুতো সার্বিক সত্য বাক্য নিহিত হৈ থাকে। উদাহৰণস্বৰূপে, যদি 'হালধীয়া'ৰ ধাৰণাটো এটা সৰল আৰু বর্ণনা কৰিব নোৱাৰা অবর্ণনীয় সৰল ধাৰণা, ইয়াক কেৱল ৰংৰ পোনপটীয়া সাক্ষতৰ জৰিয়তেহে জানিব পাৰো আৰু এজন ব্যক্তি যি অন্ধ হৈ জন্ম গ্রহণ কৰিছে, তেওঁৰ বাবে কোনো ধৰণৰ ৰং জনাবা দেখাটো চিৰদিনৰ বাবে অসম্ভৱ হৈ ৰ'ব। যদি আমি মুৰক সমর্থন কৰো তেনেহ'লে আমি মানি ল'ব লাগিব যে হালধীয়াৰ দৰে ভালৰ ধাৰণাটোৱো এটা অবর্ণনীয় ধাৰণা। তথাপিও, হালধীয়া সম্পর্কে বহুতো বৈজ্ঞানিক বাক্য গঠন কৰিব পাৰি। উদাহৰণস্বৰূপে, পদার্থ বিজ্ঞানক ইয়াৰ তৰংগৰ সহায়ত বর্ণনা কৰিব পাৰি যদিও ৰং সম্পর্কে থকা অনুভৱবোৰ তৰংগৰ লগত একে নহয়। আনহাতে ইয়াক বর্ণনা কৰাৰ আন এটা উপায় হ'ল যে হালধীয়াক নীলাৰ পৰিপূৰক ৰং হিচাপে ক'ব পাৰি বা ইয়াক কামনা ৰংৰ মাজেৰে পাৰ হৈ যোৱা ৰঙা ৰংৰ দৰে বিভিন্ন ৰংৰ এটা ধাৰাবাহিকতা বুলি ক'ব পাৰিবা।

ইয়াক কিছুমান প্ৰাকৃতিক বস্তুৰ ৰং বুলিও ক'ব পাৰি। একেদৰে, যদিও কোৱা হয় যে, 'ভাল'ৰ ধাৰণাটো অৱৰ্ণনীয়, তথাপিও সমালোচকসকলে কয় যে 'ভাল'ৰ ধাৰণাটো সম্পৰ্কে এতিয়াও বহুত ধৰণৰ সাৰ্বিক সত্য বচন গঠন কৰিব পাৰি। যেনে, ভাল হ'ল আনন্দৰ উৎপাদক বা ভালৰ ধাৰণাটোৰ কোনো ধৰণৰ সংজ্ঞা দিয়া নাই।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ Principa Ethicaৰ লেখক কোন?

.....

প্ৰশ্ন নং ২ ঃ জি. ই. মুৰৰ মাত ভালৰ ধাৰণাটো ধৰ্মৰ আধাৰত ব্যাখ্যা কৰিব পাৰিণে?

.....

প্ৰশ্ন নং ৩ ঃ কোনো এটা বস্তুক ভাল বুলি কোৱা অৰ্থ কি?

.....

.....

প্ৰশ্ন নং ৪ ঃ মূৰৰ প্ৰধান যুক্তিটো কি?

.....

.....

প্ৰশ্ন নং ৫ ঃ প্ৰকৃতিগত দোষটো কোনে আগবঢ়াইছে?

.....

.....



১৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- Principia Ethica ৰ মূল কথা হ'ল 'ভাল'ৰ ধাৰণাটো এটা সৰল অপ্ৰাকৃতিক ধাৰণা বা সম্পত্তি।
- কোনো এটা বস্তু পৰাবিদ্যাৰ ফালৰ পৰা সৰল বুলি কোৱা মানে এইটো বুজায় যে যত কোনো অংশ নাথাকে, নিজৰ গঠনত যত কোনো ধৰণৰ বিভাজন বা পাৰ্থক্য নাই।
- সৰলতাৰ ধাৰণাটো কোনো বস্তুৰ দ্বাৰা গঠিত নহয়, আৰু সেয়েহে ইয়াক কোনো অংশত ভাগ কৰিব নোৱাৰি।
- সৰলবোধক সেইবোপে বৰ্ণনা কৰিব নোৱাৰি। ভালৰ ধাৰণাটো আন কোনো বেলেগ ধাৰণাৰ দ্বাৰা গঠিত নহয়। ফলস্বৰূপে ইয়াক বৰ্ণনা কৰিব নোৱাৰি, অংশ হিচাপে ভাল কৰিব নোৱাৰি, যেনেদৰে 'Bachelor' ক ভাল কৰিব পাৰি।

- মুৰে এই অৱস্থাটোক বর্ণনা কৰিছে 'ভাল'ৰ ধাৰণাটোৰ লগত হালধীয়াৰ ধাৰণাটোৰ লগত তুলনা কৰিছে। ৰংৰ ধাণাবোৰক বিশ্লেষণাত্মক বর্ণনাৰে জানিব নোৱাৰি, কেৱল মাত্র পৰিচয়ৰ বোৱহে অর্থাৎ পোনপটীয়া স্বজ্ঞাৰ সহায়েৰে জানিব পাৰি।
- একেদৰে, 'ভাল'ৰ ধাৰণাটোক যদি 'আনন্দ' বা 'ইচ্ছা' বা 'ভাল'ৰ ধাৰণাটোক অর্থ বুজিবলৈ টান।



১৪.৮ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) পাঠ্যপুথি প্রস্তুতি সমন্বয় সমিতি, গুৱাহাটী বিশ্ববিদ্যালয় —*নীতিশাস্ত্র*

২) সেনগুপ্ত, ব্যানার্জী পাব্লিশার্স —*নীতিবিজ্ঞান*

৩) শৈলেন বৰকাকতি —*নীতিশাস্ত্র*

৪) অঞ্জলি দেৱী —*নীতিবিদ্যা*

৫) ড° জ্যোৎস্না ভট্টাচার্য্য —*নীতিবিজ্ঞান*

১৪.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ জি. ই. মুৰ

২ নং প্রশ্নৰ উত্তৰ ঃ নোৱাৰি

৩ নং প্রশ্নৰ উত্তৰ ঃ ভালতত্ব

৪ নং প্রশ্নৰ উত্তৰ ঃ মুক্ত প্রশ্নৰ যুক্তি

৫ নং প্রশ্নৰ উত্তৰ ঃ জি. ই. মুৰে

১৪.১০ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন নং ১ ঃ "Principia Ethica" গ্রন্থখনৰ লিখক কোন?

প্রশ্ন নং ২ ঃ জি. ই. মুৰৰ মতে কাক কোনে প্রাকৃতিক সম্পত্তি বা ধর্ম আধাৰত সংজ্ঞা দিব নোৱাৰিব?

প্ৰশ্ন নং ৩ ঃ প্ৰাকৃতিক দোষ বুলিলে কি বুজা?

প্ৰশ্ন নং ৪ ঃ পৰিণতিবাদ দৰ্শনিক এজনৰ নাম লিখা।

প্ৰশ্ন নং ৫ ঃ নৈতিক প্ৰকৃতিবাদৰ দুটা উদাহৰণ দিয়া।

(খ) চমু প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়া) ঃ

প্ৰশ্ন নং ১ ঃ ভালৰ ধাৰণাৰ অব্যাখ্যাকৰণৰ ওপৰত এটি চমুটোকা লিখা।

প্ৰশ্ন নং ২ ঃ নৈতিক স্বজ্ঞা বুলিলে কি বুজা?

প্ৰশ্ন নং ৩ ঃ অন্তৰ্নিহিত মূল্য বুলিলে কি বুজা? দুটা উদাহৰণ দিয়া।

প্ৰশ্ন নং ৪ ঃ ভালৰ ধাৰণাটোৱে সদায় আনন্দৰ উৎপাদক হয়নে?

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ দিয়া) ঃ

প্ৰশ্ন নং ৬ ঃ নৈতিক প্ৰকৃতিবাদৰ বুলিলে কি বুজা?

প্ৰশ্ন নং ৭ ঃ ভালৰ ধাৰণাটো ব্যাখ্যা কৰিব পাৰিনে? মুৰৰ Principia Ethica ৰ আধাৰত আলোচনা কৰা।

প্ৰশ্ন নং ৮ ঃ মুৰৰ ধাৰণাৰ আধাৰত 'মুক্ত প্ৰশ্ন'ৰ যুক্তিটোৰ অৰ্থটো আলোচনা কৰা।

প্ৰশ্ন নং ৯ ঃ ভালৰ ধাৰণাটো বিশ্লেষণ কৰিব পাগিনে? তোমাৰ উত্তৰৰ সপক্ষে যুক্তি দিয়া।

* * * * *

অধ্যায় ১৫ ঃ নৈতিক ভাষাৰ আবেগবাদী বিশ্লেষণ

অধ্যায় গঠন ঃ

১৫.১ উদ্দেশ্য

১৫.২ পৰিচয়

১৫.৩ আয়াৰৰ আবেগবাদ

১৫.৪ আয়াৰ আৰু সত্যাপন নীতি

১৫.৫ আয়াৰৰ আবেগবাদৰ মূল্যায়ণ

১৫.৬ ষ্টিভেনচনৰ আবেগবাদ

১৫.৭ আবেগবাদ আৰু নৈতিক অসন্মতি

১৫.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৫.৯ অধিক জানিবলৈ

১৫.১০ অগ্রগতিৰ খতিয়ান

১৫.১১ আৰ্হি প্রশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি জানিব পাৰিব -

- নৈতিক ভাষাৰ আবেগবাদী বিশ্লেষণ সম্পর্কে ধাৰণা কৰিব পাৰিব
- আবেগবাদ মনে কি?
- আবেগবাদ সম্পর্কে আয়াৰৰ মতামত কি?
- সত্যাপন নীতি সম্পর্কে আয়াৰৰ মতামত কি?
- ষ্টিভেনচনৰ আবেগবাদ কি?

১৫.২ পৰিচয়

নৈতিক ভাষাৰ আবেগবাদী বিশ্লেষণ মানে হ'ল নৈতিক ভাষা বা নৈতিক বিচাৰ, বাক্য, শব্দ আৰু কথা-বতৰা তথা নৈতিক বাক্য সম্পর্কে থকা আবেগবাদী তত্ব। আবেগবাদী হ'ল এটা অধিনীতি শাস্ত্রৰ মতবাদ যি দাবী কৰিছে যে নৈতিক বাক্যবোৰে কোনো বচন ব্যক্ত নকৰে কিনতু কিছুমান আবেগবাদী মনোভৱেহে ব্যক্ত কৰে। সেয়েহে ইয়াক Hurrah বা boo তত্ব বুলিও কোৱা হয়। আবেদ বা মনোভাৱ প্রকাশ কৰে।

আবেগবাদৰ মতে নৈতিক বিচাৰবোৰে প্রকৃত সত্য বা বাস্তৱতাৰ বাক্য বা বচন হিচাপে কাম নকৰে, বৰং ই বক্তা বা লিখকৰ আবেগ অনুভুতিবোৰকহে প্রকাশ কৰে। আবেগবাদৰ তত্ব মতে, আমি যেতিয়া কওঁ "পইচাখিনি চুৰ কৰি তুমি ভুল কাম কৰিছা" আমি কোনো বাস্তৱতা

ব্যাখ্যা কৰা নাই বৰং কৈছো যে "তুমি পইচা খিনি চুৰ কৰিছা।" এইদৰে কওঁতে আমি আমাৰ মনৰ অসন্মতিৰভাৱ প্ৰকাশ কৰিছো যে কিবা এটা কাম ভুলকৈ কৰা হৈছে আৰু সেয়েহে এই কথাটোত আমি আমাৰ অসন্মতি প্ৰকাশ কৰিছো। আবেগবাদৰ তত্বটো এ.জে. আয়াৰে তেওঁৰ Language, Truth and Logic (১৯৩৬) ত আৰ চার্লচষ্টিভেনচনে তেওঁৰ Ethics and Language (১৯৪৫) ত পৃষ্ঠপোষকতা কৰিছিল।

আবেগবাদৰ মতে নৈতিক বিচাৰৰ মাধ্যমেৰে সমুহে নিজৰ সন্মতি বা অসন্মতিৰ অনুভৱ বা মনোভাৱহে ব্যক্ত কৰে। "হত্যা ভুল" বুলি ক'লে ইয়াকে বুজা যায় যে ইয়াত ব্যক্তিজনৰ অসন্মতি প্ৰকাশ কৰিছে হত্যা নামৰ কার্য্যটোৰ ক্ষেত্ৰত। নৈতিক ভাষাবোৰ আবেগজনিত হয়। সেয়েহে, এক অর্মত আবেগবাদ আৰ বিষয়গত তত্বৰ মাজত এটা গুৰুত্বপূর্ণ পার্থক্য আছে। বিষয়গত তত্বই বাদী কৰে যে বিচাৰবোৰে সন্মতি বা অসন্মতি প্ৰকাশ কৰে আৰু কোনো এটা বিষয়ে অসন্মতি প্ৰকাশ কৰা আৰু তাক গ্ৰহণ কৰাৰ মাজত পার্থক্য আছে।

বিষয়গত ধাৰণাৰ এটা ৰূপ হ'ল যেতিয়া কোৱা হ'ব যে "x ভুল" তেনেহ'লে ইয়াক বুজোৱা হ'ব যে এইক্ষেত্ৰত অসন্মতি প্ৰকাশ কৰা হৈছে। কিন্তু এইটো শুদ্ধ নহয়, কাৰণ এইটো কোৱাতকোনোবিৰোধ নাই যে "যদিও বহুত মানুহে x ক মানি লয়, তথাপিও x ভুল।" উদাহৰণস্বৰূপে, জাতিবাদৰ কথা বুৱঞ্জীত বৰসঘনাই পোৱাযায়। কিন্তু আমি যুক্তি দাঙি ধৰিব পাৰো যে "জাতিবাদ ভুল" যদিও বহু মানুহে ইয়াক সন্মতি প্ৰকাশ কৰে।

বিষয়গত ধাৰণৰ দ্বিতীয় প্ৰকাৰ বা ৰূপটো হ'ল "বক্তা বিষয়গত ধাৰণা" যাৰ মতে "x ভুল"ৰ অর্থ হ'ল "মই x ৰ ক্ষেত্ৰত অসন্মতি প্ৰকাশ কৰিছো।" বা আকৌ "মই ভাৱো x ভুল।" এইটো নিজৰ বাবে কোৱা এটা বাস্তুৱকতা আৰু সেয়েহে এই বাক্যটো হয়তো সঁচা বা মিছা হ'ব পাৰে আৰু সেয়েহে ইয়াক সত্যাপন নীতিৰ জৰিয়তে সত্যাপন কৰিব পাৰি। বক্তা নিষয়গত ধাৰণা সেয়েহে জ্ঞানবাদৰ এটা অগতানুগতিক ৰূপ যিয়ে আমাৰ নৈতিক বিচাৰবোৰক সঁচা বুলি দর্শায় যিবোৰ বাস্তৱতে বক্তাৰ মনৰ বাস্তৱ ধাৰণা।

বক্তা বিষয়গত ধাৰণাই দর্শায় যে যিটো শুদ্ধ বা অশুদ্ধ তাৰ সম্পর্কে আমি কোনো ভুল কৰিব নোৱাৰো। যদি মই কওঁ "হত্যা শুদ্ধ" তেনেহ'লে ইয়াৰ দ্বাৰা মই মোৰ সন্মতি প্ৰকাশ কৰিছো। যদি মই বিশ্বাসী বা মোৰ একাগ্ৰতা আছে, তেনেহ'লে মই এই ক্ষেত্ৰত হত্যাক সন্মতি জনাইছো আৰু সেয়েহে ইয়াত মই মোৰ সন্মতি প্ৰকাশ কৰিছো হত্যা শুদ্ধ বুলি মানি লৈ। কিন্তু আমি স্বাভাৱিকতে ভাবিব পৰো যে নৈতিকতা সম্পর্কেও মানুহে ভুল কৰিব পাৰে। বক্তা বিষয়গত ধাৰণাই বিবেচনাৰ ক্ষেত্ৰত কোনো অর্থ বহন নকৰে বা কোনটো শুদ্ধ বা কোনটো অশুদ্ধ সেইটো বিচাৰি উলিয়াবলৈ চেষ্টা নকৰে। মই কিয় বিবেচনা কৰাটো উচিত? মই যি অনুভৱ নকৰো কিয় সেইটোৱেই শুদ্ধ।

আনহাতে, আবেগবাদে দাবীকৰে যে নৈতিক বিচাৰবোৰে কোনো ধৰণৰ সঁচা বা মিছা প্ৰকাশ নকৰে কাৰণ সেইবোৰ জ্ঞানবাদী ধাৰণা নহয়। এই মাত্ৰ বিষয়গত ধাৰণাৰ ক্ষেত্ৰত

আপত্তিবোৰহে দৰ্শাব পাৰে। "বহুত মানুহে জাতিবাদ মানি লয়" বোলা কথাষাৰ "জাতিবাদৰ ভুল" বোলা কথাষাৰৰ বিৰোধিতা নকৰে কাৰণ "জাতিবাদ" ভুল বোলা হ'লেই কোনো ব্যাক্তি ৰ্ভিত হ'ব নোৱাৰে, এনেকুৱা কোনো নৈতিক সত্যতা নাই।

আবেগবাদ অজ্ঞানবাদ বা প্রকাশবাদৰ এটা ৰূপ বুলি ধৰা হয়। ই অজ্ঞানবাদৰ আনবোৰ ৰূপৰ বিৰোধী (যেনে- আংশিক বাস্তৱবাদ আৰু সার্বিক পৰামর্শবাদ) আৰু সকলো ধৰণৰ জ্ঞানবাদৰ প্রাকৰ (নৈতিক বাস্তৱবাদ আৰু নৈতিক বিষয়বাদ উভয়ে।)

১৫.৩ আয়াৰৰ আবেগবাদ

এ.জে.আয়াৰে তেওঁৰ আবেগবাদৰ তত্বটো নীতি বিজ্ঞানত তর্কীয় প্রত্যক্ষবাদৰ ভিত্তিতেই বিকাশ কৰিছিল। তেওঁৰ 'Language, Truth and Logic' নামৰ গ্রন্থতকৈছে যে যিকোনো এটা বাক্য তেতিয়াই আকৰিকভাৱে অর্থপূর্ণ হ'ব যেতিয়া ই হয় বিশ্লেষণাত্মক বা অভিজ্ঞতাৰ দ্বাৰাসত্যাপনীয় হ'ব। যদি বাক্যটো বিশ্লেষণাত্মক হয় হয়, তেনেহ'লে ইয়াক তর্কীয় সম্মতিৰ আধাৰত নিশ্চিত বা অনিশ্চিত কৰিব পাৰি। ইয়াক বাক্যটোত ব্যৱহৃত প্রতীকবোৰৰ দ্বাৰা সহজতেই সত্যাপন কৰিব পাৰি। যদি ই স্বতঃসত্য হয় তেনেহ'লে ই সঁচা হ'ব আৰু যদি ইয়াত বিৰোধে দেখা দিয়ে তেনেহ'লে ই মিছা হ'ব। যদি বাক্যটো অভিজ্ঞতাৰ ওপৰত নির্ভৰশীল তেনেহ'লে ইয়াক নিৰীক্ষণৰ দ্বাৰা সত্যাপন কৰিব পাৰি। আৰু যদি বাক্যটোক নিশ্চিত বা অনিশ্চিত কৰিবৰ বাবে কোনো প্রমাণ নাথাকে তেনেহ'লে সেই বাক্যটোৰ কোনো আকৰিক অর্থ নাথাকে। তর্কীয় প্রত্যক্ষবাদী হিচাপে আয়াৰৰ মতে গুৰুত্বপূর্ণ বচনবোৰৰ দুটা প্রকাৰ আছে স্বতঃসত্য আৰু অভিজ্ঞতাভিত্তিক সত্যাপনীয় বাস্তৱিক বাক্য। তার্কিক সকলো বচন তথা গণিতৰ বচনবোৰ আৰু প্রতীকৰ সংজ্ঞাবোৰ প্রথম প্রকাৰৰ ভিতৰত অন্তর্গত, বৈজ্ঞানিক বচন আৰু দৈনন্দিন জীৱনৰ বচনবোৰ নিমানে এইবোৰে বাস্তৱিকতা উল্লেখ কৰে দ্বিতীয় প্রকাৰৰ ভিতৰত অন্তর্গত। আয়াৰে অর্থৰ সত্যাপন নীতি নীতিবিজ্ঞানত প্রয়োগ কৰিছিল।

আয়াৰে অনুভৱ কৰিছিল যে দৰাচলতে নৈতিক বিচাৰবোৰ সঘনাই আমাৰ কর্মৰ কিছুমান বাস্তৱিক শ্রেণীবিভাগ যিবোৰ আকৌ কিছুমান কর্মৰ শ্রেণী হয় যাৰ দ্বাৰা বক্তাৰ ক্ষেত্রত কিছুমান নিশ্চিত নৈতিক মনোভাৱ স্বাভাৱিকভাৱে প্রকাশ কৰিবৰ বাবে চেষ্টা কৰা হয়। এনেবোৰ বিচাৰ সত্যাপনীয় আৰু সেয়েহে এইবোৰ আকৰিকভাৱে অর্থপূর্ণ। সামাজিক নীতি নিয়ম ব মনোবৈজ্ঞানিক নৈতিক অভিজ্ঞতাৰ ব্যৱস্থাবোৰৰ বর্ণনাবোৰ কোনো নৈতিক ধর্ম বা সম্পত্তিৰ বস্তুগত অস্তিত্ব মানি নলয় সেইবোৰ বিশ্লেষণাত্মক বাক্য যাৰ তার্কিক অর্থ আছে আৰু সেইবোৰক ধাৰণাগত স্পষ্টীকৰণৰ বাবে ব্যৱহাৰ কৰা হয়। তথাপিও বহুত বচন বা বিচাৰ আছে য'ত নৈতিক পাদবোৰ সম্পূর্ণ আদর্শনিষ্ঠ ধৰণে ব্যৱহাৰ কৰা হয় যেনে 'মুখেই শ্রেয়', 'চুৰি কার্য্য ভুল'। এই ধৰণৰ বিচাৰবোৰ আয়াৰৰ মতে গ্রহণ মূলক এটা উপায়েৰেও সত্যাপন কৰিব নোৱাৰি। সিহঁতক সংজ্ঞাৰ ফালৰ পৰা সঁচা বা মিছা বুলি প্রতিপন্ন কৰিব নোৱাৰি। আনহাতে, শ্রেয় বেয়াৰ ধাৰণাটো

আমাৰ অভিজ্ঞতাত পোৱা ধাৰণাও নহয়। অভিজ্ঞতাৰ দিশৰ পৰা এই বিচাৰবোৰ অৰ্থহীন। জি.জে. ৰাৰনকে এই অৱস্থাটোক এনেভাৱে ব্যাখ্যা কৰিছে, "Since, Naturally and rightly, the positivists are disinclined to swallaw, intuition as a respectable mans of verification, and since no one was dispased to maintain thatmenal judgements in general were either tautolagus are vrifiable by ordinary sense enperiance, it followed that they could not be significant proposition: they could not really b as their grammatical corm night lead one to suppose, assertions in which genueine properties were ascribed to things, or indeadgnuine assertions of any kind at all. Theymustbe in their grammatical form, were masqueraders."

আয়াৰৰ মতে, মৌলিক নৈতিক ধাৰণাসমূহ শূণ্যধাৰণা। নৈতিক বিচাৰবোৰ দৰাচলতে কোনো ব্যাখ্যা বা বৰ্ণনা নহয়, বৰং সেইবোৰ হ'ল বিছুমান আৱেগজনিত প্ৰকাশ যাৰ দ্বাৰা আমি আমাৰ অনুভুতি আৰু মনোভাৱবোৰ ব্যক্ত কৰো। 'গাখীৰ বগা' বা 'মেৰী সুখী' ইত্যাদি বাক্যবোৰৰ দ্বাৰা আমি হয় সঁচা নাইবা মিছা বচন কিছুমান ব্যক্ত কৰা নুবুজায়। ই কোনো সাধাৰণভাৱে বচনো নহয়। আমি নৈতিক বাক্য সম্পৰ্কে ক'ব পাৰো, কিন্তু নৈতিক বচন সম্পৰ্কে ক'ব নোৱাৰো, কাৰণ আমি কি হয় এই সম্পৰ্কেহে অভিজ্ঞতা আহৰণ কৰিব পাৰো, কিন্তু আমি কি হোৱা উচিত এই সম্পৰ্কে অভিজ্ঞতা আহৰণ কৰিব নোৱাৰো। এনেবোৰ শব্দই কোনো খবৰ বহন নকৰে প্ৰকৃত শব্দটো সম্পৰ্কে। আবেগক ব্যাখ্যা কৰাটো আবেগক প্ৰকাশ কৰাতকৈ বেলেগ। নৈতিক বিচাৰৰ মুখ্য কাৰ্য্য হ'ল বক্তাৰ মনৰ অনুভৱৰ তথা মনোভাৱবোৰ কিবা এটা নিৰ্দিষ্ট বস্তু সম্পৰ্কে প্ৰকাশ কৰা, কিন্তু ইয়াৰ সম্পৰ্কে কোনো ব্যাখ্যা দিয়া নহয়।

আয়াৰে মুৰক নৈতিক শব্দবোৰ প্ৰাকৃকি বা স্বাভাৱিক ভাৱে ব্যাখ্যা কৰিবৰ বাবে স্বভাৱবাদ বা প্ৰকৃতিবাদক অস্বীকাৰ কৰাৰ ক্ষেত্ৰত সমৰ্থন কৰিছিল।

নৈতিক শব্দবোৰৰ গুৰুত্ব নিৰ্ধাৰণ সেই শব্দবোৰে প্ৰকাশ কৰা বিভিন্ন অনুভৱ তথা বিভিন্ন আবেগিক প্ৰত্যুত্তৰ জখোৱাৰ ক্ষেত্ৰত কৰা হয়। নৈতিক বাক্যবোৰ সৈয়েহে অজ্ঞানবাদী। সেইবোৰ কোনো বিষৰ কান্দোন বা আদেশ দিয়া শব্দৰ দৰে অসত্যাপনীয় কাৰণ সিহঁতে কোনো প্ৰকৃত বচন প্ৰকাশ নকৰে। এই ক্ষেত্ৰত আয়াৰৰ তত্বটোত এটা দ্বিমত দেখা যায়। তেওঁ এটা বিষৰ কান্দোন বা আদেশ দিয়া শব্দৰ উদাহৰণ দি কৈছিল যে এই কাৰ্য্যবোৰ পৃথক পৃথক। এফালে নৈতিক বাক্যবোৰ 'Hurrah' বা 'boo' ৰ দৰে এক বহিঃ প্ৰকাশৰ মাধ্যম। আনহাতে, কিছুমমান নৈতিক বাক্য এনেদৰে ব্যৱহাৰ কৰা হয় যিটোৱে যি বাক্যত সেইটো ব্যৱহাৰ হয় তাত সেইটো আদেশ হিচপে ব্যৱহৃত হয়। ইয়াৰ দ্বাৰা নৈতিক বাক্যবোৰে শ্ৰোতাৰ মনতো একে ধৰণৰ আবেগ জন্মাব বিচাৰে আদেশমূলক শব্দৰ দৰে আৰু এইদৰে শ্ৰোতাজনক কৰ্মৰ বাবে উদুদ্ধ কৰা হয়। নৈতিক বক্যবোৰ আবেগ প্ৰকাশেই নকৰক নাইবা আমাৰ মনোভাৱবোৰক প্ৰকাশ নকৰক, সেইবোৰৰ কিন্তু কোনো জ্ঞানমপলক অৰ্থ নাই। আয়াৰৰ মতে, যদি এটা নৈতিক তত্বই নৈতিক ব্যক্তবোৰৰ অনুৰোধবোৰক বহন কৰিব নোৱৰে,তেনেহ'লে তেনেকুৱা তত্ববোৰ অনুপযুক্ত।

নৈতিক ভাষাবা কথা-বতৰাবোৰ আমাৰ কর্মবোৰৰ লগত অর্ন্তনিহিত ভৱে জড়িত। মই যেতিয়া কিবা এটা কাম কৰিব অস্বীকাৰ কৰো তাৰ দ্বাৰা মই আমাবোৰকো সেই কর্ম কৰাৰ পৰ বিৰত ৰাখিব বিচৰো। নৈতিকবোৰ হয় প্রকাশমূলকনাইবা আদেশমুলক যদিও সিহঁত বর্ণনামুলক নহয়। সেয়েহে, আয়াৰৰ আবেগবাদক মৌলিক আবেগবাদ বুলিও জনা যায়।

যদি নৈতিক বাক্যবোৰৰ কেনো আকৰিক অর্থ নাথাকে,তেনেহ'লে সিহঁতৰ সত্যতা বা মিথ্যাত্ব সম্পর্কে যুক্তি দিয়াটো অসম্ভৱ। আয়াৰে মত পোষণ কৰিছিল যে আমি কেতিয়াও বিশুদ্ধ নৈতিক বিষয়বোৰ সম্পর্কে যুক্তি প্রদর্শন কৰিব নেৱাৰো। এই ধৰণৰ নৈতিক বিষয়বোৰত 'বিবাদ মূল্যাত্মক প্রশ্ন সম্পর্কে নহয়, প্রশ্নটো হয় বাস্তৱিকতাক লৈহে।' এজন ব্যক্তিৰ নৈতিক মতামতবোৰ প্রশ্ন কৰোতে, আমি তেওঁৰ মনোযোগ সদায় বাস্তৱিকতাৰ ফলে ঢাল খুৱাবলৈ যত্ন কৰো, যিটো আমি ভাবিবলগে যে তাক উপেক্ষিতকৰিব লাগে। যদি আমাৰ বিৰোধী জনে আমি দাঙি ধৰা বা প্রকাশকৰা সকলো বস্তৱিক ঘটনা প্রবাহৰ লগত সন্মতি প্রকাশ কৰে, কিন্তু তথাপিও প্রশ্ন থকা কর্ম বা অৱস্থাত আয়াৰে কৈছে "We abandon the attempt to convince him by argument." আৰু কেনে অৱস্থাত অর্থাৎ শেষ অৱস্থাত আমাৰ 'কেৱল মাত্র অপব্যৱহাৰৰ' সহায় ল'ব লাগিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ খালী ঠই পূৰ কৰা ঃ

(ক) এ.জে. আয়াৰে তেওঁৰ আবেগবাদৰ তত্বটো নীতিবিজ্ঞানত ------ আধাৰত উপস্থাপন কৰিছিল।

(খ) এ.জে.আয়াৰে তেওঁৰ ------ মত প্রকাশ কৰিছিল যে যিকোনে এটা বাক্য তেতিয়াই আকৰিকভাৱে অর্থপূর্ণ হ'ব যেতিয়া ইহয় বিশ্লেষণাত্মক নাইবা অভিজ্ঞতাৰ দ্বাৰা সত্যাপনীয় হ'ব।

(গ) ------ হিচপে, আয়াৰে দুই ধৰণৰ গুৰুত্বপবর্ণ বচনৰ ওপৰত বিশ্বাস কৰিছিল।

(ঘ) আয়াৰৰ মতে, মৌলিক নৈতিক বচনসমূহ ------।

(ঙ) আয়াৰে ------ স্বভাৱবাদৰ ক্ষেত্রত মুৰৰ লগত একমত যিয়ে নৈতিক শব্দবোৰক প্রাকৃতিকপদৰ আধাৰত সংজ্ঞায়িত কৰিছে।

১৫.৪ আয়াৰৰ আবেগবাদৰ মূল্যায়ণ

এইটো সঘনাই বিশ্বাস কৰা হয় যে নীতিবিজ্ঞানক অখ্যাতি ৰিবলৈ আবেগবাদৰ জন্ম হৈছে। কিন্তু এই সমালোচনাটো ভুল বুজাবুজিৰ ওপৰত প্রতিষ্ঠিত। আবেগবাদৰ তত্বটোৱেকেৱল তর্কবিজ্ঞানৰ এটা জনপ্রিয় কথাৰ ফলাফলক আৱিষ্কাৰ কৰিছে যিটো ইতিমধ্যে ডেভিদ হিউমে ইতিমধ্যে অবিজ্ঞানৰ কৰিছিল যে 'উচিত' ৰ পৰা 'হয়'ক নিঃসৃত কৰিব নোৱাৰি। বাস্তৱিকতা

আৰু মূল্যৰ মাজত কোনো ধৰণৰ তাৰ্কিক সংযোগ বা যোগাযোগ নাই। আয়াৰৰ নৈতিক বাক্যবোৰৰ স্বৰূপ সত্যাপনীয় নীতিৰ ওপৰত প্ৰতিষ্ঠিত। যদি এই সত্যাপনটো ঘটনা বা বস্তুৰ নিৰীক্ষণবা ওপৰত নিৰ্ভৰ কৰিব লগীয়া হয় তেনেহ'লে আমাৰ নৈতিক কথা বতৰাবোৰ বৰ্ণনাত্মক বাক্য সমূহৰ পৰা পৃথক কৰিব লাগিব। আয়াৰৰ কম আছিল বৈজ্ঞানিক আলোচনা সমূহক অ-বৈজ্ঞানিক আলোচনা সমূহৰ পৰা পৃথক কৰা বাস্তৱিকতাৰ বাক্যবোৰক শূণ্য বাক্য সমূহৰ পৰা পৃথক কৰা যিবোৰে কোনোধৰণৰ বাস্তৱিক সত্য প্ৰকাশ নকৰে। তেওঁ নৈতিক মূল্যৰ বস্তুগত সত্যতাৰ প্ৰজ্ঞাত্মক পুৰাণত ইয়াৰ কতৃত্ববাদৰ ধাৰণাটোক লৈ মুগ্ধ আছিল কাৰণ ইয়াৰ দ্বাৰা কিছুমান নিৰ্দিষ্ট মানুহক নৈতিক বিষয়েবোৰত অবিতৰ্কিত কতৃত্ব হিচাপে মানি লোৱা হয়।

নীতিবিজ্ঞানত আয়াৰৰ আবেগবাদৰ তত্বটোক কিছুমান অসুবিধাৰ বাবে বিজড়িত কৰা হৈছে। ইয়াৰ মতেকেনো ইচ্ছাত্মক-গুণবাচ মনোভাৱৰ সন্মতি বা অসন্মতি কোনো জ্ঞানাত্মক বিচাৰ নহয় যিয়ে সত্যতা প্ৰকাশ কৰে। পেটনে কৈছিল, 'When I say that an action is menally good I am at least attempting to rise above my contingnt personal liks and dislikes.' এই কথাষাৰিয়ে এটা নীতি নিৰ্দেশ কৰিছে যিয়ে আমাৰ নৈতিক প্ৰত্যুত্তৰ বোৰৰ ভিত্তি প্ৰদান কৰে। যদি মৌলিক নৈতিক নীতি সমূহক গ্ৰহণ কৰাৰ বাবে আমাৰ উপযুক্ত ভিত্তি আছে বা উপলব্ধ, তেনেহ'লে ইয়ে নৈতিক বিচাৰবোৰক আবেগবাদী প্ৰত্যুত্তৰৰ ওপৰত প্ৰতিষ্ঠা কৰে। আয়াৰৰ মতে, প্ৰত্যেক নৈতিক বাক্যবোৰৰ উচ্চাৰণৰ লগত একো একোবিধ সুন্দৰ অনুভৱ জড়িত হৈ থাকে। কিন্তু এটা নৈতিক বিচাৰ কোনো নৈতিকঅনুভৱৰ অভিজ্ঞতা নোহোৱাকৈয়ো সাম্ভাব্য নৈতিক মূল্যায়ণক অ-আবেগিক বুলিগণ্য কৰিব পাৰি। যেনেকৈ গণিতৰ ফলাফলবোৰ কিছুমান নিৰ্দিষ্টসুত্ৰ প্ৰয়োগ কৰি নিঃসৃত কৰা হয় ঠিক তেনেদৰে কোনো নৈতিক সিদ্ধান্তত কিছুমান বিশেষ অৰ্হতা বা চৰ্ত প্ৰয়োগ কৰি নিঃসৃত কৰ হয়। সেয়েহে, এটা নৈতিক বিচাৰৰ আবেগ বা অনুভুতি দৰকাৰী লগৰীয়া নহয়। সেয়েহে, এটা আবেগ বা অনুভুতি প্ৰকাশ কৰাটো এটা নৈতিক বিচাৰৰ ববে গুৰুত্বপূৰ্ণ বৈশিষ্ট্য নহয়।

আয়াৰৰ মৌলিক আবেগবাদত মৌলিক নৈতিক কথা-বতৰা বোৰৰ কোনো ধৰণৰ নিশ্চিত আকাৰ নাথাকে মাত্ৰ সেইবোৰ Hurrah বা Ouch আদি শব্দৰ দৰে কিছুমান বহিঃপ্ৰকাশহে। এনেকুৱা এটা মতামতৰ অসুবিধা হ'ল এয়ে যে বেছিভাগ বিশেষ নৈতিক শব্দবোৰ যেনে শ্ৰেয়ইত্যাদিৰ নৈতিক বাক্যবোৰত কোনো বিধেয়াত্মক ব্যৱহাৰ থাকে কিন্তু কিছুমান বিশেষ আবেগবাদী শব্দ যেনে Hurrah, Ah ইত্যাদিৰ এনেকোনো ব্যৱহাৰ নাথাকে। মই যেতিয়া কওঁ 'দেশপ্ৰেম শ্ৰেয়' মই মাত্ৰমোৰ অনুভৱহে ব্যক্ত নকৰো লগতেইয়াকো দৰ্শাও যে এই আদৰ্শটো গ্ৰহণযোগ্য তথা অনুকৰণীয়। যদি ইয়াৰ শুদ্ধ অৰ্থটো এনেকুৱা হয় "Patriotism, bravo!" তেনেহ'লে প্ৰশ্ন উত্থাপন হ'ব যে 'এই বিস্ময়বোধক চিহ্নৰ প্ৰয়োগ ইচ্ছাকৃত নে অনিচ্ছাকৃত?' যদি ই ইচ্ছাকৃত হয় তেনেহ'লে নৈতিক বিচাৰবোৰ মোৰ মানসিক অৱস্থাৰ মাত্ৰ আংশিক প্ৰজ্ঞাহে হয় আৰু তেনেহ'লে ই আয়াৰে অস্বীকাৰ কৰা স্বভাৱবাদৰ আম-জীৱনীমুলক ৰূপ হে হ'ব। যদি

বিস্ময়বোধক প্ৰকাশ অনুভৱিত আবেগৰ এটা অনিচ্ছাকৃত লক্ষণহে হয় তেনেহ'লে আমি যেতিয়া কিবা এটা নৈতিক অৰ্ন্তদণ্ডত থাকে যেতিয়া আমি ভৱো যে 'এইটোৱেই কৰাটোৱে ভাল' অংসখ্যকথাৰ মাজত তেনেহ'লে এই ক্ষেত্ৰত আবেগবাদ এটা অনুপযুক্ত ব্যাখ্যাহে হ'ব। ইয়াত আমি কোনো ধৰণৰ আবেগ ব্যক্ত নকৰো মাত্ৰ ইচ্ছা কৃত ভৱে কৰা এক মূল্যাংকন হ'ব। মই যেতিয়া কোনো নৈতিক বাক্য প্ৰকাশ কৰিম মোৰ অনুভৱবোৰ ব্যক্ত কৰিবলৈ, তেতিয়া এইটো মই বাক্যটো প্ৰকাশ কৰাৰ কোনো প্ৰধান কাৰণ নহয় কাৰণ মই বিশ্বাস কৰো যে এইটো নৈতিক। এইটোৱে সেইটো বিশ্বাস যাৰ দ্বাৰা আমি কওঁ যে দেশপ্ৰেম নৈতিক যাক আমি ব্যক্ত কৰা বাক্যৰ দ্বাৰা প্ৰকাশ কৰো। নৈতিক বিচাৰৰ গুঢ়াথ হ'লমূল্যাংকন। কোনো এটা বস্তুক মূল্যাংকনে কোনো আবেগ অনুভুতি প্ৰকাশ বা উদ্বদ্ধ কৰা নুবুজায়।

আয়াৰৰ মৌলিক আবেগবাদে নৈতিক বিচাৰবোৰ যে কোনো বৌদ্ধিক পৰীক্ষণৰকাম নহয় তাক প্ৰকাশ কৰিবলৈ অপৰাগ হৈছে। নৈতিক বিচাৰবোৰে বিষয়গত আবেগ বাগুৰুত্ব অৰ্ন্তভুক্ত কৰিব পাৰে কিন্তু সেইবোৰক যেতিয়া বুদ্ধিৰ সহায়ত সমলোচনা কৰা হয় তেনেহ'লে সেইবোৰ জ্ঞানৰ বিষয়বস্তু হৈ পৰিব। জ্ঞানাত্মক বাক্যবোৰেও প্ৰকাস কৰিব পৰে যে বক্তাজনৰ তেওঁ কৈ থকা বিষয়টোৰ প্ৰতি কিছুমান নিৰ্দিষ্ট আবেগ অনুভুতি থাকিব, কিন্তু এই আবেগজনিত কাৰ্য্যবোৰ সেই জ্ঞানাত্মক গুৰুত্ববোৰক ক্ষেত্ৰত আনুষাঙ্গিক। সেয়েহে আয়াৰৰ লগত একমত হ'বলৈ অসুবিধা যে নৈতিক মূল্যাংকনবোৰ অ-জ্ঞানাত্মক প্ৰকৃত বিবাদটো মূল্যাংকন আৰ বৰ্ণনাৰ মাজত নহয় বৰং বিবাদটো হৈছে মূল্যাংকন আৰু বৰ্ণনাৰ মাজত। মৌলিক আবেগবাদে ইয়াৰ দবী যে অ-বৰ্ণনাত্মকবোৰ সম্পূৰ্ণভাৱে অবেগজনিত কথাষাৰৰ ক্ষেত্ৰত ভুল প্ৰমাণিত হৈছে। ই ব্যাখ্যা কৰিবলৈ ব্যৰ্থ হৈছে যে নৈতিক বিচাৰবোৰে বিৰপেজ্ঞতা, অব্যাক্তিগত আৰ অন্তঃব্যক্তিগত কতৃপক্ষ যিবোৰ কোনো ব্যক্তিগত গুৰুত্ব আৰু আবেগবোৰৰ পৰা স্বাধীনতাৰ ওপৰত এক দাবী স্থাপন কৰে। আমাৰ নৈতিক বিতাৰবোৰৰ যুক্তি যুক্তিতাটো এক বহল তথা বৌদ্ধিকভাৱে সংগতিপূৰ্ণ পৰিস্থিতিত হেপ্ৰমাণ কৰিব পাৰি। সেয়েহে বুদ্ধিৰ কাৰ্য ক্ষমতাটো নৈতিক সিদ্ধান্তৰ ক্ষেত্ৰত অস্বীকাৰ কৰাটো এটা ভুল হ'ব। চি.ই. লুইছে মন্তব্য দিছে যে, "If it were not regret, then valuing and doing may later be a matter of regret, then there would be no point and no inperative to consistency of any kind. No act would then be affected by relation to any principle, and no thinking by any consideration of validity. Life in general would be free of any concern, and there would be no distination of what is rational from what in perverse or silly." নৈতিক আলোচনাৰ উমৈহতীয়া কাৰ্য্যত বা অৰ্থত এক নৈতিক আদেশত বিশ্বাসটো নিহিত হৈ আছে। সেই বিশ্বাসৰ আধাৰতেই কোনো নৈতিক সিদ্ধান্তৰবৌদ্ধিক যুক্তিযুক্তিতা দিয়াটো অৰ্থপূৰ্ণ। ইয়াত কেৱল অনুভৱকেই আবেদন কৰাটো কামত নহ'ব বা ইয়াত কেৱল অনুভৱকেই আবেদন কৰিলে উপযুক্ত নহ'ব।

১৫.৫ ষ্টিভেনচনৰ আবেগবাদ

তথাপিও, আবেগবাদ অর্থৰ সত্যাপনীয় নীতি নাইবা হিউমৰ বুদ্ধি বিচাৰ সম্পর্কীয় তত্বৰ ওপৰত নির্ভৰশীল নহয়। বাৰনেকৰ মতে আবেগবাদ এটা তত্ব হিচপে কেৱল চার্লচ ষ্টিভেনচনৰ কামৰ দ্বাৰাহে বিকশিত হৈছিল। বাৰনোকে যুক্তি দিছিল যে ষ্টিভেনচনে তিনিধৰণৰ মূল কথা কৈছিল। প্রথমতে, ষ্টিভেনচনে বিশ্বাস আৰু মনোভাৰৰ মাজৰ পার্থক্যটো বিকাশ কৰিছিল। আমি এই পার্থক্যটো মিল বা সাদৃশ্যৰ দিশৰ পৰা বুজিব পৰো।

এজন মানুহে তেওঁৰ বজাৰৰ লিষ্ট খন লৈ বজাৰ কৰিবলৈ গৈছে। যেতিয়া বজাৰ কৰি থকা অৱস্থাক, তেওঁৰ লিষ্টখনে তেওঁক কি কি বস্তু মোনাত ভৰালে তাক সকিয়াই দিছিল। বজাৰৰ শেষত, লিষ্টখনত কি কি বস্তু লিখা আছিল সেইখিনি তেওঁৰ মোনাত থকা বস্তুবোৰৰ লগত সাদৃশ্য থাকিব লাগিব। যদি মিল নাখায় তেনেহ'লে হয়তো মোনাখনত নাইবা লিষ্টখনত কিবা অসুবিধা আছে। যদি তেওঁক এজন চেৰাংচোৱাই লক্ষ্য কৰি আছে যিয়ে তেওঁ কি কি বস্তু মোনাত ভৰালে সেই বস্তুবোৰৰ এখন লিষ্ট বনাই আছিল, তেনেহ'লে বজাৰৰ শেষত চোৰাংচোৱাজনৰ লিষ্টখন মানুহজনৰ মোনাখনৰ লগত মিলিব লাগিব। মানুহজনৰ লিষ্টখন হ'ব তেওঁ বজাৰৰ পৰা কি কি বস্তু বিচাৰিছিল। ইচ্ছাবোৰৰ এটা 'পৃথিৱীৰ পৰা মনলৈ বুলি এটা দৃষ্টিভংগী বা দিশ আছে। মি পৃথিৱীখনক আমি বিচৰা ধৰণে পৰিবর্তন কৰিব বিচাৰো আৰু এইদৰে আমি আমাৰ মনটোক সন্তুষ্টি প্রদান কৰো। সেইবোৰ সঁচা বা মিছা নহয় কিন্তু এই পৃথিৱীখন কেনেকুৱা হোৱা উচিত তাক প্রনিধিত্ব কৰে। আনহাতে, চোৰাংচোৱাজনৰ লিষ্টখন হ'ল সেইখন লিষ্ট যিখন সেই বজাৰ কৰা মানুহজনক মোনাত থক বস্তুবোৰৰ লগত মিলিব। বিশ্বাসবোৰৰ 'মনৰ পৰা পৃথিৱীলৈ' বুলি এটা দৃষ্টিভংগীৰ দিশ আছে। আমি আমাৰ বিশ্বাসবোৰ পৰিৱর্তন কৰো এই পৃথিৱীখনৰ লগত মিলিবলৈ আৰু তাৰ দ্বাৰা সঁচা বিশ্বাস হ'বলৈ। সিহঁতে পৃথিৱীখনকেনেকুৱা হোৱা উচিত তাক দর্শায়, আৰু আমি কেনেকুৱা ধৰণে বিচাৰো তাক নহয়। ষ্টিভেনচনে যুক্তি দিছিল যে নৈতিক মনোভাৱবোৰে কেনেকুৱা হ'ব লাগে তাক গুৰুত্ব দিয়ে- সিহঁতৰ এটা 'পৃথিৱীৰ পৰা মনলৈ বুলি এটা দৃষ্টিভংগী আছে আৰু সেয়েহেসিহঁত অজ্ঞানবাদী।

দ্বিতীয়তে, ষ্টিভেনচনে শব্দৰ বর্ণনাত্মক আৰু আবেগবদী অর্থৰ মাজৰ পার্থক্যবোৰৰ বিকাশ কৰিছিল। তেওঁ যুক্তি দিছিল যে নৈতিক শব্দবোৰৰ আবগবাদী অর্থ আছে যিবোৰ বর্ণনাত্মকে নহয় নাইবা বিশ্লেষনাত্মকও নহয় আৰু সিহঁত কোৱে সত্যাপন নীতি বা বুদ্ধিৰ দ্বাৰা বা পৰা স্বাধীন। প্রধান নৈতিক পদবোৰ যেনে- শুদ্ধ, ফুল, শ্রেয়, আৰু বেয়াইত্যাদিৰ কেৱল আবেগবাদী অর্থ আছে যিয়ে সন্মতি ব অসন্মতি প্রকাশ কৰে। কিন্তু বহুতো নৈতিক পদ (চুৰি কার্য্য, সধুতা, সন্মান) ইত্যাদিৰ বর্ণনাত্মক আৰু আবেগবাদী দুয়োটা অর্থই আছে। কোনেবাক সাধু বুলি কোৱাৰ মানে হ'ল তেওঁলোকৰ বিষয়ে কিবা শিকিব লগা আছে। উদাহৰণস্বৰূপে, যদি সঘনাই মিছা কথা কৈ থকা হয় তেনেহ'লে সিহঁত সাধু হ'ব নোৱাৰে আকু কোনোবাই মিছা কথা কয় নে নকয় এটা বাস্তৱিকতাৰ বিষয়। কিন্তু 'সাধুতা' পদটো কেৱল বর্ণনাত্মক নহয়, সন্মতি প্রকাশক এটা আবেগবাদী অর্থও লুকাই আছে।

১৫.৬ আবেগবাদ আৰু নৈতিক অসন্মতি

আবেগবাদৰবিৰুদ্ধে এটা সবতোকৈ শক্তিশালী আপত্তি হ'লএয়ে যে ইনৈতিক আলোচনাবোৰক অতিৰিক্তভাৱে সৰল কৰি পেলাইছে। যদি মই কওঁ যে 'গৰ্ভপাত ভুল' আৰ তুমি কোৱা যে 'গৰ্ভপাতশুদ্ধ' তেনেহ'লে ইয়াত মই মোৰ অসন্মতি আৰু তুমি তোমাৰ সন্মতি প্ৰকাশ কৰিছা। মই ইয়ত গৰ্ভপাতক ধিক্কাৰ আৰু তুমি প্ৰশংসা কৰিছা। কিন্তু ইয়াৰ সম্পৰ্কে কোনো আলোচনা, কোনো বিচাৰ থাকিব নোৱাৰে। ইয়াতকৈয়ো বেয়াকৈ, আবেগবাদে আকৌ দাবী কৰিছে যে আমি আন মানুহৰো অনুভৱ তথা কৰ্মবোৰক প্ৰভাৱিত কৰিবলৈ চেষ্টা কৰিছো, আৰু কেনো কাৰণ নজনাকৈ আনমানুহক প্ৰভাৱিক কৰিবলৈ যোৱাতো এক প্ৰকাৰৰ ধৃষ্টতা।

আয়াৰে প্ৰত্যুত্তৰ দিছিল যে নৈতিক আলোচনাবোৰ বাস্তৱিক ঘটনা সম্পৰ্কেই হয়। যেতিয়া আমি জীৱ-জন্তুৰ অধিকাৰৰ কথা কওঁ তেতিয়া আমি বিভিন্ন সত্যতাৰ আধাৰত ইজনে সিজনৰ মনোযোগ লাভ কৰিবলৈ চেষ্টা কৰো। মই দেখাও যে কেনেদৰে জীৱ-জন্তুবোৰে কাৰখানা ফাৰ্মবোৰত কষ্ট পায়। আমি দেখুৱাও কেনেদৰে মানুহ জীৱ-জন্তুতকৈ উচ্চখাপৰ বা উন্নত ইত্যাদি। যদিও আমি এই কথাবোৰত সন্মত হওঁ, তথাপিও আমি নৈতিকভৱে অসন্মত আৰ ইয়াত আলোচনা কৰিবলৈ একো বাকী নাথাকে।

ষ্টিভেনচনে এইটো অস্বীকাৰ কৰিছিল। নৈতিক অসন্মতিটো মনোভাৱৰ অসন্মতি হৈ ৰৈ যায়, এটা বাস্তৱিক অসন্মতি- কোনো মানুহে দুটা ধৰণে ভাৰি বা মনোভাৱ ৰাখি জীয়াই থাকিব নেৱাৰে যে, 'মাংস খোৱাটো ভুল' আৰু 'মংস খোৱটো শুদ্ধ' এই দুটা মনোভাৱ। মনোভাৱ সম্পৰ্কে আলেচনা কৰিব পাৰি কৰণ মনুহে কোনো অনুভৱ বা বাছনি মনোভাৱৰ পৰা আঁতৰি কৰিব নোৱাৰে। এটা মনোভাৱে সদায় আন এটা মনেভাৱৰ প্ৰতি নিৰ্দেশ কৰে। যদি মই কিবা এটা কৰ্ম সম্পৰ্কে অসন্ত, তেনেহ'লে সেই জাতীয় একেকৰ্মৰ প্ৰতি মোৰ একে ধৰণৰ মনেভাৱেই থাকিব লাগিব অথবা মোৰ মনোভাৱবোৰে মোক কেনেকৈ জীয়াই থাকিব লাগে তাৰ অহৰহ পৰামৰ্শ দি নাথাকিব। নৈতিক অসন্মতিতেনেহ'লে বিভিন্ন মনেভাৱৰ মাজত থক সম্পৰ্ক। উদাহৰণস্বৰূপে, গৰ্ভপাত শুদ্ধ নে অশুদ্ধ এই কথাটো বিচাৰ কৰাটো বৰ জটিল কাৰণ ইয়াত বহুতো মনোভাৱ নিহিত হৈ আছে। যেনে মাকজনীৰ প্ৰতি সহানুভুতি, ভ্ৰূণটোৰ প্ৰতি সহানুভুতি, মানুহৰ জীৱন সত্য তথা অভিভাৱকৰ অনুভৱ। এই বিভিন্ন মনোভাৱবোৰে কেনেকৈ কাম কৰিব সেইটো বিচাৰি উলিওৱাটো বৰ জটিল আৰু সেইবাবে মানুহ অসন্মত হয়। তথাপিও আমি আপত্তি কৰো যে আমাৰ চিন্তা কৰাৰ ক্ষমতাৰ ওপৰত যে কোনটো মনোভাৱ এৰি দিন, কোনটো গ্ৰহণ কৰিম সকলো সংমিশ্ৰন হৈ আছে। আমাৰ ইয়াত কোনো এটা মনোভাৱৰ সমষ্টি নাই যিটো আন এটা মনোভাৱতকৈ 'বেছি ভাল জীৱন' এটাৰ অংশ হ'ব পাৰে। আবেগবাদ সম্পৰ্কে অধিক আপত্তিবোৰ "The denial of menal truth : Objections" নামৰ বিলিপত্ৰখনত আলোচনা কৰা হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ চমুটোকা লিখা ঃ

(ক) ষ্টিভেনচনৰ আবেগবাদ

(খ) আবেগবাদ আৰু নৈতিক অসন্মতি

প্রশ্ন নং ৩ ঃ সঁচা নে মিছা কোৱাঃ

(ক) আবেগবাদ এট তত্ব হিচাপে চালর্চ ষ্টিভেনচনৰ কামৰ দ্বাৰাহে বিকশিত হৈছে।

(খ) ইচাছাবোৰৰ এটা 'পৃথিৱীৰ পৰা মনলৈ' বুলি এটা দৃষ্টিভংগী বাদিশ আছে আৰু বিশ্বাসৰ মনৰ পৰা পৃথিৱীলৈ বুলি এটা দৃষ্টিভংগী আছে।

(গ) প্রধান নৈতিক পদবোৰ যেনে- শুদ্ধ, ভুল, শ্রেয় আৰু বেয়া ইত্যাদিৰকেৱল আবেগবাদী অর্থ আছে.য়ি সন্মতি বা অসন্মতি প্রকাশ কৰে। কিন্তু বহুতো নৈতিক পদ। চুৰি কার্য্য, সাধুতা, সন্মান ইত্যাদিৰ বর্ণনাত্মক আৰু আবেগবাদী দুয়োটা অর্থই আছে।

(ঘ) আবেগবাদৰবিপক্ষে এটা সবাতোকৈ শক্তিশালী আপত্তি হ'ল এয়ে যে ই নৈতিক আলোচনাবোৰক অতিৰিক্তভাৱে সৰল কৰি পেলাইছে।

(ঙ) আবেগবাদে দাবী কৰিছে যে আমি আন মানুহৰো অনুভৱ তথা কর্মবোৰকপ্রভাৱিতকৰিব চেষ্টা কৰিছো আৰু কোনো কাৰণ নজনাকৈ মানুহক প্রভাৱিক কৰিবলৈ যোৱাতো একো প্রকাৰৰ ধৃষ্টতা।



১৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- নৈতিক ভাষাৰ আবেগবাদী বিশ্লেষণ মানে হ'ল নৈতিক ভাষা বা নৈতিক বিচাৰ, বাক্য, শব্দ আৰু কথা-বতৰা তথা নৈতিক সম্পর্কে থকা আবেগবাদী তত্ব।
- আবেগবাদ হ'ল এটা অধিনীতিশাস্ত্রৰ মতবাদ সি দাবী কৰিছে যে নৈতিক বাক্যবেৰে কোনো বচন ব্যক্ত নকৰে কিন্তু কিছুমান আবেগবাদী মনোভাৱহে ব্যক্ত কৰে। সেয়েহে ইয়াক নৈতিক Hurrah বা boo ত্তব বুলিও কেৱা হয়। আবেগ বামনোভাৱ প্রাকশ কৰে।
- আবেগবাদৰ তত্বটো এ.জে. আয়াৰে তেওঁৰ Language, truthand Logic (1906) ত আৰু চালর্চ ষ্টিভেনচনে তেওঁৰ Ethics and language (1945) ত পৃষ্টপোষকতা কৰিছিল।
- আবেগবাদক অজ্ঞানবাদ বা প্রকাশবাদৰ এটা ৰূপ বুলি ধৰা হয়। ই অজ্ঞানবাদৰ আনবোৰ ৰূপৰ বিৰোধী (যেনে আংশিক বাস্তৱবাদআৰু সার্বিক পৰামর্শবাদ) আৰু সকলো ধৰণৰ জ্ঞানবাদৰ প্রকাৰ (নৈতিক বাস্তৱবাদ আৰু নৈতিক বিষয়বাদ উভয়ে)

- এ.জে. আয়াৰে তেওঁৰ আবেগবাদৰ তত্বটো নীতিবিজ্ঞানত তৰ্কীয় প্রত্যক্ষবাদৰ ভিত্তিতেই বিকাশ কৰিছিল। তেওঁক 'Languange, truth and Logic' নামৰ গ্রন্থতকৈছে যে যিকোনো এটা বাক্য তেতিয়াই আকৰিকভাৱে অর্থপূর্ণ হ'ব যেতিয়া ই হয় বিশ্লেষণাত্মক বা অভিজ্ঞতাৰদ্বাৰা সত্যাপনীয় হ'ব। যদি বাক্যটো বিশ্লেষণাত্মক হয়, তেনেহ'লে ইয়াক তৰ্কীয় সন্মতিৰ আধাৰত নিশ্চিত বা অনিশ্চিত কৰিব পাৰি।
- আয়াৰৰ মতে, মৌলিক নৈতিক ধাৰণাসমূহ শূণ্য ধাৰণা, নৈতিক বিচাৰবোৰ দৰাচলতেকোনো ব্যাখ্যা বা বর্ণনা নহয়, বৰং সেইবোৰ হ'লকিছুমান আবেগজনিত প্রকাশ যাৰ দ্বাৰা আমি আমাৰ অনুভুতি আৰু মনোভাৱবোৰ ব্যক্ত কৰো।
- আয়াৰৰ মতে, নৈতিক বকবৈোৰ আবেহগপ্রকাশেই নকৰক নাইবা আমাৰ মনোভাৱবোৰক প্রকাশ নকৰক, সেইবোৰৰ কিন্তু কোনো জ্ঞানমুলক অর্থ বহন নকৰে।
- তৰ্কীয় প্রত্যক্ষবাদৰ প্রধান অসুবিধা হ'ল এয়ে যে সত্যাপনীয় নীতি অনুসৰি, সত্যাপন নীতিটো নিজে অর্থহীন।
- আয়াৰৰ মৌলিক আবেগবাদতমৌলিক নৈতিক কথা বতৰাবোৰৰ কোনো ধৰণৰ নিশ্চিত আকাৰ নাথকে মাত্র সেইবোৰ Hurrah বা Oach আদি শব্দৰ দৰে কিছুমান বহিঃ প্রকাশহে।
- আয়াৰৰ মৌলিক আগবাদ নৈতিক বিচাৰবোৰ যেকোনোবৌদ্ধিক পৰীক্ষণৰ কাম নহয় তাক প্রকাশ কৰিবলৈ অপৰাগ হৈছে। বাৰনোকৰ মতে, আবেগবাদ এটা তত্ব হিচপে কেৱল চি.এল. ষ্টিভেনচনৰ কর্মৰ দ্বাৰাহে বিকশিত হৈছে।
- ষ্টিভেনচনে শব্দৰ বর্ণনাত্মক আৰু আবেগবাদ অর্থৰ মাজত পার্থক্য নির্ণয় কৰিছিল।
- আবেগবাদৰ বিপক্ষে এটা সবতোকৈ শক্তিশালী আপত্তি হ'ল এয়েযে ইনৈতিক লোচনাবোৰক অতিৰিক্তভাৱে সৰল কৰি পেলাইছে।
- ষ্টিভেনচনে এইটো অস্বীকাৰ কৰিছে নৈতিক অসন্মতিটো মনোভাৱৰ অসন্মতি হৈ ৰৈ যায়, এটা বাস্তৰিক অস্নতি কোনো মানুহে দুই ধৰণে ভাৰি বা মনোভাৰ ৰাখি জীয়াই থাকিব নোৱৰে যে 'মাংস খোৱাটো ভুল' আৰু 'মাংস খোৱাটো শুদ্ধ'।



১৫.৮ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) পাঠ্যপুথি প্রস্তুতি সমন্বয় সমিতি, গুৱাহাটী বিশ্ববিদ্যালয় —*নীতিশাস্ত্র*
২) সেনগুপ্ত, ব্যানার্জী পাব্লিশার্স —*নীতিবিজ্ঞান*
৩) শৈলেন বৰকাকতি —*নীতিশাস্ত্র*
৪) অঞ্জলি দেৰী —*নীতিবিদ্যা*
৫) ড° জ্যোৎস্না ভট্টাচার্য্য —*নীতিবিজ্ঞান.*



১৫.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ

(ক) উত্তৰ ঃ তকীয় প্রত্যক্ষবাদ

(খ) উত্তৰ ঃ Language Truth and Logic

(গ) উত্তৰ ঃ তকীয় প্রত্যক্ষবাদী

(ঘ) উত্তৰ ঃ শূণ্য ধাৰণা

(ঙ) উত্তৰ ঃ অস্বীকাৰ কৰিছিল

২ নং প্রশ্নৰ উত্তৰ ঃ

(ক) উত্তৰ ঃ আবেগবাদ এটা তত্ব হিতপে কেৱল চালর্চ ষ্টিভেনচনৰ কামৰ দ্বাৰাহে বিকশিত হৈছিল। বাৰনোকে যুক্তি দিছিল যে ষ্টিভেনচনে তিনি ধৰণৰ মুল কথা কৈছিল। প্রথমতে, ষ্টিভেনচনে বিশ্বাস আৰু মনোভাৱৰ মাজৰ পার্থক্যটো বিকাশ কৰিছিল। আমি এই পার্থক্যটো মিল বা সাদৃশ্য দিশৰ পৰা বুজিব পাৰো।

ষ্টিভেনচনে যুক্তি দিছিল যে নৈতিক মনোভাৱবোৰে কেনেকুৱা হ'ব লাগে তাক গুৰুত্ব দিয়েসিহঁতৰ এটা পৃথিৱীৰ পৰা মনলৈ বুলি এটা দৃষ্টিভংগী আছে আৰু সেয়ে সিহঁতৰ অজ্ঞানবাদী।

দ্বিতীয়তে, ষ্টিভেনচনে শব্দৰ বর্ণনাত্মক আৰু আবেগবাদীতত্বৰ মাজৰ পার্থবোৰৰ বিকাশ কৰিছিল। তেওঁ যুক্তি দিছিল যে নৈতিক শব্দবোৰৰ আবেগবাদী অর্থ আছে যিবোৰ বর্ণনাত্মকো নহয় নাইবা বিশ্লেষণাত্মকো নহয় আৰুসিহঁত কোনো সত্যাপননীতি বা বদ্ধিৰ পৰা স্বাধীন। প্রধন নৈতিক পদবোৰ যেনে- শুদ্ধ, ভুল, শ্রেয় আৰু বেয়া ইত্যাদিৰ কেৱল আবেগবাদী অর্থ আছে যিয়ে সন্মতি বা অসন্মতি প্রকাশ কৰে। কিন্তু বহুতো নৈতিক পদ (চুৰি কার্য্য, সাধুতা, সন্মান) ইত্যাদিৰ বর্ণনাত্মক আৰু আবেগবাদী দুয়োটাই অর্থই আছে।

(খ) উত্তৰ ঃ আবেগবাদৰ বিৰুদ্ধে এটা সবাতোকৈ শক্তিশালী আপত্তি হ'ল এয়ে যে ই নৈতিক আলোচনাবোৰক অতিৰিক্ত ভাৱে সৰল কৰি পেলাইছে। যদি মই কওঁ যে 'গর্ভপাত ভুল' আৰু তুমি কোৱা যে, 'গর্ভপাত শুদ্ধ' তেনেহ'লে ইয়াত মই মোৰ অসন্মতি আৰ তুমি তেমাৰ সন্মত প্রকাশ কৰিছা। কিন্তু ইয়াৰ সম্পর্কে কোনো আলোচনা কোনো বিচাৰ থাকিব নোৱাৰে। ইয়াতকৈয়ো বেয়াকৈ, আবেগবাদেআকৌ দাবী কৰিছে যে আমি আন মানুহৰো অনুভৱ ব কর্মবোৰক প্রভাৱিত কৰিবলৈ চেষ্টা কৰিছো আৰু কোনো কাৰণ নজনাকৈ আন মানুহক প্রভাৱিত কৰিবলৈ যোৱাতো ধৃষ্টতা।

ষ্টিভেনচনে অস্বীকাৰ কৰিছে যে নৈতিক আলোচনাবোৰে বাস্তৱতাক আলোচনা কৰে। নৈতিক অসন্মতিটো মনোভাৱৰ অসন্মতি হৈ ৰৈ যায়, এটা বাস্তৱিক অসন্মতি কোনো মানুহে দুই ধৰণে ভাৰি বা মনোভাৱ ৰাখি জীয়াই থাকিব নোৱাৰে যে 'মাংস খোৱাটো ভুল' আৰু 'মাংস খোৱাটো শুদ্ধ'। ইয়াত মনোভাৱ সম্পৰ্কেআলোচনা কৰিব পাৰি কাৰণ মানুহে কোনো অনুভৱ বা বাছনি মনোভাৱৰ পৰা আঁতৰি কৰিব নোৱাৰে। এটা মনোভাৱে সদায় আন এটা মনোভাৱক নিৰ্দেশ কৰে। যদি মই কিবা এটা কৰ্ম সম্পৰ্কে অসন্মত, তেনেহ'লে সেই জাতীয় এতে কৰ্মৰ প্ৰতি মোৰ একে ধৰণৰেই মনোভাৱ থাকিব লাগে তাৰ অহৰহ পৰামৰ্শ দি নাথাকিব। নৈতিক অসন্মতি তেনেহ'লে বিভিন্ন মনোভাৱৰ মাজত থকা সম্পৰ্ক। উদাহৰণস্বৰূপে, গৰ্ভপাত শুদ্ধ নে অশুদ্ধ এইটো বিচাৰ কৰাটো জটিল কাৰণ ইয়াত বহুতো মনোভাৱ নিহিত হৈ আছে যেনে মাক জনীৰ প্ৰতি সহানুভুতি, ভ্ৰূণটোৰ প্ৰতি সহানুভুতি, মানুহৰ জীৱন, মৃত্য তথা অভিভাৱক মনোভৱৰ অনুভৱ। এই বিভিন্ন মনোভাৱবোৰে কেনেকৈ কাম কৰিব সেইটো বিচাৰি উলিওৱাটো বৰ জটিল আৰু সেইবৰে মানুহ অসন্মত হয়। তথাপিও আমি আপত্তি কৰে যে আমাৰ চিন্তা কৰাৰ ক্ষমতাক ওপৰত যে কোনটো মনোভাৱ আমি এৰি দিম, কোনটো গ্ৰহণ কৰিম সকলো সংমিশ্ৰণ হৈ আছে। আমাৰ ইয়াত কোনোমনোভাৱৰ সমষ্টি নাই যিটো আন এটা মনোভাৱতকৈ বেছি ভাল জীৱন এটাৰ অংশ হ'ব পাৰে। আবেগবাদ সম্পৰ্কে অধিক আপত্তিবোৰ "The denial of menal Truth : objectional" নামৰ বিলিপত্ৰখনত আলোচনা কৰা হৈছে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ

(ক) মিছা

(খ) সচা

(গ) সচা

(ঘ) সচা

(ঙ) সচা



১৫.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন নং ১ ঃ বস্তুধৰ্মী প্ৰশ্ন ঃ

(ক) নৈতিকভাষাৰ আবেগবাদী বিশ্লেষণ মানে কি?

(খ) আবেগবাদ মানে কি?

(গ) আয়াৰৰ আবেগবাদৰ তত্বটো কি?

(ঘ) সত্যাপনীয় নীতি মানে কি?

(ঙ) নৈতিক ভাষাৰ আবেগবাদী তত্ব সম্পর্কে ষ্টিভেনচনৰ মতামতটো কি?

প্রশ্ন নং ২ ঃ চমু প্রশ্ন (প্রতেক প্রশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত দিয়া) ঃ

(ক) আয়াৰৰ আবেগবাদ

(খ) আয়াৰ আৰু সত্যাপন নীতি

(গ) ষ্টিভেনচনৰ আবেগবাদ

(ঘ) আয়াৰৰ আবেগবাদী তত্বৰ অসুবিধাসমূহ

(ঙ) আবেগবাদ আৰু নৈতিক অসন্মতি

প্রশ্ন নং ৩ ঃ চমুটোকা লিখক (প্রত্যেক প্রশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত দিয়া) ঃ

(ক) আয়াৰৰ আবেগবাদ

(খ) ষ্টিভেনচনৰ আবেগবাদী তত্ব

(গ) আয়াৰৰ আবেগবাদৰ মূল্যাংকন

(ঘ) আয়াৰ আৰু সত্যাপন নীতি

প্রশ্ন নং ৪ ঃ ৰচনাধর্মী প্রশ্ন (প্রতেক প্রশ্নৰ উত্তৰ ৩০০-৫০০ মান শব্দৰ ভিতৰত দিয়া) ঃ

(ক) আবেগবাদৰ তত্বটো ব্যাখ্যা কৰা।

(খ) আয়াৰৰ আবেগবাদৰ তত্বটো বুলিলে কি বুজা? ব্যাখ্যা কৰা।

(গ) আয়াৰে কেনেকৈ তেওঁৰ আবেগবাদৰ তত্বটোক সত্যাপন নীতিৰ ওপৰত নির্ভৰ কৰিছিল? বিশ্লেষণ কৰা।

(ঘ) আয়াৰৰ আবেগবাদ তত্বৰে এক সমালোচনাত্মক মূল্যাংকন আগবঢ়োৱা।

(ঙ) ষ্টিভেনচনৰ আবেগবাদৰ তত্বটো চমুকৈ আলোচনা কৰা।

(চ) আবেগবাদ আৰু নৈতিক অসন্মতিৰ মাজৰ সম্পর্কটো চমুকৈ আলোচনা কৰা।

* * * * *



প্ৰসংগ পুথি

অসমীয়া গ্ৰন্থ ঃ

১) অঞ্জলি দেৱী —*নীতিবিদ্যা*
২) ড° কালিচৰণ দাস —*নীতিবিজ্ঞান*
৩) ড° গিৰিশ বৰুৱা —*নীতিবিজ্ঞান*
৪) ড° জ্যোৎস্না ভট্টাচার্য্য —*নীতিবিজ্ঞান*
৫) পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতি, গুৱাহাটী বিশ্ববিদ্যালয় —*নীতিশাস্ত্ৰ*
৬) সেনগুপ্ত, ব্যানার্জী পাব্‌লিশার্স —*নীতিবিজ্ঞান*
৭) শৈলেন বৰকাকতি —*নীতিশাস্ত্ৰ*

ইংৰাজী গ্ৰন্থ ঃ

৮) Chandradhar Sharma **:** *A Critical Survey of Indian Philophy*, Motilal banarsidass, New Delhi, 1987, Chepter-II.
৯) Jadunath Sinha **:** *A Manul of Ethics*, New Central Book Agency, Calcutta,1998, Chapter 37.
১০) J. N. Mohanty **:** *Classical Indian Philospphy*, Oxford University Press, New Delhi; 2002, Chapter VIII.
১১) Purusottam Bilimoria **:** *Classical Indian Philosophy*, Oxford University Press New Delhi, 2002 Chapters IV, & VII.
১২) M. Hiriyana **:** *Outlines of India Philoshipy*, George Allen & Unin Ltd. London, 1958, Vol-I, Chapter IX.
১৩) Jadunath Sinha **:** *Outlines of India Philiphy*, Chapter-III.
১৪) S. Radhakrishnan **:** *Indian Philophy*, Vol.-I, Oxford University Press, New Delhi, 1993, Chapyter IX.
১৫) *The Bhagavad Gita* **:** Translated by S. Radhakrihnan Harper Collins Publihers India Ltd, 2000.
১৬) I. C. Sharma **:** *Ethical Philosophics of India*, George Allen & Unwin Ltd., London, 1965, Chapter iii & IV.
১৭) J. N. Mohanti **:** *Explomrtions in Philosophy*, Oxford University Press, New Delhi, 2001, Chapter IV.
১৮) J. Prabhu & R. Sharma (ed.) **:** *India & Ethics*, Oxford University, New Delhi, 2008, Part-A,Chapter-III.
১৯) S. Gopalan **:** *Hindu Social Philosophy*, Wiley Eastern Limited, New Delhi, 1979.